● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

বন্ধু নথকাটো নিশ্চিতভাৱে এক দুখজনক কথা, কিন্তু শত্ৰু নথকাটো তাতকৈও দুখজনক।

চে গুৱেভাৰা
*বিপ্লৱী*



www.dainikagradoot.in

৭ বিৰোধীক একত্ৰিত কৰিবলৈ গৈ মুখথেকেচা মমতাৰ
১৫ দ্বিতীয় টি-২০তো পৰাস্ত ভাৰত
৪ ভূতৰ মুখত ৰাম নাম!

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৪৩তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ২৯ জেঠ ১৪২৯ ভাস্কৰাব্দ ১৩ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 13 June 2022 মূল্য ঃ ৯.০০ টকা

■ ২৬খন আসনৰ আটাইকেইখনতে জয়লাভ ■ আকৌ এবাৰ ধৰাশায়ী হ'ল কংগ্ৰেছ ■ সমষ্টিভেদে বিজেপিৰে যুঁজ দিলে স্থানীয় আঞ্চলিক দল-নিৰ্দলীয়ই ■ সাংগঠনিক শক্তিয়ে জয়ৰ মূলমন্ত্ৰ ঃ কলিতা

# কাৰ্বি পাহাৰ পুনৰ বিজেপিৰ দখললৈ



*শিশু শ্ৰমিকবিৰোধী দিৱস উপলক্ষে শিশুৰ সমদল, মহানগৰীত দেওবাৰে।*

**পৰাজিত হৈ ৰাইজৰ ৰায় মানি ল'লে কংগ্ৰেছ ■ অধিক দায়বদ্ধতাৰে কাম কৰিম ঃ তুলিৰাম**



ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
গুৱাহাটী/ডিফু/বকলীয়াঘাট/বোকাজান/ডংকামোকাম, ১২ জুন ঃ দাবী কৰা অনুসৰিয়ে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদখন পুনৰ ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ দখললৈ গ'ল। যোৱা আঠ জুনত অনুষ্ঠিত পৰিষদখনৰ নিৰ্বাচনত ২৬ টা সমষ্টিতে বিজেপিৰ প্ৰাৰ্থীয়ে জয়লাভ কৰে। ফলত পুনৰ এবাৰ নিৰ্বাচনত মুখথেকেচা খায় ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে। বিজেপিৰ এই বিজয়ৰ ফলত পুনৰ তুলিৰাম ৰংহাঙৰ নেতৃত্বত দলটোৱে বিৰোধী শূন্যভাৱে কাৰ্বি পৰিষদত শাসন চলোৱাৰ পথ প্ৰশস্ত হয়। এই জয়ৰ সন্দৰ্ভত ৰংহাঙে কয় যে কাৰ্বি আংলঙৰ ৰাইজে উন্নয়নৰ পক্ষত থিয় হৈ ভোটদান কৰাৰ বাবেই বিজেপিয়ে বিৰোধীক শূন্য কৰি বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হয়। ইয়াৰ লগতে ৰংহাঙে কয় যে কাৰ্বি আংলঙৰ আন্তঃগাঁথনি শক্তিশালী কৰণকে ধৰি সৰ্বাংগীণ বিকাশৰ বাবে তেওঁলোক অধিক দুই পৃষ্ঠাত চাওক

## বিদ্যালয়ত শৈক্ষিক পৰিৱেশ ক'ত?

■ প্ৰাঞ্জলসেন ডেকা

**বিগত** কেইবছৰমানৰ দৰে এইবাৰো হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছতে অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰ মুণ্ডপাত আৰম্ভ হৈছে। এনে বহু বিদ্যালয়ৰ শোচনীয় ফলাফলক লৈ চৰকাৰৰ পৰা আৰম্ভ কৰি বিদ্বৎ সমাজলৈ উদ্বেগ প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। শিক্ষা বিভাগৰ তৰফৰ পৰা এনে বিদ্যালয়সমূহলৈ ইতিমধ্যে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছে। সংবাদ ১০ পৃষ্ঠাত চাওক

## ককলাবাৰীত মিত্ৰজোঁটৰ ইউপিপিএলৰ প্ৰাৰ্থী মণ্টু বড়োৰ বিজয়



অগ্ৰদূত বাৰ্তা
শালবাৰী/মুছলপুৰ, ১২ জুন ঃ বিটিআৰৰ ২২ নম্বৰ ককলাবাৰী সমষ্টিৰ আজি ঘোষিত উপ-নিৰ্বাচনত বিজেপি, ইউপিপিএল আৰু গণ সুৰক্ষা পাৰ্টিৰ সন্মিলিত প্ৰাৰ্থী মণ্টু বড়োৱে ১৬,৩৪৬টা ভোটৰ ব্যৱধানত জয়লাভ কৰে। আজি ঘোষিত ফলাফল অনুসৰি বড়োৱে সৰ্বমুঠ ৩২,৫৭১ টা ভোট লাভ কৰে আৰু দুই পৃষ্ঠাত চাওক

লোকসভা নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ শাসক দলৰ

## অসমত বিজেপিৰ সদস্য কিমান? শুদ্ধ তথ্য বিচাৰিছে কেন্দ্ৰীয় নেতৃত্বই

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১২ জুন ঃ মাজত দুবছৰ থকা লোকসভা নিৰ্বাচনৰ বাবে ব্যাপক সাংগঠনিক সংশোধনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে ভাৰতীয় জনতা পাৰ্টি (বিজেপি)য়ে। ৰাজ্যিক সমিতিবোৰক ইয়াৰ বাবে সক্ৰিয় হ'বলৈ নিৰ্দেশ দিয়া হৈছে। কাৰণ ১০ পৃষ্ঠাত চাওক

**চপৰা-চপৰকৈ খহিছে ৰাষ্ট্ৰীয় ঘাইপথৰ বৃহৎ অংশ ■ বিপদৰ দিশে অগ্ৰসৰ বৃহৎ নদী দলং ■ পাঁচ বছৰতে ৰাষ্ট্ৰীয় ঘাইপথত জলাশয়**

## বগীবিল দলঙেদি উত্তৰ পাৰৰ স'তে সংযোগ বিচ্ছিন্ন হোৱাৰ আশংকা

**বিপদ সংকেতৰ ৰছী টানিয়েই দায়িত্ব সামৰিলে কৰ্তৃপক্ষই**

বিশেষ সংবাদদাতা
ডিব্ৰুগড়, ১২ জুন ঃ ভয়াৱহ বিপদৰ দিশে অগ্ৰসৰ হৈছে বগীবিল দলং। যিকোনো মুহূৰ্তত উত্তৰ পাৰৰ স'তে সংযোগ বিচ্ছিন্ন হ'ব পাৰে বগীবিলৰ। বাৰিষাৰ আগমনৰ লগে লগে এই অশনি সংকেতে লুইতৰ দুই পাৰৰ বাসিন্দাৰ বাবেই গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। কাৰণ ধাৰাষাৰ বৰষুণৰ ফলত যাতায়াতৰ বাবে এতিয়া অতি বিপজ্জনক আৰু ভয়াৱহ হৈ পৰিছে ধেমাজি-বগীবিল সংযোগী ৫২ (বি) নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ। উক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ ঠায়ে ঠায়ে একাংশ চপৰা চপৰাকৈ খহিবলৈ ধৰাত সম্প্ৰতি যান-বাহন চলাচলৰ বাবে পথছোৱা অতি বিপদসংকুল হৈ পৰিছে। উল্লেখ্য যে বিগত ২০১৮ৰ ২৫ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বগীবিল দলং ৰাষ্ট্ৰৰ বাবে উৎসৰ্গিত কৰিছিল। সেই দিনাৰ পৰাই এই ৰাষ্ট্ৰীয় ঘাইপথেৰে দৈনিক ৮-১০ হেজাৰ বাহনৰ ১০ পৃষ্ঠাত চাওক

শিক্ষক-চৰকাৰৰ মাজত দুবছৰ সংবাদ মাধ্যমক নোসোমাবলৈ আহ্বান ■ লাচিত বৰফুকনৰ ওপৰত লিখিব ৰাজ্যবাসীয়ে ঃ তেজপুৰত ড° শৰ্মা

## দক্ষ কৰ্মচাৰীলৈ পুৰস্কাৰ আৰু এবছৰলৈ চাকৰি কাল বৃদ্ধি ঃ মুখ্যমন্ত্ৰী



ষ্টাফ ৰিপ'ৰ্টাৰ
তেজপুৰ, ১২ জুন ঃ আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে তেজপুৰ বাটমাৰীৰ কনভেনচন হলত অনুষ্ঠিত জিলা উপায়ুক্তসকলৰ সন্মিলনত প্ৰতিখন জিলাৰ উপায়ুক্তই জিলাখনত চলি থকা বিভিন্ন আঁচনিৰ ৰূপায়ণ আৰু অগ্ৰগতিৰ ওপৰত আলোকপাত কৰি প্ৰতিবেদন দাখিল কৰে। আজি নিশা এক বজা পৰ্যন্ত এই সন্মিলন চলিব বুলি সাংবাদিকৰ আগত সদৰী কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকত আগষ্টৰ কোনোবা এটা দিনত ৰাজ্যৰ প্ৰত্যেকজন লোকক জাতীয় বীৰ লাচিত বৰফুকনৰ ওপৰত এটা দফা লিখিবলৈ ১০ পৃষ্ঠাত চাওক

■ বিদেশী চিনাক্তকৰণৰ নামত ন্যায়াধিকৰণৰ লৰা-ধেমালি ■ দুটা পৰিয়ালক বিদেশী চিনাক্তকৰণৰ নামত চৰম হাৰাশাস্তি ■ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী হিন্দু বাঙালী সংগঠনৰ

## দুবাৰকৈ স্বদেশী ঘোষিতক পুনৰ জাননী





অগ্ৰদূত বাৰ্তা,
ঠেলামৰা, ১২ জুন ঃ হিন্দু বাঙালীক সুৰক্ষা দিয়াৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰখন বদ্ধপৰিকৰ বুলি বিভিন্ন সময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰীকে ধৰি নেতা-মন্ত্ৰীয়ে দাবী কৰি আহিছে। বিজেপি চৰকাৰৰ এই দাবীৰ সময়তে একাংশ হিন্দু বাঙালীক বিদেশী ন্যায়াধিকৰণে ষড়যন্ত্ৰমূলকভাৱে বিদেশী চিনাক্তকৰণৰ নামত হাৰাশাস্তিৰ অভিযোগ উঠিছে। বিদেশী ন্যায়াধিকৰণ আদালতত দুবাৰকৈ স্বদেশী ঘোষিত এটা পৰিয়ালৰ তিনিজন লোকক পুনৰ বিদেশী ন্যায়াধিকৰণে জাননী প্ৰেৰণৰ এক অভিযোগে সম্প্ৰতি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঢেকিয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত বৰছলাৰ বালিজান কছাৰীগাঁৱৰ আন ১০ পৃষ্ঠাত চাওক

## ক'ভিড আক্ৰান্ত ছোনিয়া গান্ধী হাস্পতালত চিকিৎসাধীন

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ১২ জুন ঃ কিছুদিন পূৰ্বে ক'ভিড আক্ৰান্ত হৈছিল কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধী। অৱশ্যে তেওঁ ঘৰতে চিকিৎসাধীন হৈ আছিল। আজি তেওঁক হাস্পতালত ভৰ্তি কৰোৱা হয়। কংগ্ৰেছ নেতা ৰণদীপ সুৰ্যোৱালা টুইটত জনোৱা দুই পৃষ্ঠাত চাওক

■ ভুৱা তথ্যৰে বহু আঁচনিৰ সুবিধা গ্ৰহণ একাংশৰ ■ বিশেষ লগ'ৰ ব্যৱস্থা ■ অৰ্হতা নথকাসকলক স্বেচ্ছাই আঁতৰিবলৈ আহ্বান মন্ত্ৰীৰ

## প্ৰশাসনে অৰুণোদয় হিতাধিকাৰীৰ ঘৰে ঘৰে পৰীক্ষা কৰিব জুলাই-আগষ্টত

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১২ জুন ঃ অৰুণোদয়ক মুখ্য কৰি অসম চৰকাৰৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ সুবিধা ভুৱা তথ্যৰে একাংশ লোকে আদায় কৰাৰ অভিযোগ লাভ কৰিছে বিত্ত বিভাগে। তাৰ পৰিপ্ৰেক্ষিতত অৰুণোদয়ৰ হিতাধিকাৰীৰ অৰ্হতাৰ পৰীক্ষা কৰিবলৈ অহা জুলাই আৰু আগষ্টত ঘৰে ঘৰে অভিযান চলোৱা হ'ব বুলি আজি ইয়াত সাংবাদিকৰ আগত সদৰী কৰে বিত্তমন্ত্ৰী অজন্তা নেওগে। এই পৰীক্ষাত অযোগ্য বিবেচিতসকলৰ নাম থিতাতে কৰ্তন কৰা হ'ব। মন্ত্ৰী নেওগে লগতে কয়, 'আঁচনিক লৈ আমি বিভিন্ন সময়ত অভিযোগ পাই আহিছো। একেটা ঘৰৰে চাৰি-পাঁচজনেও আঁচনিৰ সুবিধা পাই থকাৰ অভিযোগ পাইছো। বহু মানুহে মনে মনে আঁচনিবোৰৰ সুবিধা লৈ আছে। সেইকাৰণে জুলাই আৰু আগষ্টত বিশেষ দলে ঘৰে ঘৰে গৈ আঁচনি লাভ ১০ পৃষ্ঠাত চাওক

**■ কৌশলগতভাৱে অসমত পুঁজি সংগ্ৰহৰ পৰা বিৰত থাকিলেও বাহিৰৰ পৰা আহিছে ধন**

## অসমত ভেটি শক্তিশালী কৰাৰ চেষ্টা মাওবাদীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ১২ জুন ঃ অসমত সন্তৰ্পণে খণ্ড খণ্ড ৰূপত ঘাটি স্থাপনেৰে দেশৰ কে'বাখনো ৰাজ্যৰ দৰে শক্তিশালী সংগঠন গঢ়ি তোলাৰ বাবে তৎপৰ হৈছে চিপিআই-মাওবাদী। ইয়াৰ বাবে সংগঠনৰ নৰ্থ ইষ্টাৰ্ণ ৰিজিঅ'ন গোটলৈ পুঁজি যোগান ধৰা হৈছে। ৰাজ্যখনত কে'বাজনো শীৰ্ষ মাওবাদী নেতা ধৰা পৰিছে। সত্তৰোৰ্ধ্বৰ অৰুণ কুমাৰ ভট্টাচাৰ্য ওৰফে কাঞ্চনদাৰ দৰে সংগঠনৰ কেন্দ্ৰীয় কমিটীৰ প্ৰভাৱশালী নেতা অসমত ধৰা পৰাৰ পাছত ইয়াতেই সব্যসাচী গোস্বামীৰ দৰে শীৰ্ষ নেতায়ো আত্মগোপন কৰি সংগঠনৰ কাম চলাই থকাৰ তথ্য উদ্ধাৰ হৈছে। সেই বাবে ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (এন আই এ)ই গোস্বামীক ম'ষ্ট ৱাণ্টেড ঘোষণা কৰি সন্ধান দিওঁতালৈ ১০ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছে। এনেদৰে বহিঃৰাজ্যৰ পৰা আহি অসমত বাহৰ পাতি ইয়াত মাওবাদী কাৰ্যকলাপক গতি দিয়াৰ বাবে শীৰ্ষনেতাই তৎপৰতা অব্যাহত ৰাখিছে। এই কামৰ বাবে সংগঠনটোৱে পুঁজি ব্যয় কৰাৰ তথ্য উদ্ধাৰ হৈছে। এন আই এৰ অনুসন্ধানত পোহৰলৈ আহিছে যে অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনক লৈ মাওবাদী উগ্ৰপন্থীয়ে সংগঠনৰ উত্তৰ-পূৰ্বাঞ্চল মণ্ডল ঘোষণা কৰিছে। এই মণ্ডলক পুঁজি যোগান ধৰিছে সংগঠনৰ ইষ্টাৰ্ণ ৰিজিঅ'নেল ব্যুৰ'ৰে। ১০ পৃষ্ঠাত চাওক



*বতৰ*

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৯° | ২৫° |
| ডিব্ৰুগড় | ২৮° | ২৪° |
| দিল্লী | ৪৩° | ৩২° |
| কলকাতা | ৩৬° | ২৯° |
| মুম্বাই | ৩২° | ২৭° |
| চেন্নাই | ৩৭° | ২৮° |
| বাংগালুৰু | ২৯° | ২০° |
| শ্বিলং | ২৩° | ১৯° |

১২ জুন, ২০২২

**■ ধুমধামেৰে সামৰণি পৰিল গুণোৎসৱৰ**

## ডিব্ৰুগড়ত ১১১খন বিদ্যালয় আজিও চলিছে এজনকৈ শিক্ষকেৰে

বিশেষ সংবাদদাতা
ডিব্ৰুগড়, ১২ জুন ঃ ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে চৰকাৰী বিদ্যালয়ত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল নিম্নগামী হোৱাৰ বাবে কেৱল শিক্ষক সমাজকে জগৰীয়া কৰা বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে। কিয়নো বিভাগীয় মন্ত্ৰীৰ এনে অভিযোগৰ সময়তে দেখা গৈছে যে শিক্ষা বিভাগৰ অমনোযোগিতাৰ বাবেই ৰাজ্যৰ বিভিন্ন জিলাত এজনীয়া শিক্ষকেৰে চলিছে অধিকাংশ প্ৰাথমিক বিদ্যালয়। আনকি ডিব্ৰুগড় জিলাতে আছে এনে ১০ পৃষ্ঠাত চাওক

## আত্মনিৰ্ভৰশীল অসম গঢ়িবলৈ কৃষি খণ্ডৰ বিকল্প নাই

কলিয়াবৰত কৃষি মন্ত্ৰী

অগ্ৰদূত বাৰ্তা
কলিয়াবৰ, ১২ জুন ঃ 'আত্মনিৰ্ভৰশীল অসম গঢ়িবলৈ হ'লে কৃষি আৰু আনুসংগিক খণ্ডৰ বিকল্প নাই।' কলিয়াবৰত আজি কৃষিমন্ত্ৰী অতুল বৰাই সাংবাদিকৰ আগত এই মন্তব্য কৰে। তেজপুৰত অনুষ্ঠিত ১০ পৃষ্ঠাত চাওক

■ বিভিন্ন ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি প্ৰশাসনৰ

## সাম্প্ৰদায়িক সংঘৰ্ষৰ আশংকাত হঠাৎ বঙাইগাঁও জিলাত ১৪৪ ধাৰা জাৰি

অগ্ৰদূত ব্যুৰ'
বঙাইগাঁও, ১২ জুন ঃ ৰাঁচী, কোচবিহাৰ, জম্মু আৰু কাশ্মীৰ, কলকাতা, কানপুৰ, প্ৰয়াগৰাজ আদি ঠাইত ঘটা শেহতীয়া হিংসাত্মক পৰিস্থিতি আৰু কিছুসংখ্যক সংগঠনৰ প্ৰতিবাদী সমদল আদিলৈ চাই বঙাইগাঁও জিলাতো পৰিৱেশ বিনষ্ট হোৱাৰ আশংকা কৰিছে জিলা প্ৰশাসনে। তেনেকুৱা অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱাৰ আশংকা কৰি তথা জিলাখনৰ শান্তি-শৃংখলা বিঘ্নিত হোৱাৰ আশংকা কৰি জিলাখনৰ অতিৰিক্ত জিলা দণ্ডাধীশ পংকজ চমুৱাৰ এক নিৰ্দেশনামৰ্মে বঙাইগাঁও জিলাত ১০ পৃষ্ঠাত চাওক



*কৃতী ছাত্ৰীলৈ বৃত্তি প্ৰদান মন্ত্ৰী অতুল বৰাৰ, বোকাখাতত দেওবাৰে।*

**চেঙা তেল**



*সি নিজকে ৰূপজ্যোতি বুলি ভাবিছে নেকি, নিজেই গণ্ডগোল লগাব আৰু পাছত কান্দি কাটি নিৰ্দোষী সজাব!*

■ দ্বিতীয় দিনাও প্ৰয়াগৰাজত চলিল বুলড'জাৰ অভিযান ■ পয়গম্বৰৰ বিৰুদ্ধে অসন্মানজনক বক্তব্যৰ প্ৰতিবাদৰ পাৰ্শ্বক্ৰিয়া

## হিংসাত্মক ঘটনাৰ আঁৰৰ ৰাজনীতিকৰ অট্টালিকা বুলড'জাৰেৰে ভাঙি তচনচ



■ নিউজ ব্যুৰ'
লক্ষ্ণৌ, ১২ জুন ঃ উত্তৰ প্ৰদেশত হজৰত মহম্মদৰ বিৰুদ্ধে বিতৰ্কিত মন্তব্যৰ পৰিস্থিতিত উত্তৰ প্ৰদেশৰ ছাহাৰানপুৰত সংঘটিত হোৱা হিংসাত্মক প্ৰতিবাদৰ পৰিণতিত দুজন অভিযুক্তৰ ঘৰ ভাঙি পেলোৱাৰ পাছত আজি প্ৰয়াগৰাজত পুনৰ চলোৱা হ'ল বুলড'জাৰ। বিজেপিৰ নিলম্বিত মুখপাত্ৰ নূপুৰ শৰ্মাৰ বিতৰ্কিত মন্তব্যক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিক্ষোভ-সমাবেশত অংশগ্ৰহণৰ অভিযোগত আজিও বুলড'জাৰ চলিল। বৃহৎসংখ্যক আৰক্ষীৰ উপস্থিতিত এজন ৰাজনৈতিক ১০ পৃষ্ঠাত চাওক

**পাঠশালাত ছবছৰে সম্পূৰ্ণ নহ'ল অচ্যুত লহকৰৰ সাংস্কৃতিক প্ৰেক্ষাগৃহৰ নিৰ্মাণকাৰ্য**

## মঞ্চপ্ৰভাকৰক পাহৰিলে চৰকাৰ-শিল্পী সমাজে



বিশেষ সংবাদদাতা
পাঠশালা, ১২ জুন ঃ চৰকাৰীভাৱে আজিও বঞ্চিত হৈ ৰ'ল অসম-গৌৰৱ ভ্ৰাম্যমাণ নাট্যজগতৰ জনক প্ৰয়াত অচ্যুত লহকৰ। ১৯৬৩ত নটৰাজ থিয়েটাৰেৰে ভ্ৰাম্যমাণ থিয়েটাৰক জন্ম দিয়া ভ্ৰাম্যমাণৰ পিতামহ লহকৰৰ আজি ষষ্ঠ মৃত্যু বাৰ্ষিকী পালন কৰা হয় যদিও এই ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা কোনো ধৰণৰ উদ্যোগ লোৱা পৰিলক্ষিত নহ'ল। আনকি চৰকাৰৰ স্থানীয় প্ৰতিনিধিকো ভ্ৰাম্যমাণৰ মহীৰূহজনৰ মৃত্যু বাৰ্ষিকীত গুৰুত্ব আৰোপ কৰা দেখা নগ'ল। ইয়াকে লৈ আজি পাঠশালাবাসীৰ মাজত ক্ষোভ সৃষ্টি হয়।

নাট্যনগৰী পাঠশালাৰ প্ৰগতি সংঘৰ বাকৰিত প্ৰয়াত লহকৰৰ সমাধিস্থলীত আজি ভ্ৰাম্যমাণ থিয়েটাৰ প্ৰযোজক সন্থাই অনুষ্টুপীয়াকৈ আয়োজন কৰে তেওঁৰ মৃত্যু বাৰ্ষিকী। ইয়াৰ জৰিয়তে ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক লহকৰলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। সমাধিস্থলীত স্থাপিত লহকৰৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে বৰদৈচিলা থিয়েটাৰৰ প্ৰযোজক নজৰুল ১০ পৃষ্ঠাত চাওক

# আজিৰে পৰা ২০ জুনলৈ বিন্নাকান্দি উন্নয়ন খণ্ডৰ পঞ্চায়তত বিশেষ ছ'চিয়েল অ'ডিট

## চকুৰ টোপনি হৰিছে বিষয়া-কৰ্মচাৰী-পঞ্চায়ত প্ৰতিনিধিৰ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১২ জুন ঃ** যমুনামুখ বিধানসভা সমষ্টিৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত ২৪খন গাঁও পঞ্চায়তৰ ভিতৰত বিশেষকৈ ছখন গাঁও পঞ্চায়তত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে বিশেষ সামাজিক অ'ডিটৰ দিন ধাৰ্য কৰাত বিষয়া-কৰ্মচাৰীৰ লগতে একাংশ পঞ্চায়ত প্ৰতিনিধিৰ চকুৰ টোপনি হৰিছে। ৰাজ্য চৰকাৰৰ সামাজিক হিচাপ ৰক্ষক সমিতিৰ এটা প্ৰতিনিধি দল বিন্নাকান্দি উন্নয়ন খণ্ডৰ ছখনকৈ গাঁও পঞ্চায়তত তদন্ত চলাব। উন্নয়ন খণ্ডটোৰ অন্তৰ্গত ২৪খন গাঁও পঞ্চায়তৰ অধিকাংশ পঞ্চায়তে ২০১৭/১৮,২০১৮/১৯, ২০১৯/২০ আৰু ২০২০/২১ বিত্তীয় বৰ্ষত এমজি এনৰেগা, চতুৰ্দশ বিত্তীয় আয়োগ, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত ব্যাপক দুৰ্নীতি সংঘটিত হৈছিল। যাৰ বাবে ৰাইজে মুখ্যমন্ত্ৰী, জিলা উপায়ুক্ত, বিভাগীয় মন্ত্ৰী, বিধায়ক, মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখাত অভিযোগ দাখিল কৰিছিল যদিও সেয়া অৰণ্য ৰোদনত পৰিণত হৈছিল। শেহতীয়াভাৱে গ্ৰামোন্নয়ন বিভাগে উন্নয়ন খণ্ডটোৰ নীলবাগান, নমাটি আৰু সুতাৰগাঁও পঞ্চায়তত অহা ১৩ৰ পৰা ১৬ জুনলৈকে বিশেষ সামাজিক হিচাপ পৰীক্ষণ চলোৱাৰ লগতে ডবকা, চাংমাজি, যমুনা গাঁও পঞ্চায়তত ১৭ৰ পৰা ২০ জুনলৈকে অ'ডিট চলাব। তদন্তকাৰী বিষয়াসকলে নথিপত্ৰ পৰীক্ষণ, জবকাৰ্ড হিতাধিকাৰীৰ ঘৰে ঘৰে গৈ সোধ-পোছ কৰিব, আঁচনি ৰূপায়ণ যি স্থানত কৰা হৈছিল সেই স্থানত ক্ষেত্ৰ ভিত্তিক তদন্তৰ অন্তৰ্গত গাঁও সভা অনুষ্ঠিত কৰিব। দলটোত থাকিব অসম চৰকাৰৰ সামাজিক হিচাপ ৰক্ষক অংকিতা বৰুৱা, বিশ্বজিৎ কাকতি, ৰাজ্যিক হিচাপ ৰক্ষক বিশেষজ্ঞ দেৱাংগনা আইদেউ, জিলা সমল ব্যক্তি বিপুলকান্তি ধৰ, ৰাজ্যিক হিচাপ ৰক্ষক বিশেষজ্ঞ কাকলি শৰ্মা আৰু জিলা সমল ব্যক্তি জিয়াউৰ ৰহমান। উল্লেখ্য যে উন্নয়ন খণ্ডটোত ব্যাপক দুৰ্নীতি হোৱাৰ অভিযোগত কিছুদিন পূৰ্বে সংশ্লিষ্ট বিভাগে খণ্ড উন্নয়ন বিষয়া মইন উদ্দিন আহমেদ আৰু অভিযন্তা আলাউদ্দিন আহমেদক নিলম্বন কৰিছিল। উল্লেখ্য যে বিন্নাকান্দি উন্নয়ন খণ্ডৰ তদানীন্তন খণ্ড উন্নয়ন বিষয়া নৰেন ডেকা আৰু মইন উদ্দিন আহমেদৰ কাৰ্যকালত উন্নয়ন খণ্ডটোত সৰ্বাধিক দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উঠিছে। তদন্ত সঠিক ৰূপত হ'লে বহু দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰী আৰু জনপ্ৰতিনিধি জালত পৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে।

# নুপূৰ শৰ্মা-নবীন কুমাৰ জিন্দালৰ মন্তব্যৰ ৰাজ্যিক জমিয়ত উলামাৰ প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১২ জুন ঃ** বিজেপিৰ ৰাষ্ট্ৰীয় দুগৰাকী মুখপাত্ৰ ক্ৰমে নুপূৰ শৰ্মা আৰু নবীন কুমাৰ জিন্দালে বিশ্ব নবী হজৰত মহম্মদ (ছঃ)ৰ বিষয়ে কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম ৰাজ্যিক জমিয়ত উলামাই। এক বিজ্ঞপ্তিৰ জৰিয়তে অসম ৰাজ্যিক জমিয়ত উলেমাই উল্লেখ কৰে যে সংবাদ মাধ্যমৰ দ্বাৰা পৰিৱেশিত বাতৰি অনুসৰি নবী (ছঃ) সম্পৰ্কে কৰা মন্তব্যৰ পাছত বিজেপিয়ে তেওঁলোকক শাস্তিমূলকভাৱে দলৰ পৰা বহিষ্কাৰ কৰিছে। চৰকাৰে উক্ত দুগৰাকী ব্যক্তিৰ ওপৰত আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈও ৰাজ্যিক জমিয়ত উলামাৰ তৰফৰ পৰা বিবৃতিযোগে দাবী জনোৱা হৈছে। শান্তি, শৃংখলা আৰু সম্প্ৰীতি বিনষ্ট হ'ব পৰা কোনো কাম বা আচৰণ যাতে কোনেও কৰিব নোৱাৰে, চৰকাৰে তাৰ প্ৰতি তীক্ষ্ণ দৃষ্টি ৰাখিবলৈও দাবী জনায়। বিবৃতিটোত উল্লেখ কৰি কোৱা হয় যে আমাৰ দেশ তথা ৰাজ্যৰ সাতামপুৰুষীয়া শান্তি, সম্প্ৰীতি, ভ্ৰাতৃত্ববোধ তথা আইন, শৃংখলা কোনো কাৰণতেই যাতে বিঘ্নিত নহয় তাৰ প্ৰতি চৰকাৰ, প্ৰশাসন আৰু সৰ্বসাধাৰণ ৰাইজে চোকা দৃষ্টি ৰখা দৰকাৰ। কোনো দুষ্ট লোকৰ অসহিষ্ণু আচৰণ আৰু কথা-বতৰাই যাতে আমাৰ মাজত কোনো ধৰণৰ বিভেদ সৃষ্টি কৰি শান্তি ভংগ কৰিব নোৱাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ সৰ্বসাধাৰণ ৰাইজলৈ অসম ৰাজ্যিক জমিয়ত উলামাৰ তৰফৰ পৰা আহ্বান জনায়। বিবৃতিত উল্লেখ কৰা মতে, পৱিত্ৰ কোৰান শ্বৰীফত উল্লেখ আছে 'যিকোনো ধৰ্মৰ ধৰ্মীয় উপাসকক গালি দিয়া নিষেধ'। অনুৰূপভাৱে বিজ্ঞ আৰু পণ্ডিতসকলৰ পৰা জানিব পৰা মতে, সনাতন ধৰ্ময়ো আন ধৰ্ম বা ধৰ্মীয় ভাৱধাৰাক অপমান কৰাৰ অনুমতি কাকো দিয়া নাই। সেয়েহে ধৰ্মীয় বিষয়বস্তুক লৈ কোনেও কাৰো ধৰ্মীয় অনুভূতিত আঘাত দিয়াকে মন্তব্য দিয়াটো কেৱল অনুচিতেই নহয় বৰঞ্চ ই একপ্ৰকাৰ অক্ষমণীয় অপৰাধ। ৰাজ্যিক জমিয়ত উলামাৰ সভাপতি মৌলানা মুস্তাক আনফৰে বিবৃতিত কয়, 'আমাৰ অসমতো তেনে কিছুমান লোক আছে যিসকলে আনৰ ধৰ্মীয় অনুভূতিত আঘাত হানি মন্তব্য দি আছে, এইসকল সম্পৰ্কে মুখ্যমন্ত্ৰী নিশ্চয় জ্ঞাত।' তেনে বিভেদকামীসকলক নিয়ন্ত্ৰণ কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক বিবৃতিযোগে আহ্বান জনায় জমিয়ত নেতা মৌলানা আনফৰে।

# ভৱিষ্যৎ সু-নাগৰিক হোৱাৰ আহ্বান শিক্ষাৰ্থীক

**তামাৰহাট, ১২ জুন ঃ** সদ্য ঘোষিত মেট্ৰিক আৰু হাই মাদ্ৰাছা চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক আজি ধুবুৰী জিলাৰ তামাৰহাটৰ বেচৰকাৰী সংস্থা সজল ফাউণ্ডেছনে সম্বৰ্ধনা জ্ঞাপন কৰে। তামাৰহাট গাঁও পঞ্চায়তৰ সমুখত কালি বিয়লি এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। তামাৰহাট প্ৰেছ ক্লাবৰ সভাপতি ললিত চন্দ্ৰ ৰায়ৰ সঞ্চালনাত অনুষ্ঠিত সম্বৰ্ধনা সভাখনত তামাৰহাট হাই স্কুলৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নিৰ্মল ভকত, বৰ্তমানৰ অধ্যক্ষ অবিনাশ ৰায়, কামানডাংগা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আব্দুল কুদুছ, তামাৰহাট থানাৰ আৰক্ষী বিষয়া জয়ন্ত কুমাৰ দাস আদি কৰি শিক্ষিত সমাজ, বুদ্ধিজীৱী উপস্থিত থাকে। বৃহত্তৰ তামাৰহাট অঞ্চলৰ বহু কেইখন শিক্ষানুষ্ঠানৰ মেট্ৰিকত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা শতাধিক ছাত্ৰ-ছাত্ৰীক এখন ফুলাম গামোচা, কলম, মানপত্ৰ আৰু অভিধান দি সম্বৰ্ধনা জ্ঞাপন কৰে। সজল ফাউণ্ডেছনে পূৰ্বৰ দৰে এইবেলি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী ভৱিষ্যতে উচ্চ শিক্ষিত হৈ সমাজৰ লগতে দেশৰ বাবে এগৰাকী ভাল নাগৰিক, প্ৰশাসনিক বিষয়া হোৱাৰ বাবে সজল ফাউণ্ডেছনৰ মুখ্য সঞ্চালক সজল সিংহ মুখ্য অতিথিৰ আসন গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীক আহ্বান জনায়।

# গোলাঘাটৰ জাপিসজীয়া নামঘৰত বাৰ্ষিক পানীতোলা বৰসবাহ ঃ সম্বৰ্ধনা অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**আঠখেলীয়া, ১২ জুন ঃ** যোৱা ১১ জুনত গোলাঘাট নগৰৰ সমীপস্থ জাপিসজীয়া নামঘৰত বাৰ্ষিক পানীতোলা বৰ সবাহ অনুষ্ঠান সম্পন্ন কৰাৰ লগতে উক্ত অনুষ্ঠানতে অঞ্চলটোৰ এগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। বৰসবাহৰ নাম কীৰ্তনৰ মূল পাঠত নামাচাৰ্য নীলা বৰগোহাঁই আৰু সোণাবৰ গগৈয়ে অংশগ্ৰহণ কৰাৰ লগতে কমলেশ্বৰ দুৱাৰ, হৰেন চেতিয়া, ভীমকান্ত কোঁৱৰ আৰু মনোজ বাৰুৰতী ফুকনে সহযোগী পাঠক হিচাপে অংশগ্ৰহণ কৰে। প্ৰায় তিনি শতাধিক ভক্তপ্ৰাণ বৈষ্ণৱ উপস্থিত থকা নামঘৰ ভাগৰ এই বাৰ্ষিক কৰ্ম অনুষ্ঠানতে ২০১২ত ৰাজ্যিক এনাজৰী বঁটা, অলপতে অসমজ্যোতি সুবাস বঁটা প্ৰাপক বিশিষ্ট কবি, গীতিকাৰ তথা ড° বি আৰু আম্বেদকাৰ ফেল'শ্বিপ বঁটা প্ৰাপক নামঘৰ ভাগৰ অংশীদাৰ নলীন কোঁৱৰক এখনি চেলেং, শৰাই, জাপি আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনাই বিশিষ্ট বক্তা তথা অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া মিলন কোঁৱৰ আৰু প্ৰশাসনিক বিষয়া তথা প্ৰবন্ধকাৰ ৰূপকোঁৱৰে নলীন কোঁৱৰৰ দৰে দক্ষতা সম্পন্ন ব্যক্তিৰ বাবেই আজি চেলেঙী অঞ্চলটো জিলিকি উঠা বুলি প্ৰকাশ কৰি তেওঁৰ এই সাংস্কৃতিক ধাৰা অব্যাহত ৰাখি অঞ্চলটো আৰু পোহৰাই তোলাৰ আশা প্ৰকাশ কৰে।

# সদৌ অসম মুক্ত সাংবাদিক সন্থাৰ দ্বিবাৰ্ষিক অধিৱেশন

**গুৱাহাটী, ১২ জুন ঃ** সদৌ অসম মুক্ত সাংবাদিক সন্থাৰ দ্বিবাৰ্ষিক অধিৱেশনখন অহা দুই জুলাইত গুৱাহাটী প্ৰেছ ক্লাবত দিনৰ ১১ বজাত অনুষ্ঠিত হ'ব। অধিৱেশনৰ লগত সংগতি ৰাখি কে'বাজনো প্ৰবীণ সাংবাদিকক 'মুক্ত সাংবাদিক বঁটা' প্ৰদান কৰাৰ লগতে কে'বাজনো বিশিষ্ট সমাজকৰ্মী আৰু বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব। অধিৱেশনখন সাফল্যমণ্ডিত কৰিবলৈ সকলোৰে সহায়-সহযোগ কামনা কৰিছে সন্থাৰ সভাপতি কুমুদ চন্দ্ৰ ডেকা আৰু সম্পাদক গুণেশ্বৰ কৈবৰ্তই।

**উপাৰ্জন**

বাইক চলাওক উপাৰ্জন কৰক। মাহে ৩০,০০০/- পৰ্যন্ত উপাৰ্জন কৰাৰ সুযোগ। প্ৰয়োজন- এখন মটৰ চাইকেল/স্কুটাৰ, আৰচি, ড্ৰাইভিং লাইচেন্স, পেন/আধাৰ, এনড্ৰইড ফোন।
যোগাযোগ- ০১৪১৪৯৩৭৪৯১

**জ্যোতিষী**

আপুনি কেনেকুৱা সমস্যাত ভুগিছে? সমস্যা যিমান কঠিন নহওক কিয় ১০০ শতাংশ Guarantee সহ সমাধান পাবই। মায়ং প্ৰশিক্ষণ জ্যোতিষী।
আচাৰ্য ডি শৰ্মা
(M) 8099336044.

**ASTROLOGY/ জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৰৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

# তামুলপুৰ জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

## নাগ্ৰীজুলি আঞ্চলিক সমিতিৰ কাৰ্যালয় গৃহৰ আধাৰশিলা স্থাপন


**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১২ জুন ঃ** সদৌ অসম কলিতা জনগোষ্ঠী সন্মিলনৰ তামুলপুৰ জিলা সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা আজি নাগ্ৰীজুলি আঞ্চলিক সমিতিৰ উদ্যোগত সাহপুৰত অনুষ্ঠিত হয়। কাৰ্যনিৰ্বাহক সভাৰ পূৰ্বে নাগ্ৰীজুলি আঞ্চলিক সমিতিৰ এটি কাৰ্যালয় গৃহৰো আধাৰশিলা স্থাপন কৰা হয়। সাহপুৰ গাঁৱত কাৰ্যালয় গৃহটোৰ আধাৰশিলা স্থাপন কৰে সদৌ অসম কলিতা জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতিয়ে। আধাৰশিলা অনুষ্ঠানৰ পাছতেই তামুলপুৰ জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি বিশ্বজিৎ ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত হয় কাৰ্যনিৰ্বাহক সভা। তামুলপুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক মোহন কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা কাৰ্যনিৰ্বাহক সভাত তামুলপুৰ জিলাৰ ১০খন আঞ্চলিক সমিতিৰ সভাপতি সম্পাদক প্ৰমুখ্যে কাৰ্যনিৰ্বাহক সদস্যসকল উপস্থিত আছিল। কাৰ্যনিৰ্বাহক সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি ডাঃ ৰমেন কুমাৰ কাকতিয়ে কলিতা জনগোষ্ঠীৰ সমস্যা সমাধানৰ উপায় আৰু আগন্তুক দিনত জনগোষ্ঠীটোক কিদৰে আগবঢ়াই নিব লাগিব তাৰ ওপৰত বহলাই কয়। কাৰ্যনিৰ্বাহক সভাত আগন্তুক তামুলপুৰ জিলা অধিৱেশনৰ ওপৰত আলোচনা কৰাৰ লগতে জনগোষ্ঠীটোৰ দীৰ্ঘদিনীয়া ভূমিৰ থকা অধিকাৰ, ৰাজনৈতিক অধিকাৰ, ভাষাৰ অধিকাৰ, কলিতাসকলৰ জনজাতিকৰণৰ যি দাবী তাৰ ওপৰত আলোচনা কৰা হয়। সাংগঠনিক দিশৰ ওপৰত বিশদভাৱে আলোচনা কৰা হয়। উল্লেখ্য যে তামুলপুৰ জিলাৰ সাহপুৰ গাঁৱৰ কলিতা জনগোষ্ঠীটোৰ অমূল্য ডেকা নামৰ লোকজনে নাগ্ৰীজুলি আঞ্চলিক সমিতিৰ এটি কাৰ্যালয় গৃহ নিৰ্মাণ কৰিবলৈ নিজৰ ভূমি দান কৰে। নিজৰ জনগোষ্ঠীটোৰ উন্নয়নৰ স্বাৰ্থত কাৰ্যালয় গৃহ নিৰ্মাণৰ বাবে ভূমিদান কৰাৰ বাবে আজিৰ কাৰ্যনিৰ্বাহক সভাই ভূমিদাতা অমূল্য ডেকাক কৃতজ্ঞতা জ্ঞাপন কৰে।

# বিটিচিত সাংগঠনিক ভেটি গঢ়াৰ উদ্দেশ্যে তৃণমূল কংগ্ৰেছৰ নেতৃত্বৰ ভ্ৰমণ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১২ জুন ঃ** সাম্প্ৰতিক সময়ত অসমত মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছে সাংগঠনিক তৎপৰতা চলাই থকাৰ মাজতে আজি অসম প্ৰদেশ তৃণমূল কংগ্ৰেছে বিটিচিৰ কে'বাঠাইত ৰাইজৰ স'তে মত বিনিময় কৰে। দলটোৰ ৰাজ্যিক সভাপতি ৰিপুণ বৰাৰ নেতৃত্বত আজি দলটোৱে গোসাইগাঁও, কোকৰাঝাৰ ভ্ৰমণ কৰি চিৰাঙৰ বিজনীত উপস্থিত হয় । আজি সন্ধিয়া চিৰাং জিলাৰ বিজনী চহৰৰ সমন্বয় হোটেলৰ প্ৰেক্ষাগৃহত চিৰাং জিলা তৃণমূল কংগ্ৰেছৰ উদ্যোগত এক সংবাদমেলৰ আয়োজন কৰা হয়। উক্ত সংবাদমেলত অসম প্ৰদেশ তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰা উপস্থিত থাকি সংবাদমেল সম্বোধন কৰে। সংবাদমেলত তৃণমূল কংগ্ৰেছৰ ভেটি শক্তিশালী কৰাৰ বাবে যাত্ৰা আৰম্ভ কৰাৰ কথা ঘোষণা কৰে সভাপতি ৰিপুণ বৰাই। বিটিচিৰ পাঁচখন জিলাত তৃণমূল কংগ্ৰেছৰ জিলা সমিতি গঠন কৰাৰ লগতে পাঁচখন জিলা মিলি এখন শক্তিশালী সমন্বয়ৰক্ষী সমিতি গঠন কৰাৰ কথা ঘোষণা কৰে সভাপতিগৰাকীয়ে। এই সমন্বয়ৰক্ষী সমিতিত লাইফুং নাৰ্জাৰী নামৰ এজন নেতাক মুখ্য সমন্বয়ক হিচাপে লৈ এই সমিতি গঠন কৰা হৈছে বুলি উল্লেখ কৰে। আগন্তুক ২০২৪ত লোকসভা নিৰ্বাচন আৰু ২০২৩ত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনত প্ৰাৰ্থী নিক্ষেপ কৰাৰ বাবে তৃণমূল কংগ্ৰেছৰ সাংগঠনিক ব্যৱস্থা শক্তিশালী কৰি তোলা হৈছে বুলিও সভাপতি বৰাই প্ৰকাশ কৰে। সংবাদমেলত চিৰাং জিলা তৃণমূল কংগ্ৰেছৰ আহ্বায়ক অনিৰ্বাণ সেনসহ কে'বাজনো নেতা উপস্থিত থাকে।




## আজিৰ দিনটো


কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

**২৯ জেঠ সোমবাৰ ১৩ জুন'**

**সূৰ্যোদয় ঃ** ঘঃ ৪।৩৪।৫৮, **সূৰ্যাস্ত ঃ** ঘঃ ৬।১০।১৪। **তিথি ঃ** শুক্লা চতুদশী, দং ৩৭।৩৮।৩৫ ৰাঘঃ ৭।৩৮।২৮। **নক্ষত্ৰ ঃ** অনুৰাধা, দং ৩৯। ৫৫।৫০ ৰাঘঃ ৮।৩৩।১৮। **যোগ ঃ** সিদ্ধ, দং ২০।৪৯।২৬ ঘঃ ১২।৫৪। ৪৪। **কৰণ ঃ** গৰ। **জন্মত ঃ** বৃশ্চিকৰাশি, বিপ্ৰবৰ্ণ, দেৱগণ, হৰিণৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী আৰু বিংশোত্তৰী শনিৰ দশা, ৰাঘঃ ৮।৩৩।১৮ যোৱাত দেৱাৰিগণ, বিংশোত্তৰী বুধৰ দশা। **আদ্যঋতু হ'লে ঃ** তিনিমহীয়া পতিহীনা যোগ, মতান্তৰে সাতদিনীয়া সুভগা যোগ। **মৰণত দোষ ঃ** নাই। **যোগিনী ঃ** পশ্চিমত, ৰাঘঃ ৭।৩৮।২৪ যোৱাত বায়ুকোনত । **যাত্ৰা ঃ** নাই, ৰিক্তাদি দোষ, ৰাঘঃ ৭।৩৮।২৪ যোৱাত বিষ্টিভদ্ৰা দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য** মাটিমাহ, মাছ-মাংস খোৱা প্ৰায়শ্চিত্ত হোৱা ৰাঘঃ ৭।৩৮।২৪ যোৱাত মাছ-মাংস খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** কৰ্মক্ষেত্ৰত জটিলতাৰ উদয় হ'ব পাৰে। কোনো কাৰণে মনটো গধুৰ হ'ব পাৰে। ব্যৱসায়ীসকলৰ ব্যস্ততা বৃদ্ধি পাব। শৰীৰ বৰ উন্নত নাথাকিব। শুভ ৰং সেউজীয়া, শুভ সংখ্যা-১।

**বৃষ ঃ** ৰাজহুৱা কৰ্মত থকা সকলে সহানুভূতি লাভৰ সংবাদ। শৰীৰ কিছু উন্নত। দুই-এটা কামত বাধাৰ কাৰকতা। দিনৰ দুই বজাৰ পৰা কিছু উন্নত। প্ৰেমত মিলন আনন্দ। শুভ ৰং হালধীয়া, শুভ সংখ্যা-২।

**মিথুন ঃ** কৰ্মক্ষেত্ৰত শান্তিৰে কাম কৰিব পাৰিব। আৰ্থিকত ভালেই দেখা যায়। আয়ৰ ক্ষেত্ৰত অনুকূল। বিদ্যাত শুভাশুভ ফল। স্বাস্থ্যৰ প্ৰতি নজৰ দিয়ক।শুভ ৰং গেৰুৱা, শুভ সংখ্যা-৪।

**কৰ্কট ঃ** চাকৰিয়াল ব্যক্তিসকলৰ বাবে শুভ দিন। কৰ্মত নতুন পৰিকল্পনাত উপকৃত হ'ব। নিবনুৱাৰ কৰ্ম প্ৰাপ্তিৰ যোগ। ব্যয়ৰ মাত্ৰা বৃদ্ধি পাব। দাম্পত্যত শুভ। শুভ ৰং আকাশী নীলা, শুভ সংখ্যা ৮।

**সিংহ ঃ** ব্যৱসায়ত লাভৰ কাৰকতা সমাজসেৱীসকলৰ সন্মান বৃদ্ধিৰ কাৰক। উচ্চ বিষয়াৰ লগত শুভ যোগাযোগ বজায় থাকিব। ভ্ৰমণত কষ্ট পাব। শুভ ৰং নীলা, শুভ সংখ্যা ৫।

**কন্যা ঃ** আৰ্থিক দিশত অৰ্থ প্ৰাপ্তিৰ সম্ভাৱনা। প্ৰযুক্তি বিদ আৰু কম্পিউটাৰ বিজ্ঞানীৰ সাফল্য উল্লেখযোগ্য। বন্ধুভাৱ দুৰ্বল। পাৰিবাৰিক জীৱনত আশান্তিৰ সূচনা। শুভ ৰং হালধীয়া, শুভ সংখ্যা-৯।

**তুলা ঃ** উপাৰ্জন আৰু সঞ্চয় বৃদ্ধিৰ শুভ যোগ। দেহভাৱ ভাল বুলি ক'ব পাৰি। হেৰোৱা সম্পদ পুন প্ৰাপ্তি অবাধ্য সন্তান-সন্ততিৰ ওপৰত কঠোৰ হ'ব পাৰে। প্ৰেমত বাধা। শুভ ৰং বগা, শুভ সংখ্যা-৭।

**বৃশ্চিক ঃ** পুৰণা মামলা মোকৰ্দমাৰ নিষ্পত্তি হ'ব পাৰে। বাধা-বিঘিনিৰ মাজেদি কৰ্মত সাফল্য। আয় বৃদ্ধিৰ বিকল্প চেষ্টাত সাফল্য। প্ৰেমত আৱেগ। শুভ ৰং পাতল নীলা, শুভ সংখ্যা ৩।

**ধনু ঃ** পৈতৃক সম্পত্তি লাভৰ ক্ষেত্ৰত বিলম্ব। অভিজ্ঞ ব্যক্তিৰ পৰামৰ্শত সংকট মুক্তি আৰু প্ৰয়োজনীয় ধনাগম। গৱেষকসকল সাফল্য লাভ। ভ্ৰমণ কৰিব পাৰে। শুভ ৰং ৰঙা, শুভ সংখ্যা-১১।

**মকৰ ঃ** বৈষয়িক অৱস্থাৰ স্বল্পাধিক উন্নতি সম্ভৱ। নতুন নিযুক্তিৰ বাবে দূৰ যাত্ৰা। শিল্পীসকলৰ প্ৰাপ্য সন্মান লাভে আনন্দৰ কাৰকতা। পত্নীৰ লগত মতবিৰোধ। শুভ ৰং গেৰুৱা, শুভ সংখ্যা-১।

**কুম্ভ ঃ** গুৰুজন ব্যক্তিক অবজ্ঞা নকৰিব। সম্পত্তি ক্ৰয়োযোগ আৰ্থিক দিশত অসুবিধা পাব পাৰে। ফুৰা-চকাত সতৰ্ক হ'ব। চিকিৎসকসকলৰ দায়িত্ব বৃদ্ধি পাব। শুভ ৰং কমলা, শুভ সংখ্যা-২।

**মীন ঃ** অপ্ৰত্যাশিত ভাবে ধন লাভৰ যোগ আছে। কৰ্মসূত্ৰত ভ্ৰমণ যোগ। বিবাহ প্ৰাৰ্থীৰ বিবাহৰ যোগ নতুন উৎসাহজনক খবৰে আনন্দিত কৰিব। শুভ ৰং বগা, শুভ সংখ্যা-৬।

# বিশ্বনাথত উদ্ধাৰ কন্যা শিশু

**অগ্ৰদত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১২ জুন ঃ** প্ৰায় ১১-১২ বছৰৰ বয়সৰ এগৰাকী কন্যা শিশুৰ পৰিচয় বিচাৰি হাহাকাৰ কৰিছে বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষয়ে। আজি বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাৰ দলে শুকুৰবাৰে বিশ্বনাথ ঘাটৰ পৰা উদ্ধাৰ কৰি আনে এগৰাকী কন্যা শিশু। শিশুগৰাকীৰ নাম ঠিকনাৰ বিষয়ে সঠিকভাৱে ক'ব পৰা নাই শিশুটিয়ে। বিশ্বনাথ সদৰ আৰক্ষী থানাৰ লোকেকন্যা শিশু গৰাকীৰ ঠিকনা সোধা-পোছা কৰিলে সিপৰীয়া বুলি কয় আৰু পিতৃৰ নাম আমিনুল হক বুলি কয় যদিও সম্পূৰ্ণ নাম ঠিকনা ভালকৈ ক'ব নোৱাৰাৰ বাবে এতিয়া সমস্যাত পৰিছে বিশ্বনাথ সদৰ আৰক্ষী। সেইহে এই কন্যা শিশু গৰাকীক কোনো লোকে যদি চিনি পাই অথবা কন্যা শিশুগৰাকীৰ আত্মিয়ই যদি চিনি পাই। তেনেহ'লে বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# ক'ভিড আক্ৰান্ত ছোনিয়া গান্ধী

*এক পৃষ্ঠাৰ পৰা* মতে, কংগ্ৰেছ সভানেত্ৰী ছোনিয়াক দিল্লীৰ গংগাৰাম হাস্পতালত ভৰ্তি কৰোৱা হৈছে। আজি তেওঁক ভৰ্তি কৰোৱা হয়। ক'ভিড সংক্ৰান্তীয় জটিলতাৰ বাবে তেওঁক ভৰ্তি কৰোৱা হৈছে। সম্প্ৰতি তেওঁৰ পৰিস্থিতি সুস্থিৰ। তেওঁক পৰ্যবেক্ষণত ৰখা হ'ব। কৰ'নাৰ উপৰি অন্যান্য জটিলতা আছে ছোনিয়া গান্ধীৰ। তেওঁ কৰ্কট ৰোগত আক্ৰান্ত হোৱাৰ পাছত নিউয়ৰ্কৰ হাস্পতালত তেওঁৰ অস্ত্ৰোপচাৰ সম্পন্ন কৰা হৈছিল। ইয়াৰ পাছত তেওঁ সুস্থ হয়।

# ককলাবাৰীত মিত্ৰজোঁটৰ

*এক পৃষ্ঠাৰ পৰা* বিপিএফৰ প্ৰাৰ্থী শংকৰ বসুমতাৰীয়ে ১৬,২২৫টা ভোট লাভ কৰে। একেদৰে ভিপিআইৰ প্ৰাৰ্থী লব কুমাৰ বড়োৱে ৭৩৬ টা আৰু নিৰ্দলীয় প্ৰাৰ্থী হীৰেন শৰণীয়াই ১,২২৬টা ভোট লাভ কৰে। বিটিআৰৰ ৪০টা পৰিষদীয় সমষ্টিৰ ভিতৰত এটা অতি উল্লেখযোগ্য তথা গুৰুত্বপূৰ্ণ সমষ্টি হৈছে ২২ নম্বৰ ককলাবাৰী সমষ্টি। সমষ্টিটোৰ মুঠ ৯৭টা ভোটগ্ৰহণ কেন্দ্ৰত যোৱা আঠ জুনত অনুষ্ঠিত হৈছিল উপ-নিৰ্বাচন। ইতিপূৰ্বে সমষ্টিটোৰ পৰা বিটিআৰৰ মুঠ ৯৭ টা ভোটগ্ৰহণ কেন্দ্ৰত যোৱা আঠ জুনত অনুষ্ঠিত হৈছিল উপ-নিৰ্বাচন। ইতিপূৰ্বে সমষ্টিটোৰ পৰা বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে নিৰ্বাচনত অৱতীৰ্ণ হৈ জয়লাভ কৰিছিল। লগতে তেওঁ গৃহ সমষ্টি তামুলপুৰৰ গয়বাৰীৰ পৰাও জয়লাভ কৰিছিল। অৱশ্যে পৰৱৰ্তী সময়ত ২২ নম্বৰ ককলাবাৰী সমষ্টিটো মুখ্য কাৰ্যবাহী সদস্যজনে এৰি দিয়াত পাৰিষদশূন্য হৈ পৰাত উপ-নিৰ্বাচন অনুষ্ঠিত হয়। স্মৰ্তব্য যে আজি ঘোষিত ফলাফলত বিগত নিৰ্বাচনত মুখ্য কাৰ্যবাহী সদস্যজনে লাভ কৰা ভোটতকৈ অধিক ভোট একেটা দলৰ প্ৰাৰ্থীজনে লাভ কৰে। ফলাফল লাভ কৰি বিজয়ী প্ৰাৰ্থী বড়োৱে তেওঁৰ ফলাফলৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিটিআৰ প্ৰমুখ প্ৰমোদ বড়ো তথা ৰাইজক ধন্যবাদ জ্ঞাপন কৰি পৰৱৰ্তী সময়ত ৰাইজে বিচৰা ধৰণে সমষ্টিৰ কাম কৰি যাব বুলি কয়। বড়োৱে কয়, 'ককলাবাৰী ৰাইজে মোক যি বিশ্বাস আৰু মৰমৰে ভোটদান কৰি জয়যুক্ত কৰিলে তাৰ বাবে সমষ্টিবাসী ৰাইজক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।' জয়ী হোৱাৰ মূল কাৰণ কি বুলি সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত বিজয়ী প্ৰাৰ্থীজনে কয়, 'বৰ্তমানৰ কেন্দ্ৰীয়, ৰাজ্য আৰু বিটিচিৰ শাসনত থকা মিত্ৰজোঁটৰ চৰকাৰৰ উন্নয়নমূলক কাম-কাজৰ বাবেই মোক ৰাইজে ভোটদান কৰি মোক জয়যুক্ত কৰিলে।' ভৱিষ্যতে তেওঁ কাৰ্যবাহী সদস্য পদ পাব বুলি আশাবাদী বুলি বড়োৱে কয়। ইফালে, বড়োৰ বিজয় সন্দৰ্ভত কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কয়, 'আজিৰ বিজয় অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ বাবে সম্ভৱ হৈছে। ৰাইজে উন্নয়নৰ ধাৰা দেখা পাইছে। সেয়ে ইউপিপিএলৰ প্ৰাৰ্থীজনক ককলাবাৰীত ভোট দিছে। এই বিজয় আমি পূৰ্বে অনুমান কৰা ধৰণে হৈছে। হাগ্ৰামা মহিলাৰীয়ে নিৰ্বাচনৰ পূৰ্বে মিছাকৈ চৰকাৰ গঠন কৰিব বুলি ৰাইজক ঠগাইছিল। ৰাইজে হাগ্ৰামাৰ মিছা কথাত ভোল নাযায়। কাৰ্বি পাহাৰৰ বিজয়ো বিজেপিৰ উন্নয়নমূলক কামৰ বাবে হৈছে। অসমৰ ৰাইজে বিজেপি মিত্ৰজোঁটৰ ওপৰত পুনৰ আস্থা প্ৰকাশ কৰিছে।'

উল্লেখ্য যে মিত্ৰজোঁটৰ প্ৰাৰ্থী বড়ো বিজয়ী হোৱাৰ পাছত মুছলপুৰৰ পৰা চিমলালৈ থকা সুদীৰ্ঘ পথত তেওঁক গামোচা-আৰ'নাই আদিৰে সম্বৰ্ধনা জনায়। পুৰুষ-মহিলাই নাচি বাগি, ফটকা ফুটাই এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে।

# কাৰ্বি পাহাৰ পুনৰ বিজেপিৰ দখললৈ

*এক পৃষ্ঠাৰ পৰা* দায়বদ্ধ হৈ আগন্তুক দিনত কাম কৰি যাব।

কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাক লৈ গঠিত স্বায়ত্তশাসিত পৰিষদখনৰ ভোটগণনা তিনিটা স্থানত অনুষ্ঠিত হয়। ডিফু, হামৰেন আৰু বোকাজানত অনুষ্ঠিত ভোট গণনাক লৈ গণনাস্থলীত পুৱাৰে পৰা উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। গণনা আৰম্ভ হোৱাৰ পূৰ্বৰে পৰা প্ৰতিদ্বন্দ্বী অধিকাংশ প্ৰাৰ্থীয়ে নিজৰ জয়লাভৰ দাবী কৰে; কিন্তু সময় আগবঢ়াৰ লগে লগে বহুতৰে সেই দাবীবোৰ স্তিমিত হ'বলৈ ধৰে। বেলট কাকতত অনুষ্ঠিত নিৰ্বাচনৰ বাবে ভোটগণনাত যথেষ্ট সময়ৰ প্ৰয়োজন হয়। নিশা পৰ্যন্ত চলা ভোটগণনাত অৱশেষত বিজেপিৰ প্ৰাৰ্থীসকলে প্ৰতিটো সমষ্টিত শেষ হাঁহি মাৰিবলৈ সক্ষম হয়। উল্লেখ্য যে বিজেপিয়ে ২৬ টা সমষ্টিতে প্ৰতিদ্বন্দ্বিতা কৰিছিল। ইয়াৰ বিপৰীতে কংগ্ৰেছে ২৪ টাত প্ৰাৰ্থী প্ৰক্ষেপ কৰে। ইপিনে, কাৰ্বি আংলঙৰ স্থানীয় দল এ পি এইচ এল চিয়েও আটাইকেইটা সমষ্টিতে প্ৰতিদ্বন্দ্বিতা কৰে। নিৰ্দলীয়ৰ উপৰি প্ৰতিদ্বন্দ্বিতা কৰা আন দলবোৰৰ ভিতৰত আছিল এ এছ ডি চি, চি পি আই (এম এল) আৰু আম আদমী পাৰ্টি (আপ)। লক্ষ্যণীয়ভাৱে বিজেপিয়ে জয়লাভ কৰাৰ বিপৰীতে সমষ্টিভেদে দ্বিতীয় স্থানত থাকে এ পি এইচ এল চি, এ এছ ডি চি, কংগ্ৰেছ আৰু আপ। কে'বাটা সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থীও দ্বিতীয় স্থানত থাকিবলৈ সক্ষম হয়। সমষ্টিবোৰৰ ভিতৰত পশ্চিম কাৰ্বি আংলঙত নটা আৰু কাৰ্বি আংলঙত ১৫ টা সমষ্টি আছে। পশ্চিম কাৰ্বি আংলঙৰ সমষ্টিকেইটাৰ ভিতৰত দুৱাৰ আমলাত বিজেপিৰ প্ৰভাত চন্দ্ৰ তাৰে ৬,২৫০ টা ভোট লাভ কৰাৰ বিপৰীতে নিকটতম প্ৰাৰ্থী কংগ্ৰেছৰ বিজয় টেৰণে লাভ কৰে ৫,৪৭৪ টা ভোট। আমৰিত বিজেপি প্ৰাৰ্থীগৰাকীয়ে ৫,৩৯৭ টা ভোট লাভ কৰাৰ বিপৰীতে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী এ ডি এফৰ এলৱিন টেৰণে ৪,৪৭৯ টা ভোট লাভ কৰে। চিঠঙত বিজেপি প্ৰাৰ্থী অভিজিত ক্ৰৱে ৫,৪৫৯ টা ভোট লাভ কৰাৰ বিপৰীতে নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ ৰূপসিং ৰংৰুঙে লাভ কৰে ৩,৩৯৫ টা ভোট। চ'ছেঙত বিজেপি প্ৰাৰ্থীগৰাকীয়ে ৫,১৮৫ টা ভোট লাভ কৰাৰ বিপৰীতে দ্বিতীয় স্থানত থকা এ এছ ডি চিৰ ৰামছিং টেৰাঙে লাভ কৰে ৩,৬২৭ টা ভোট। ৰংখাং সমষ্টিত সাংসদ হৰেণ সিং বেৰ ভতিজাক লংবিচন বেয়ে জয়লাভ কৰে। তেওঁ ৭,৫৬৩ টা ভোট লাভ কৰাৰ বিপৰীতে দ্বিতীয় স্থানত থকা কংগ্ৰেছ প্ৰাৰ্থী তথা স্বায়ত্ত শাসিত পৰিষদখনৰ প্ৰাক্তন কাৰ্যবাহী সদস্য ছিং টেৰণে ৪,৭২৫ টা ভোট লাভ কৰে।

ইপিনে, বোকাজান সমষ্টিৰ অন্তৰ্গত বোকাজান, বৰজান, সৰুপথাৰ, দেওপানী, নিলিপ, ছচেং ধেন্তা আৰু দুৱাৰ বাগৰিতো বিজেপি প্ৰাৰ্থী বিজয়ী হয়। বোকাজানত বিজেপিৰ মাধুৰ্য ঢেকিয়াল ফুকনে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী আপৰ দিব্যজ্যোতি বৰগোহাঁইক ৫,৪৮৯ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। ফুকনে ১৩,০৩৫ টা আৰু বৰগোহাঁইয়ে ৭,৫৫৪ টা ভোটলাভ কৰে। চছেং ধেন্তাত বিজেপিৰ কাচেই ৰংপিপিয়ে নিৰ্দলীয় মোহেন বেক ২,০৭৮ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। ৰংপিপিয়ে ৬,৭১৫ টা ভোট লাভৰ বিপৰীতে বেই ৪,৬৩৭ টা ভোট লাভ কৰে। নিলিপত বিজেপিৰ পবিত্ৰ ৰংপিয়ে এ পি এইচ এল চিৰ ৰাজেশ তিছ'ক ৪৯৬ টা ভোটত পৰাজিত কৰে। ৰংপিয়ে ৫,১৯৬ টা আৰু তিছ'ই ৪, ৭০০ টা ভোট লাভ কৰে। দুৱাৰ বাগৰিত বিজেপিৰ ৰিছাৰ্ড টকবিয়ে কংগ্ৰেছৰ ৰাজেন ইংতিক পৰাভূত কৰে। টকবিয়ে ৬,৪৮২ টা আৰু ইংতিয়ে ২,৮১৪ টা ভোট লাভ কৰে। ইপিনে, সৰুপথাৰত বিজেপিৰ কাদম তেৰাংপিয়ে নিৰ্দলীয় প্ৰাৰ্থী চিমিয়ন ৰংফাৰক ১৯৮ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি বিজয় সাব্যস্ত কৰে। তেৰাংপিয়ে ২,৬২১ টা আৰু ৰংফাৰে ২,৪২৩ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। বৰজানত বিজেপিৰ সূৰ্য ৰংফাৰে ৭,৬৮৬ টা ভোটৰ ব্যৱধানত এ পি এইচ এল চিৰ মাৰ্টিনা কাথাৰতিক পৰাজিত কৰি শেষ হাঁহি মাৰিবলৈ সক্ষম হয়। ৰংফাৰে ১৪,৮৯২ টা ভোট লাভ কৰাৰ বিপৰীতে কাথাৰপিয়ে লাভ কৰে ৭,২০৬ টা ভোট। একেদৰে দেওপানীত বিজেপিৰ শ্ৰৱণ কুমাৰ তেলেংগা বিজয়ী হয়। তেওঁ ৮,৩৯৮ টা ভোট লাভ কৰাৰ বিপৰীতে নিকটতম প্ৰতিদ্বন্দ্বী নিৰ্দলীয় প্ৰাৰ্থী প্ৰহ্লাদ বাইচাই ৩,৯০৮ টা ভোট লাভ কৰে।

ডিফু আৰু হাওৰাঘাট সমষ্টিৰ অন্তৰ্গত ১০ টা পৰিষদীয় সমষ্টিতো বিজেপিৰ জয়লাভৰ গতি অব্যাহত থাকে। মহামায়া সমষ্টিত বিজেপিৰ লুণচিং টেৰণে জয়লাভ কৰে। তেওঁ ৮,৮৯৩ টা ভোট লাভ কৰাৰ বিপৰীতে নিকটতম নিৰ্দলীয় প্ৰাৰ্থী ৰবিছিং ৰংহাঙে ৫,০৮৭ টা ভোট লাভ কৰিবলৈ সক্ষম হয়। নমাটিত বিজেপিৰ ৰিতেশ ইংহিয়ে নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ অশোক টেৰণক ৩,৪৪৭ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে। হাওৰাঘাট সমষ্টিত বিজেপিৰ অজিত কুমাৰ দেই নিকটতম প্ৰতিদ্বন্দ্বীতকৈ ৭,৫৬৫ টা ভোট লাভ কৰি বিজয়ী হয়। দেই ১১,১১৫ টা ভোট লাভ কৰাৰ বিপৰীতে দ্বিতীয় স্থানত থকা কংগ্ৰেছৰ চন্দ্ৰছিং টেৰণে ৩,৬০৯ টা ভোট লাভ কৰে। লাংহিঙত বিজেপি প্ৰাৰ্থী বিলোমোহন খাগলাৰিয়ে ১২,৫২৪ টা ভোট লাভ কৰি বিজয়ী হয়। ফুলনি সমষ্টিত বিজেপিৰ কাংগুৰা কিলিঙগ ২০৯ টা ভোটৰ ব্যৱধানত বিজয়ী হয়। কিলিঙগে ৫,৬৯২ টা ভোট লাভ কৰাৰ বিপৰীতে দ্বিতীয় স্থানত থকা নিৰ্দলীয় প্ৰাৰ্থীগৰাকীয়ে লাভ কৰা ভোটৰ সংখ্যা হ'ল ৫,৪৮৩ টা। কৰকাস্থি সমষ্টিত বিজেপিৰ ৰাজু তিচ' তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বীতকৈ ৬৩৫ টা ভোটৰ ব্যৱধানত বিজয়ী হয়। ইপিনে, বহু চৰ্চিত সিংহাসন সমষ্টিত বিজেপিৰ প্ৰাৰ্থী অমৰছিং তিছ'ৱে দ্বিতীয় স্থানত থকা এ পি এইচ এল চিৰ সভাপতি জন ইংতি কাথাৰক ১,৭০৫ টা ভোটৰ ব্যৱধানত পৰাজিত কৰে।

### সাংগঠনিক শক্তিয়ে বিজয়ৰ আধাৰ ঃ ভবেশ কলিতা

কাৰ্বি পৰিষদৰ নিৰ্বাচনটোতো আন আন নিৰ্বাচনৰ দৰে বিজেপি সৰ্বশক্তিৰে অৱতীৰ্ণ হৈছিল। দলৰ সকলো পৰ্যায়ৰ নেতাতো বাদেই স্বয়ং মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২৬ টা সমষ্টিকে সামৰি ধাৰাবাহিক নিৰ্বাচনী প্ৰচাৰ চলায়। এই বিজয়ৰ সন্দৰ্ভত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই কয় যে দলৰ সাংগঠনিক শক্তিৰ সক্ৰিয়তাই হৈছে দলটোৰ নিৰ্বাচন জয়ৰ ধাৰাবাহিকতাৰ অন্যতম মূলমন্ত্ৰ। কলিতাই নিৰ্বাচনৰ দায়িত্বত থকা দলৰ সকলো কৰ্মকৰ্তা আৰু ভোটাৰ ৰাইজক ধন্যবাদ আৰু কৃতজ্ঞতা জনাই লগতে কয়, 'কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনী ফলাফলে স্পষ্ট কৰিলে যে অসমৰ খিলঞ্জীয়া আৰু থলুৱা জনসাধাৰণে কংগ্ৰেছকে আদি কৰি বিৰোধী দলসমূহক প্ৰত্যাখ্যান কৰি ভাৰতীয় জনতা পাৰ্টিক আন্তৰিকতাৰে গ্ৰহণ কৰিছে। ২৬ টা পৰিষদীয় সমষ্টিতে দলৰ মনোনীত প্ৰাৰ্থীৰ বিজয়ে এই কথাকে প্ৰতিপন্ন কৰিলে। এই ফলাফলৰ পাছত ভাৰতীয় জনতা পাৰ্টিৰ অসমৰ জনসাধাৰণৰ প্ৰতি থকা দায়িত্ব আৰু অধিক বৃদ্ধি পালে।'

### আমি বহুত আশা কৰা নাছিলো ঃ ভূপেন বৰা

কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অঞ্চলৰ ৰাইজে দিয়া নিৰ্বাচনী ৰায়ক মানি লৈছে প্ৰদেশ কংগ্ৰেছে। নিৰ্বাচনৰ ফলাফলৰ সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কয় যে যদিও ২৪ টা সমষ্টিত দলটোৱে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছিল তথাপি বহুত বেছি আশা কৰা নাছিল। আঠটা সমষ্টিত কংগ্ৰেছে তীব্ৰ যুঁজ দিব বুলি ৰাইজৰ সঁহাৰিৰ ভিত্তিত তেওঁলোকে আশা কৰিছিল। বৰাই কয়, 'আমি ৰাইজক পৰিষদ গঠন কৰিম বুলি কোৱা নাছিলো; কিন্তু শক্তিশালী বিৰোধীৰ দায়িত্ব পালন কৰিম বুলি কৈছিলো। আজি ৰাইজে আমাক যি ৰায় দিছে আমি তাক মানি লৈছো; কিন্তু পৰাজিত হ'লেও আমি আমাৰ দায়িত্ব পালন কৰি যাম।'

## লংকাত চাৰিখন গাড়ীৰ পৰা ২৬টা গৰু জব্দ

### নিশাৰ অভিযানত চাৰিজনক আটক কৰিলে আৰক্ষীয়ে

অগ্ৰদূত বাৰ্তা
**লংকা, ১২ জুন ঃ** যোৱা নিশা লংকা আৰক্ষীৰ অভিযানত জব্দ হ'ল ২৬টাকৈ চোৰাং গৰু। লংকাৰ কাৰিখানা বজাৰৰ সমীপৰ পৰা চাৰিখন টাটা ম'বাইল বাহনত উঠাই থকা অৱস্থাতে লংকা আৰক্ষীয়ে গৰু আৰু বাহন কেইখন জব্দ কৰে। লগতে উক্ত ঘটনাৰ লগত জড়িত চাৰিজনক আটক কৰে আৰক্ষীয়ে। আটকাধীন কেইজন লংকাৰ কপিলীপাৰৰ ফকৰউদ্দিন, আজিজুৰ ৰহমান, খেৰণি লাংপিপিৰ অৰুণ বে' আৰু মোৰাঝাৰৰ মঞ্জুৰ আহমেদ বুলি আৰক্ষীয়ে জনাইছে। লংকা আৰক্ষীয়ে নিজাববীয়াকৈ ২২৯/২২ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰি গৰুৰ ছয় পৃষ্ঠাত চাওক


দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৩ জুন, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

## কোকৰাঝাৰত এবছুৰ উদ্যোগত বড়োলেণ্ড ছহিদ দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ১২ জুন ঃ** পৃথক বড়োলেণ্ড আন্দোলনৰ প্ৰথম গৰাকী ছহিদ সুজিত নাৰ্জাৰীৰ মৃত্যু দিৱসৰ সতে সংগতি ৰাখি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত উদ্‌যাপিত হয় ৩৫ সংখ্যক বড়োলেণ্ড ছহিদ দিৱস। ইয়াৰে অংশস্বৰূপে কোকৰাঝাৰতো নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ উদ্যোগত বড়োলেণ্ড ছহিদ দিৱস উদ্‌যাপন কৰা হয় । কোকৰাঝাৰ চহৰৰ ভাটিপাৰাস্থিত ছহিদ সুজিত নাৰ্জাৰীৰ সমাধিস্থলত ছয় পৃষ্ঠাত চাওক

মধুপুৰত নগাঁও জিলা সাহিত্য সভাৰ মধ্যকালীন অধিবেশন সম্পন্ন

## গ্ৰন্থ অধ্যয়নে সমাজক আগুৱাই নিয়াত সহায় কৰে ঃ ৰূপক শৰ্মা



বিশেষ সংবাদদাতা
**নগাঁও, ১২ জুন ঃ** নগাঁও জিলা সাহিত্য সভাৰ সোণালী জয়ন্তী বৰ্ষৰ গৌৰৱময় ক্ষণত মধুপুৰ আৰু কাঁচিয়লি শাখা সাহিত্য সভাৰ যুটীয়া ব্যৱস্থাপনাত নগাঁও চহৰৰ মধুপুৰ নাট্য চ'ৰাৰ প্ৰাংগণত আজি দিনজোৰা কাৰ্যসূচীৰে নগাঁও জিলা সাহিত্য সভাৰ মধ্যকালীন অধিবেশন অনুষ্ঠিত হয়। পুৱা জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাই মূল পতাকা উত্তোলনেৰে অনুষ্ঠানৰ সমূহ কাৰ্যসূচীৰ আৰম্ভ কৰে। এই পতাকা উত্তোলন কাৰ্যসূচীত জিলা শাখাৰ সোণালী জয়ন্তী বৰ্ষৰ উপলক্ষে ৫০ জন বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৫০ খন পতাকা উত্তোলন কৰা হয়। ইয়াৰ ছয় পৃষ্ঠাত চাওক

বৰষুণৰ পানীৰে উপচি পৰিছে সত্ৰ চৌহদ ঃ পানী নিৰ্গমণৰ আঁচনি ফলকতে সীমাবদ্ধ থাকিল

# ভৱানীপুৰত ঐতিহাসিক গোপাল আতা সত্ৰৰ দুৰৱস্থা

বিশেষ সংবাদদাতা
**পাঠশালা, ১২ জুন ঃ** এজাক বৰষুণতে উপচি পৰিছে ঐতিহাসিক গোপাল আতা সত্ৰ চৌহদ। অঞ্চলটোত বাৰিষা আৰম্ভ নৌহওঁতেই এতিয়া সত্ৰ চৌহদৰ অধিকাংশ ঠাইতে বান্ধিছে বৃহৎ আকৃতিৰ পানীৰ ডোঙা। প্ৰতি বছৰে প্ৰায় নিয়মীয়া ঘটনাত পৰিণত হোৱা সত্ৰ চৌহদৰ ঠায়ে ঠায়ে এতিয়া একাঁঠু পৰ্যন্ত পানী। তদুপৰি সত্ৰ চৌহদৰ বিস্তীৰ্ণ অঞ্চলতে গজি উঠিছে ঘন ঘাঁহ-বন। এনে এক কদৰ্যময় অৱস্থাৰ সৃষ্টি হৈছে আতাপুৰুষ গোপাল আতা স্থাপিত ঐতিহাসিক গোপাল আতা সত্ৰ। উল্লেখ্য যে উজনি অসমৰ নাজিৰাত ১৫৪০ত জন্মগ্ৰহণ কৰা আতাপুৰুষজনে ৰাজৰোষত পৰি নামনি অসমলৈ আহি বৰ্তমানৰ ভৱানীপুৰ বিধানসভা সমষ্টিৰ পুৰণ ভৱানীপুৰ গাঁৱত প্ৰথমখন সত্ৰ স্থাপন কৰিছিল। অৱশ্যে বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ লগতে উক্ত সময়ছোৱাত সত্ৰখনৰ ভকত-বৈষ্ণৱসকল বিভিন্ন ধৰণৰ মহামাৰীত আক্ৰান্ত হোৱাৰ উপৰি অনেকৰে মৃত্যু হোৱাত বহুতেই উক্ত স্থান ত্যাগ কৰাত সুদীৰ্ঘকাল ঐতিহাসিক সত্ৰখন প্ৰায় পাহৰণিৰ গৰ্ভত লুপ্তপ্ৰায় হৈ সোমাই আছিল। যদিও উজনি-নামনিৰ একাংশ শুভানুধ্যায়ী লোকৰ তৎপৰতাত সত্ৰখনে পুনৰ পাহৰণিৰ গৰ্ভৰ পৰা ছয় পৃষ্ঠাত চাওক



## প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰী-কৃষকৰ স'তে মত-বিনিময়

### ঘগ্ৰাপাৰৰ-বিলপাৰত সাংসদ দিলীপ শইকীয়া



অগ্ৰদুত বাৰ্তা
**ঘগ্ৰাপাৰ, ১২ জুন ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰখনে আঠটা বৰ্ষ সম্পূৰ্ণ কৰা উপলক্ষে আজি বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা সাংসদ দিলীপ শইকীয়াই নলবাৰী সমষ্টিৰ ঘগ্ৰাপাৰৰ-বিলপাৰত 'জনসম্পৰ্ক অভিযান'ৰ স'তে ৰাখি 'প্ৰধানমন্ত্ৰী আৱাস যোজনা'ৰ হিতাধিকাৰী আৰু কৃষক সমাজৰ লগত এক মত-বিনিময় কৰে। সমষ্টিটোৰ অন্তৰ্গত ঘগ্ৰাপাৰৰ- বিলপাৰ গাঁৱত আজি দুপৰীয়া বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা ছয় পৃষ্ঠাত চাওক

## শিৱসাগৰত অনুষ্ঠিত হ'ব অসম সাহিত্য সভাৰ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা

বিশেষ সংবাদদাতা
**শিৱসাগৰ, ১২ জুন ঃ** শিৱসাগৰ জিলা সাহিত্য সভাৰ উদ্যোগত ৰংপুৰ সাহিত্য সভাৰ কাৰ্যালয়ত আজি অসম সাহিত্য সভাৰ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা সফলতাৰে অনুষ্ঠিত কৰাৰ উদ্দেশ্যেৰে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। অহা ন আৰু ১০ জুলাইত হ'বলগীয়া ষষ্ঠ সংখ্যক পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা সফলতাৰে অনুষ্ঠিত কৰিবলৈ ৰাজহুৱা সভাৰ সিদ্ধান্ত অনুসৰি অসম চৰকাৰৰ মন্ত্ৰী যোগেন মহনক মুখ্য পৃষ্ঠপোষক, সাহিত্যাচাৰ্য ড° নাহেন্দ্ৰ পাদুনক মুখ্য উপদেষ্টা, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈক সভাপতি, শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগ গগৈক কাৰ্যকৰী সভাপতি, বিনোৱা টায়ে, ছয় পৃষ্ঠাত চাওক

## যোগ উৎসৱ উদ্বোধন ৰাজ্যপাল অধ্যাপক মুখীৰ

## যোগৰ প্ৰতি মানুহৰ ৰুচি যিমানেই বাঢ়িব, সিমানেই জীৱন সুন্দৰ হ'ব



বিশেষ সংবাদদাতা
**নগাঁও, ১২ জুন ঃ** ভাৰত চৰকাৰৰ আয়ুষ মন্ত্ৰণালয়ৰ উদ্যোগত আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ সহযোগিতাত কালিৰে পৰা যোগ উৎসৱ-২২ৰ আৰম্ভ কৰা হয়। তিনিদিনীয়াকৈ অনুষ্ঠিত এই কাৰ্যসূচী কালি উদ্বোধন কৰে অসমৰ ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে। গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়ায় বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই। ভাষণত তেওঁ শংকৰদেৱ সৃষ্ট মাটি আখৰাই অসমত যোগৰ ছয় পৃষ্ঠাত চাওক

## অভিজাত হোটেল 'দ্য মিৰানা'ত আবকাৰী বিভাগৰ অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান



অগ্ৰদূত বাৰ্তা
**তিনিচুকীয়া, ১২ জুন ঃ** অবৈধ সুৰাৰ বিৰুদ্ধে তিনিচুকীয়া জিলা প্ৰশাসন, আবকাৰী বিভাগৰ অভিযান অব্যাহত আছে। শনিবাৰে নিশা তিনিচুকীয়াৰ মাকুম পথত অৱস্থিত অভিজাত হোটেল দ্য মিৰানাত ছয় পৃষ্ঠাত চাওক

## ২৭-২৯ অক্টোবৰত লেঙেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী

বিশেষ সংবাদদাতা
**ডিব্ৰুগড়, ১২ জুন ঃ** ডিব্ৰুগড় জিলাৰ টিংখাং সমষ্টিৰ লেঙেৰী অঞ্চলৰ ঐতিহ্যমণ্ডিত লেঙেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তীৰ সামৰণি অনুষ্ঠানটি অহা ২৭, ২৮ আৰু ২৯ অক্টোবৰত অনুষ্ঠিত হ'ব। বিদ্যালয়ৰ কৰ্তৃপক্ষ তথা উদ্‌যাপন সমিতি আৰু বিদ্যালয়খনৰ শুভাকাংক্ষীৰ উপস্থিতিত যোৱা সাত জুনত অনুষ্ঠিত এক কাৰ্যনিৰ্বাহক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখ্য যে বিগত বৰ্ষৰ ৰৰ জানুৱাৰীত হীৰক জয়ন্তী বৰ্ষত ভৰি দিছিল এইখন বিদ্যালয়ে। এই উপলক্ষ্যত বিদ্যালয়খনৰ শিক্ষক শিক্ষয়িত্ৰীৰ লগতে ছয় পৃষ্ঠাত চাওক

## নুমলীগড়ত নিয়ন্ত্ৰণ হেৰুৱাই দ' খাৱৈত বাগৰিল ট্ৰেক্টৰ ঃ চালকৰ মৃত্যু

**খুমটাই, ১২ জুন ঃ** গোলাঘাট জিলাৰ নুমলীগড়ত আজি আবেলি প্ৰায় ৪-৩০ বজাত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। আৰক্ষী সূত্ৰই সদৰী কৰা অনুসৰি, অৰ্জুন মাহাত্ব নামৰ এজন যুৱকে পথাৰত ট্ৰেক্টৰেৰে হাল বাই নুমলীগড়ৰ শংকৰ বৰুৱাৰ সেতুৰ কাষৰ এটা কেঁচা সৰু পথেৰে উভতি আহি থাকোতে ট্ৰেক্টৰখনে নিয়ন্ত্ৰণ হেৰুৱাই দ' খাৱৈত বাগৰি পৰে। ট্ৰেক্টৰখন পথৰ কাষৰ খাৱৈত বাগৰি পৰাত ট্ৰেক্টৰচালক অৰ্জুন মাহাত্ব (১৯) চলন্ত ট্ৰেক্টৰৰ তলত সোমাই থিতাতে মৃত্যু হয়। ঘটনাস্থলীত কমাৰগাঁও আৰু বোকাখাত আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটলৈ প্ৰেৰণ কৰে। ইফালে, এই আকস্মিক দুৰ্ঘটনাত সকলো মৰ্মাহত হোৱাৰ লগতে যুৱকজনৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

## জুৰীয়া আৰক্ষীৰ হাতত আটক দুৰ্ধৰ্ষ অপৰাধী

অগ্ৰদূত বাৰ্তা
**জুৰীয়া, ১২ জুন ঃ** জুৰীয়া আৰক্ষীৰ অভিযানত আজি আৰক্ষীৰ নিদ্ৰা হৰণ কৰা দুৰ্ধৰ্ষ অপৰাধী আনোৱাৰ ছাদ্দিক ওৰফে ভাইটিক আটক কৰিবলৈ সক্ষম হয়। নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায়ৰ লগতে হত্যা, লুণ্ঠন, ডকাইতি আদি বিভিন্ন অপৰাধৰ লগত জড়িত আছিল আজি আটকাধীন আনোৱাৰ ছাদ্দিক। নগাঁও জিলাৰ বিভিন্ন অঞ্চলত ডকাইতি কাণ্ডৰে সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছিল ধৃত আনোৱাৰ ছাদ্দিক ওৰফে ভাইটিয়ে। দীৰ্ঘদিন ধৰি আৰক্ষীৰ চকুত ধূলি দি পলাতক অৱস্থাত আছিল ধৃত ভাইটি। অৱশেষত বিশেষ সূত্ৰে জুৰীয়াৰ দলনি জুৰীয়াত নিজ বাসগৃহত অভিযান চলাই আৰক্ষীয়ে আটক কৰে আনোৱাৰ ছাদ্দিক ওৰফে ভাইটিক। সম্প্ৰতি জুৰীয়া আৰক্ষীয়ে ধৃত ভাইটিক জেৰা অব্যাহত ৰাখিছে।

## পত্নী নিৰ্যাতনকাৰী পলাতক চিকিৎসকক আটক চামগুৰিত

অগ্ৰদূত বাৰ্তা
**চামগুৰি, ১২ জুন ঃ** পত্নীক মানসিক আৰু শাৰীৰিক অত্যাচাৰ চলাই পলাতক অৱস্থাত থকা এজন চিকিৎসকক আজি নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে আটক কৰে। চামগুৰি আৰক্ষী থানাৰ অধীনস্থ পদুকটাৰ প্ৰয়াত টংকেশ্বৰ দাসৰ গৃহত বিগত ১৫ দিন ধৰি আত্মগোপন কৰি থকা নগাঁও জিলাৰ ৰহাৰ মথনবড়ীৰ নিৱাসী ডাঃ গজেন চন্দ্ৰ নাথক গ্ৰেপ্তাৰ ছয় পৃষ্ঠাত চাওক

## নাহৰকটীয়াত আৰক্ষীয়ে টকা ভাগ-বাটোৱাৰা কৰা দৃশ্য ভাইৰেল



**নাহৰকটীয়া, ১২ জুন ঃ** এটা পৰিত্যক্ত অঞ্চলত তিনিজন আৰক্ষীয়ে গোপনে টকাৰ ভাগ-বাটোৱাৰা কৰাৰ দৃশ্য সম্প্ৰতি নাহৰকটীয়াত ছ'চিয়েল মিডিয়াত ভাইৰেল হৈছে। নাহৰকটীয়াতে ছয় পৃষ্ঠাত চাওক

## মৰিগাঁও আৰক্ষীৰ অভিযানত গাড়ীসহ ৬৮ কিলোগ্ৰাম গাঞ্জা জব্দ, তিনিজনক আটক আৰক্ষীৰ



অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ১২ জুন ঃ** মৰিগাঁও আৰক্ষীৰ অভিযানত আজি ৬৮ কিলোগ্ৰাম গাঞ্জা জব্দ কৰাৰ লগতে তিনিজন লোকক আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে, মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষীয়ে আজি গোপন সূত্ৰৰ পম খেদি জিলাখনৰ বৰভগীয়াত মৰিগাঁৱৰ পৰা নগাঁও অভিমুখে আহি থকা এএছ ২৫ ডিচি -৩০২৫ নম্বৰৰ এখন মাল কঢ়িওৱা ছয় পৃষ্ঠাত চাওক

## চৰকাৰী বিদ্যালয়ৰ বেয়া ফলাফলক লৈ পৰ্যালোচনা কৰা হ'ব ঃ ডাঃ পেগু

ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ১২ জুন ঃ** 'শেহতীয়াকৈ ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল অনুসৰি যিসমূহ বিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰ ১০ শতাংশতকৈ কম তেনে বিদ্যালয়সমূহৰ ফলাফল এনে হোৱাৰ কাৰণ কি সেই বিষয়ে পৰ্যালোচনা কৰা হ'ব।' ইতিমধ্যে এনে ১০২ খন বিদ্যালয়লৈ শিক্ষা বিভাগে কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰিছে। তেজপুৰত কালি এই কথা প্ৰকাশ কৰে ৰাজ্যৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে। মন্ত্ৰীজনে লগতে কয় যে এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অনুন্নত ফলাফল কেৱল অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়েই প্ৰদৰ্শন কৰা নাই, ৰাজ্যখনৰ ব্যক্তিগত খণ্ডৰ ভালেসংখ্যক ছয় পৃষ্ঠাত চাওক

■ তৃণমূল কংগ্ৰেছৰ প্ৰথমখন সভা গোসাঁইগাঁৱত ■
এআইইউডিএফ বিজেপিৰ বি টিম ঃ ৰিপুন বৰা

## বিটিচিত তৃণমূল কংগ্ৰেছৰ সাংগঠনিক তৎপৰতা



অগ্ৰদূত বাৰ্তা
**শ্ৰীৰামপুৰ, ১২ জুন ঃ** লোকসভা নিৰ্বাচনলৈ এতিয়াও বহু বাকী আছে যদিও অন্যান্য ৰাজনৈতিক দলৰ সমান্তৰালকৈ তৃণমূল কংগ্ৰেছে অসমত ৰাজনৈতিক ভেঁটি শক্তিশালী কৰিবলৈ সকলো স্তৰৰ নেতা-কৰ্মী ব্যস্ত হৈ পৰা সময়ত বিটিআৰ অঞ্চলতো নতুনকৈ সাংগঠনিক তৎপৰতা আৰম্ভ কৰিছে দলটোৱে। বিটিআৰৰ পাঁচখন জিলাত চলিছে তৃণমূল কংগ্ৰেছৰ ভেঁটি মজবুত কৰাৰ প্ৰক্ৰিয়া। আজি প্ৰথমবাৰৰ বাবে বিটিচিৰ পাঁচখন জিলাৰ ভিতৰত কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱৰ তেলিপাৰা আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰত তৃণমূল কংগ্ৰেছৰ এখন কৰ্মী সভা অনুষ্ঠিত হয়। উক্ত কৰ্মী সভাত দলৰ বিভিন্ন পৰ্যায়ৰ নেতৃত্বৰ লগতে অসম প্ৰদেশ তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুন বৰা উপস্থিত থাকে। দলীয় কৰ্মীৰ স'তে বিভিন্ন দিশত আলোচনা ছয় পৃষ্ঠাত চাওক

## মন্ত্ৰী সভাৰ পৰৱৰ্তী সম্প্ৰসাৰণত অগপৰ এজনে লাভ কৰিব মন্ত্ৰিত্ব ঃ অতুল বৰা

ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ১২ জুন ঃ** 'পৰৱৰ্তী সময়ত ৰাজ্যৰ মন্ত্ৰীসভা সম্প্ৰসাৰণ হ'লে অগপৰ এজন বিধায়কে মন্ত্ৰিত্ব লাভ কৰিব। ইতিপূৰ্বেই এই বিষয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ স'তে অগপৰ আলোচনা হৈছে।' তেজপুৰত কালি এই কথা প্ৰকাশ কৰিলে অগপৰ সভাপতি তথা ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাই। তেওঁ অৱশ্যে অগপৰ কোন বিধায়কে ভৱিষ্যতে ছয় পৃষ্ঠাত চাওক

## দৰংগাজুলী ব্লক বিপিএফৰ কৰ্মী সভা সম্পন্ন ঃ পদ্ম আনন্দ প্ৰাথমিক সমিতি গঠন

## বিজেপি-ইউপিপিএলৰ চৰকাৰ চলি থাকিলেও ভাঙি যাব পাৰে



অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ১২ জুন ঃ** তামুলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ২৬ নম্বৰ দৰংগাজুলী ব্লক বিপিএফৰ এখন কৰ্মী সভা আজি পদ্ম আনন্দ বজাৰত অনুষ্ঠিত হয়। পদ্ম আনন্দ প্ৰাথমিক বিপিএফৰ সভাপতি আব্দুল জব্বৰ আলীৰ সভাপতিত্বত অনুষ্ঠিত কৰ্মী সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকি বিপিএফৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক শৰৎ দাসে কয়, 'বিটিচিত বিজেপি-ইউপিপিএলৰ চৰকাৰ চলি থাকিলেও সেই চৰকাৰ যি কোনো মুহূৰ্ততে ভাঙি যাব পাৰে। বিটিচিত পৰিৱৰ্তন আনিম বুলি সম্পূৰ্ণ অবৈধভাৱে চৰকাৰ গঠন কৰা প্ৰমোদ বড়োই আজিলৈ একোই কৰিব পৰা নাই। হাগ্ৰামা মহিলাৰীয়ে বনোৱা ৰাস্তাৰে চাইৰেন বজাই ঘুৰি ফুৰা প্ৰমোদ বড়োৰ প্ৰতি এতিয়া বিটিচিবাসীৰ মোহ ভংগ হৈছে।' বিপিএফৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক দাসে পুনৰ কয় যে বিটিচিত হাগ্ৰামা মহিলাৰী ছয় পৃষ্ঠাত চাওক

এজনীয়া শিক্ষকেৰে চলিও গুণোৎসৱত উন্নত ফল জয়পুৰ মালিপথাৰ প্ৰাথমিক বিদ্যালয়ৰ

## দুটা কোঠালিত পাঁচোটাকৈ শ্ৰেণীৰ ৯০ ছাত্ৰ-ছাত্ৰীক অকলে পাঠদান শিক্ষয়িত্ৰীৰ

অগ্ৰদূত বাৰ্তা
**নাহৰকটীয়া, ১২ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শাসনভাৰ লৈ শিক্ষা বিভাগত আমোল পৰিৱৰ্তন আনিব বুলি কৰা প্ৰতিশ্ৰুতি অসাৰ হোৱা দেখা গৈছে জয়পুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত জয়পুৰ মালিপথাৰ প্ৰাথমিক বিদ্যালয়ত। ২০১৮ৰে পৰা এই মালিপথাৰ প্ৰাথমিক বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ পাঠদানৰ বাবে নিয়োজিত হৈ আছে কেৱল মাত্ৰ এগৰাকী শিক্ষয়িত্ৰী। বিদ্যালয়খনৰ পাঁচটা শ্ৰেণীৰ ৯০ ছাত্ৰ-ছাত্ৰীক অকলে পাঠদান কৰোৱাৰ লগতে শিক্ষয়িত্ৰীগৰাকীয়ে অন্যান্য দায়িত্বও পালন কৰিবলগীয়া হয়। বিগত চাৰি বছৰ ধৰি বিদ্যালয়খন এজনীয়া শিক্ষকেৰে চলি থাকিবলগীয়া বিষয়টো ৰাজ্যৰ ছয় পৃষ্ঠাত চাওক



শ্ৰদ্ধাঞ্জলি



মতিলাল পাঠক
মৃত্যু ঃ ১ জুন ২০১৫ (১৭ জেঠ)

আজি আপোনাৰ বিদায়ৰ সপ্তম বাৰ্ষিকী পৱিত্ৰ মৃত্যু তিথিত আমি পৰিয়ালৰ সকলোৱে মৰম-শ্ৰদ্ধা-ভালপোৱাৰে আপোনাক সোঁৱৰিছো। আপুনি য'তেই আছে শান্তিত থাকক। আপোনাৰ সজল স্মৃতিয়ে আমাক সাহস আৰু অনুপ্ৰেৰণা যোগাই যাওক— তাকেই কামনা কৰিলো।

পৰিয়ালবৰ্গৰ হৈ—
শ্ৰী গৌৰাংগ লাল পাঠক
গান্ধী নগৰ বৰপেটা

দৈনিক অগ্ৰদূত
গুৱাহাটী, সোমবাৰ ২৯ জেঠ ১৪২৯ ভাস্কৰাব্দ ১৩ জুন ২০২২

# নতুন কৌশল

**দেশত** প্ৰতিবাদ মষিমূৰ কৰাৰ বাবে চৰকাৰে এক নতুন পদ্ধতি অৱলম্বন কৰিছে। কে'বাখনো ৰাজ্যত আন্দোলন বা বিক্ষোভত অংশগ্ৰহণকাৰীৰ ঘৰবাৰী বুলডজাৰেৰে ভাগি দিয়া হৈছে। দিল্লী, মধ্যপ্ৰদেশ, গুজৰাট আদিৰ পাছত সম্প্ৰতি হজৰত মহম্মদৰ বিৰুদ্ধে বিজেপিৰ মুখপাত্ৰ এগৰাকীয়ে আপত্তিকৰ মন্তব্য কৰাৰ পাছত ইয়াৰ প্ৰতিক্ৰিয়া বিদেশৰ পাছত স্বদেশতো আৰম্ভ হৈছে।

উত্তৰ প্ৰদেশৰ ছাহৰণপুৰ আৰু কানপুৰত কে'বাটাও এনে আন্দোলনত অংশগ্ৰহণকাৰী পৰিয়ালৰ ঘৰ আৰক্ষীয়ে বুলডজাৰ চলাই ধ্বংসস্তুপত পৰিণত কৰিছে। আৰক্ষীয়ে এনেদৰে ঘৰবাৰী ভাগি দিয়াৰ কাৰণ হিচাপে এই ঘৰবোৰ অবৈধভাৱে নিৰ্মাণ কৰা হৈছে বুলি কৈছে। ছাহৰণপুৰত আৰক্ষীয়ে হজৰত মহম্মদৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য কৰাৰ প্ৰতিবাদত বিক্ষোভ প্ৰদৰ্শন কৰা ৬৪ জন লোকক গ্ৰেপ্তাৰ কৰিছে। আনহাতে, কানপুৰত জনৈক মহম্মদ ইস্তিয়াক নামৰ লোকজনৰ ঘৰ বুলডজাৰেৰে ধ্বংস কৰাৰ কাৰণ হিচাপে আৰক্ষীৰ তৰফৰ পৰা কোৱা হৈছে যে যোৱা তিনি জুনত কানপুৰত হোৱা অশান্তিৰ মূল নায়ক জাকৰ হায়াৎ জাচমিৰ স'তে এই ঘৰ সম্পত্তিৰ সম্পৰ্ক আছে। আৰক্ষীয়ে ধ্বংস কৰা ঘৰ সম্পত্তি স্থানীয় ৰাজনৈতিক নেতাৰ ঘনিষ্ঠ ভূ-মাফিয়াৰ বুলি দাবী কৰিছে। উল্লেখ্য যে আৰক্ষীয়ে বুলডজাৰেৰে ধ্বংসস্তুপত পৰিণত কৰা ঘৰটো নতুনকৈ নিৰ্মাণ কৰা হৈছিল।

সমগ্ৰ ভাৰতবৰ্ষতেই প্ৰতিবাদ-আন্দোলন ধ্বংস কৰাৰ বাবে আৰক্ষীয়ে বুলডজাৰেৰে ঘৰবাৰী ভাগি দিয়াৰ সমৰ্থনত কৈছে যে চৰকাৰী আইন তথা অধিনিয়ম অনুসৰণ কৰিয়েই ঘৰবাৰী ভাগি দিয়াৰ অভিযান চলোৱা হৈছে। উত্তৰ প্ৰদেশ আৰক্ষীয়ে সকীয়নি দিছে যে শান্তি ভংগ কৰিব খোজা লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কৈছে যে সমাজবিৰোধী লোকসকলৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ আৰক্ষীক সম্পূৰ্ণ কৰ্তৃত্ব আৰু স্বাধীনতা দিয়া হৈছে। এজন লোকৰ বা এটি পৰিয়ালৰ ওৰে জীৱনৰ পৰিণামৰ ফল এটি ঘৰ। আজি-কালিৰ মহঙা দিনত ঘৰবাৰী নিৰ্মাণৰ ব্যয় কে'বাগুণো বাঢ়ি গৈছে। চৰকাৰে যদিহে চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ-আন্দোলনত অংশগ্ৰহণ কৰা লোকৰ ওৰে জীৱনৰ এই সঞ্চিত ধনেৰে সজা ঘৰটো ভাগি দিয়ে, তেনেহ'লে তেনে ব্যক্তি অথবা তেওঁৰ পৰিয়ালৰ ভৱিষ্যৎ কি হ'ব সেয়া চিন্তনীয়। চৰকাৰে পিছে সেইবোৰ চিন্তা নকৰি চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ-আন্দোলনত অংশগ্ৰহণ কৰা লোকক এইদৰে নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিছে। এনে কঠোৰ ব্যৱস্থাৰ ফলত চৰকাৰৰ জনবিৰোধী কাম-কাজৰ বিৰুদ্ধে কোনো লোক মাত মাতিবলৈ সাহস নকৰিব। ভাৰতীয় সংবিধানে মুক্ত কণ্ঠৰ অধিকাৰ দেশৰ নাগৰিকসকলক মৌলিক অধিকাৰ হিচাপে দিলেও বৰ্তমান পৰিস্থিতিত এই অধিকাৰ খৰ্ব কৰা দেখা গৈছে।

আগেয়ে লাঠিচালনা, কন্দুৱা গেছ, গ্ৰেপ্তাৰ আদিৰে প্ৰতিবাদ-আন্দোলন মষিমূৰ কৰাৰ চেষ্টা কৰিছিল শাসক দলে। এতিয়া মানুহৰ ঘৰবাৰী ভাগি আশ্ৰয়হীন কৰাৰ এক নতুন পদ্ধতি শাসক শ্ৰেণীয়ে অৱলোকন কৰিছে। গণতন্ত্ৰৰ বাবে এনে ধৰণৰ চৰকাৰী ব্যৱস্থা কেতিয়াও কাম্য হ'ব নোৱাৰে। শাসক দলে জনসাধাৰণক গণতান্ত্ৰিকভাৱে আন্দোলন কৰা অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰে। এনেধৰণৰ চৰকাৰী প্ৰৱণতাই দেশৰ গণতন্ত্ৰৰ বাবে বিপদ কঢ়িয়াই আনিব আৰু স্বৈৰতন্ত্ৰ প্ৰতিষ্ঠাতহে সক্ৰিয় কৰিব।

মত প্ৰকাশৰ স্বাধীনতা আৰু জীৱনৰ অধিকাৰ দেশৰ সংবিধানে দিয়া মৌলিক অধিকাৰ। ইয়াক খৰ্ব কৰাৰ অৰ্থ হ'ল গণতন্ত্ৰক কুঠাৰাঘাত কৰা। সেয়েহে চৰকাৰে গণতান্ত্ৰিক অধিকাৰ মষিমূৰ কৰাৰ যিকোনো ধৰণৰ পদ্ধতি পৰিহাৰ কৰা বাঞ্চনীয়।



# ভূতৰ মুখত ৰাম নাম!

**বিজেপি টিকি থকাৰ আৰু নিৰ্বাচনত জিকাৰ একমাত্ৰ অস্ত্ৰ মুছলমান বিদ্বেষ, ধৰ্মীয় বিভাজনৰ মাধ্যমেৰে হিন্দুসকলক বিজেপিৰ পক্ষত ঐক্যবদ্ধ কৰা**



**দৃষ্টিপাত**
**অনন্ত কলিতা**

**ভাৰতৰ** ৰিজাৰ্ভ বেংকৰ প্ৰাক্তন গৱৰ্ণৰ বৰ্তমান ছিকাগো বিশ্ববিদ্যালয়ৰ অৰ্থনীতিৰ অধ্যাপক, বিখ্যাত অৰ্থনীতিবিদ ৰঘুৰাম ৰাজনে যোৱা ২১ এপ্ৰিলৰ (২০২২) দিনা এটা বিবৃতি প্ৰকাশ কৰি ৱাৰ্ণিং দিছিল যে মোদী চৰকাৰে যিধৰণে সংখ্যালঘুৰ বিৰুদ্ধে হিংসা, বিদ্বেষ, ঘৃণাৰ সৃষ্টি কৰিছে দেশৰ অৰ্থনীতিলৈ মাৰাত্মক বিপদ মাতি আনিব। তেওঁ এই মন্তব্যটো প্ৰকাশ কৰিছিল, যিদিনা ভাৰত চৰকাৰৰ পুলিচে জাহাংগীৰপুৰত বুলডজাৰেৰে বিশেষকৈ মুছলমান লোকসকলৰ ঘৰ-দুৱাৰ ভাঙি পেলাইছিল। ৰঘুৰাম ৰাজনে এইদৰে বিবৃতিটো সামৰণি মাৰিছিল, ''An 'anti-minority' image for the country can lead to loss of market for Indian products and may also result in foreign Governments perceiving the nation as an unreliable partner.'' এই কথাখিনি কৈ তেওঁ পৰ্যালোচনা কৰিছিল ভাৰত চৰকাৰে কেনেধৰণে নিজৰ দেশৰ অৰ্থনীতি ক্ষতিসাধন কৰিবলৈ গৈ আছে।

ৰঘুৰাম ৰাজনৰ ৱাৰ্ণিং আঢ়ৈমাহ পাছতে সত্যত পৰিণত হ'ল। বিজেপিয়ে মুছলমান বিৰোধিতা কৰিবলৈ গৈ বিজেপিৰ নেতাই হজৰত মহম্মদক লৈ যি নিকৃষ্ট মন্তব্য কৰিলে, মুছলমান বিশ্বই ভাৰতৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছে আৰু ভাৰতত উৎপাদিত সামগ্ৰীবোৰ বৰ্জন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অনেক দেশে তেওঁলোকৰ প্ৰতিষ্ঠানবোৰত ভাৰতীয় শ্ৰমিক-কৰ্মচাৰী নিয়োগ নিষিদ্ধ কৰিছে আৰু ইতিমধ্যে কৰ্মৰত শ্ৰমিক-কৰ্মচাৰীসকলক ছাটাই কৰি সেই দেশবোৰ পৰিত্যাগ কৰাৰ নিৰ্দেশ দিছে। যদি প্ৰকৃততে মুছলমান দেশবোৰে এই স্থিতি গ্ৰহণ কৰে ভাৰতৰ অৰ্থনীতিৰ বাবে মহা বিপৰ্যয় আহি পৰিব। দেশখনৰ ইতিমধ্যে ৫০ কোটি লোক কৰ্মহীন হৈ আছে আৰু ৭১ শতাংশ নাগৰিকে জীয়াই থাকিবলৈ তেওঁলোকৰ ন্যূনতম প্ৰয়োজনীয় খাদ্য যোগাৰ কৰিব নোৱাৰি অপুষ্টিত ভুগি মৃত্যুবৰণ কৰে। সেয়েহে মুছলমান বিশ্বই যদি তেওঁলোকৰ ঘোষণা কৰা সিদ্ধান্তবোৰ প্ৰত্যাহাৰ নকৰে ভাৰতৰ ৰপ্তানি খণ্ডৰ বহু লাখ উদ্যোগ বন্ধ হৈ যাব, বহু কোটি লোক নিবনুৱা হ'ব। বহু কোটি দক্ষ-অদক্ষ ভাৰতীয় শ্ৰমিক-কৰ্মচাৰী মুছলমান বিশ্বত বিশেষকৈ মধ্যপ্ৰাচ্যত কাম কৰে, তেওঁলোক দেশলৈ ঘূৰি আহি নিবনুৱাৰ দলত যোগ দিব লাগিব। তদুপৰি মুছলমান বিশ্বত কাম কৰা শ্ৰমিক-কৰ্মচাৰীয়ে ভাৰতলৈ বহু বিলিয়ন ডলাৰ প্ৰেৰণ কৰে। গতিকে মুছলমান বিশ্বৰ শ্ৰমিক-কৰ্মচাৰীসকল দেশলৈ ঘূৰি আহিলে এই বহু বিলিয়ন ডলাৰ বিদেশী মুদ্ৰা বছৰি ভাৰতে হেৰুৱাব। এই অৱস্থাই ভাৰতৰ বিদেশী মুদ্ৰা ভাণ্ডাৰৰ বৃহৎ ক্ষতি কৰিব। তদুপৰি ভাৰত খাৰুৱা তেলৰ বাবে আৰবীয়ান দেশবোৰৰ ওপৰত নিৰ্ভৰশীল। মুছলমান বিশ্বৰ Organisation of Islamic cooperation (OIC)ত ৫৭খন দেশ সংযোজিত হৈ আছে। তদুপৰি ছয়খন শক্তিশালী দেশৰ Gulf Cooperation Council আছে। গল্‌ফ কোপাৰেছন কাউন্সিলৰ লগত আমাৰ দেশৰ বাণিজ্যৰ পৰিমাণ ২০২১-২১ বিত্তীয় বৰ্ষত ৮৭ বিলিয়ন ডলাৰ আছিল। এই গাল্‌ফ কাউন্সিলৰ সভ্য হ'ল কুৱেট, কাটাৰ, ছৌদি আৰবীয়া, বাহৰেইন, ওমান আৰু ইউএই। ইউএইৰ লগত ভাৰতে অতি সম্প্ৰতি মুক্ত বাণিজ্যৰ চুক্তি কৰিছে। এই ছয়খন দেশৰ পৰা ভাৰতলৈ বহু বিলিয়ন ডলাৰ বিনিয়োগো আহে।

ইউএইৰ (United Arab Emirates) মুঠ জনসংখ্যাৰ এক-তৃতীয়াংশ ভাৰতীয় লোক অৰ্থাৎ ৩৪,২৫,১৪৪ জন (৩৪.৬ শতাংশ) লোক থাকে। ছৌদি আৰৱত ভাৰতীয় লোকৰ সংখ্যা ২৫,৯৪,৯৪৭ জন (৭.৫ শতাংশ), কুৱেটত ১০,২৯,৮৬১ জন (২৪.১ শতাংশ), ওমানত ৭,৮১,১৪১ জন (১৫.৩ শতাংশ), কাটাৰত ৭,৪৬,৫৫০ জন (২৫.৯ শতাংশ), বাহৰেইনত ৩,২৬,৬৫৮ জন (১৯.২ শতাংশ), জৰ্ডানত ২০,৭৬০ জন (০.২ শতাংশ), ইৰাকত ১৮,০০৭ জন (০.০৪ শতাংশ), লেবাননত ৮,৫৩৭ জন (০.১ শতাংশ)। ইউএই ভাৰতৰ তৃতীয় বৃহত্তম বিদেশী বাণিজ্যৰ দেশ। ২০১৯-২০ বিত্তীয় বৰ্ষত ইউএইলৈ ২৮,৮৫৩.৬ নিযুত ডলাৰ (ভাৰতৰ মুঠ ৰপ্তানিৰ ৯.২ শতাংশ) ছৌদি আৰবীয়ালৈ ৬,২৩৬.৯ নিযুত ডলাৰ, ওমানলৈ ২,২৬১.৮ নিযুত ডলাৰ, ইৰাকলৈ ১,৮৭৮.২ নিযুত ডলাৰ, কুৱেটলৈ ১,২৮৬.৬ নিযুত ডলাৰ, কাটাৰলৈ ১,২৬৮.৪ নিযুত ডলাৰ, জৰ্ডানলৈ ৯৬০.৭ নিযুত ডলাৰ, বাহৰেইনলৈ ৫৫৯.১ নিযুত ডলাৰ, লেবাননলৈ ২০৪ নিযুত ডলাৰৰ ভাৰতীয় সামগ্ৰী ৰপ্তানি হৈছিল। ভাৰতীয়সকলে গাল্‌ফ দেশবোৰত খুচুৰা বস্তুৰ মল আৰু বৃহৎ ৰেষ্টুৰেণ্ট, হোটেলৰ ব্যৱসায় কৰে। গাল্‌ফ দেশবোৰৰ লগত ভাৰতৰ বিমান পৰিবহণ কোম্পানীবোৰৰ ডাঙৰ ব্যৱসায়। ভাৰতলৈ মুঠ যিমান বিদেশী মুদ্ৰা আহে (Remittances) তাৰে আধা অংশ আহে পাঁচখন গাল্‌ফ দেশৰ পৰা। ভাৰতৰ প্ৰয়োজনীয় খাৰুৱা তেলৰ ৬০ শতাংশ ভাৰতে গাল্‌ফ দেশকেইখনৰ পৰা আমদানি কৰে। বাণিজ্যৰ উক্ত তথ্যখিনি ২০১৯-২০ বিত্তীয় বৰ্ষৰ। বৰ্তমান বছৰে বছৰে বৃদ্ধি হৈ আছে ৰপ্তানি বা বিদেশী বাণিজ্য গাল্‌ফ দেশবোৰৰ লগত। মুক্ত বাণিজ্যৰ চুক্তি চহী হোৱাৰ পাছত বাণিজ্য বিশেষজ্ঞসকলে কৈছে ইউএইৰ লগত ভাৰতৰ বাণিজ্য ১০০ বিলিয়ন ডলাৰলৈ বৃদ্ধি পাব।

ভাৰতৰ অৰ্থনীতি উক্ত ধৰণে গাল্‌ফ দেশবোৰৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ পাছত তথা ভাৰতৰ ইমান সংখ্যক মানুহক কৰ্মসংস্থান দিয়া দেশকেইখনে যদি ভাৰতক সকলো ক্ষেত্ৰতে বৰ্জন কৰে, ভাৰতৰ অৰ্থনীতিলৈ মহাসংকট আহি পৰিব। ইতিমধ্যেই ভাৰতৰ অৰ্থনীতিয়ে জনসাধাৰণৰ দুখ-যন্ত্ৰণা বৃদ্ধিৰ বাহিৰে হ্ৰাস কৰিব পৰা নাই আৰু যদি গাল্‌ফ দেশবোৰৰ লগত ব্যৱসায়- বাণিজ্য তথা প্ৰব্ৰজনৰে কৰ্মসংস্থান বন্ধ হয় ভাৰতৰ অৰ্থনীতি মাৰাত্মক সংকটৰ সন্মুখীন হ'ব আৰু নতুনকৈ বহু কোটি লোক দৰিদ্ৰপীড়িত হ'ব।

গাল্‌ফ দেশবোৰৰ বাহিৰেও ইণ্ডোনেছিয়া, মালয়েছিয়াকে ধৰি অনেক মুছলমান দেশৰ ভাৰতৰ লগত বাণিজ্যিক সম্বন্ধ আছে। গতিকে অকল গাল্‌ফ দেশবোৰেই নহয় সমস্ত মুছলিম দেশে ভাৰতৰ লগত সম্বন্ধ ছেদ কৰিব। নুপূৰ শৰ্মা আৰু নবীন জিন্দালে সংঘটিত কৰা ঘটনাটো বিজেপিৰ ক্ষেত্ৰত কোনো বিক্ষিপ্ত ঘটনা নহয়, সামগ্ৰিকভাৱে এওঁলোকে বিজেপিৰ আদৰ্শ-নীতি অনুসৰি হজৰত মহম্মদৰ বিৰুদ্ধে কথাবোৰ কৈছে। ২০১৪ত বিজেপি শাসন ক্ষমতা দখল কৰা দিন ধৰি অৰ্থাৎ ২০১৫ত দাদ্ৰি চহৰত গৰুৰ মাংস ঘৰত ৰখাৰ অভিযোগ আনি নিৰীহ মুছলমানধৰ্মী লোক মহম্মদ আখলাকক হত্যা কৰা দিন ধৰি সমস্ত দেশতে মুছলমান সাম্প্ৰদায়িক উত্তেজনা সৃষ্টি কৰি আহিছে বিভিন্ন অঞ্চলত। বিজেপি ক্ষমতাত থকাৰ যোৱা আঠ বছৰত এনেকুৱা ঘটনা ঘটা নাই যে হিন্দু ধৰ্মৰ বাহিৰে বিজেপিয়ে সকলো ধৰ্মকে সন্মান কৰে, আন ধৰ্মীয় ব্যক্তিক অৱমাননা মানি নলয় আৰু কোনো ধৰ্ম সম্পৰ্কে অমৰ্যাদাকৰ মন্তব্য কৰাৰ মতাদৰ্শক

> ডাঙৰ প্ৰশ্ন হৈছে যদিহে ৫৭খন মুছলমান দেশৰ বিশেষকৈ গাল্‌ফ দেশবোৰৰ বিশ্বাস ঘূৰাই আনিব নোৱাৰে বা প্ৰত্যয় নিয়াব নোৱাৰে বিজেপি চৰকাৰে ভাৰতৰ অৰ্থনীতিৰ প্ৰতি এক বিধ্বংসী সংকট লৈ আহিব আৰু জনসাধাৰণৰ বাবে অৱৰ্ণনীয় দুখ-যন্ত্ৰণা কঢ়িয়াই আনিব। বিজেপি চৰকাৰে সৃষ্টি কৰা পৰিকল্পিত আত্মঘাতী নীতিয়ে দেশখনৰ উন্নতিৰ বিপৰীতে ৰসাতললৈ লৈ যাব।

সমৰ্থন নকৰে। বিজেপিৰ মুখপাত্ৰ দুজনে হজৰত মহম্মদ সম্পৰ্কে অৱমাননাকৰ মন্তব্য কৰাৰ পাছত বিজেপিৰ কেন্দ্ৰীয় নেতৃত্ব তথা প্ৰধানমন্ত্ৰী চুপ থাকিছিল। এই অৱমাননাকৰ মন্তব্যৰ পাছত যেতিয়া মুছলিম দেশবোৰে প্ৰক্ৰিয়া প্ৰকাশ কৰিলে 'ভূতৰ মুখত ৰাম নাম' প্ৰকাশ পাবলৈ ধৰিলে। যোৱা আঠ বছৰে বিভিন্ন সময়ত বিভিন্ন ঠাইত প্ৰায় প্ৰতিদিনেই ইছলাম বিৰোধী, খ্ৰীষ্টান বিৰোধী অসহিষ্ণুতা, বিদ্বেষ, ঘৃণা, হিংসাৰ কুৎসিত বহিঃপ্ৰকাশ ঘটিছে। সংঘ পৰিয়ালে কোনো না কোনো সংগঠনৰ ছত্ৰছায়াত যিকোনো ধৰণৰ অজুহাতত নিয়মিত মুছলমান, খ্ৰীষ্টানৰ ওপৰত আক্ৰমণ কৰিছে বা সংঘৰ্ষৰ সৃষ্টি কৰিছে। মছজিদৰ ভিতৰত মন্দিৰ বিচাৰিছে। গো-হত্যা, গো-মাংসৰ অভিযোগ আনি মাৰ-পিট আৰু হত্যা কৰিছে। প্ৰতিনিয়ত চলিছে মুছলমান বিৰোধী ধৰ্মীয় জিগিৰ। এই ঘটনাবোৰত উত্তেজনা তৈয়াৰ হ'লে ঠেলি দিয়া হয় সংঘৰ্ষৰ দিশত। ইয়াৰ পাছত পুলিচে একতৰফাভাৱে ভূমিকা লয় মুছলমানসকলৰ বিৰুদ্ধে। এই ধৰণৰ ঘটনা প্ৰায়ে হৈ আছে বিজেপি শাসিত ৰাজ্যসমূহত। বিজেপি চৰকাৰ আৰু দলৰ মদতত ঘৃণাৰ প্ৰসাৰ ঘটিছে। গুৰুতৰ ঘটনা ঘটিলেও মন্ত্ৰীসকল নীৰৱ থাকে। হজৰত মহম্মদ সম্পৰ্কে অৱমাননাৰ মন্তব্য কৰাৰ পাছত গোষ্ঠী সংঘৰ্ষৰ পৰিস্থিতিৰ উদ্ভৱ হয়। পুলিচে যথাৰীতি শতাধিক মুছলমানক গ্ৰেপ্তাৰ কৰে। বিজেপিৰ কোনো স্তৰৰ নেতাই এই ঘটনাৰ বিৰোধিতা কৰা নাছিল বা নিন্দা কৰা নাছিল। ইছলামৰ অৱমাননাত মোদী-শ্বাহ আদিয়ে আদৰ্শগত ভুল বিচাৰি পোৱা নাই। এই অৱমাননাকৰ বক্তব্যৰ সাতদিন অতিক্ৰম কৰাৰ পাছতো কোনো ব্যৱস্থা গ্ৰহণ নকৰাত মুছলিম ৰাষ্ট্ৰবোৰ খং খাই উঠাত বাধ্য হৈ ধৰ্মনিৰপেক্ষতাৰ মুখা পিন্ধি দলৰ দুই কৰ্ম-কৰ্তাৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিলে। বস্তুতঃ বৈদেশিক নীতিগত আৰু ষ্ট্ৰেটেজিক প্ৰশ্নত ভাৰতৰ পক্ষে পশ্চিম এছিয়া অত্যন্ত গুৰুত্বপূৰ্ণ। অৰ্থনৈতিক বাহিৰেও এই অঞ্চলৰ বিৰূপ প্ৰতিক্ৰিয়া মোদী চৰকাৰৰ দুশ্চিন্তাৰ কাৰণ। সেয়ে সাতদিন পাছত মানৱিক, ধৰ্মনিৰপেক্ষ, সব ধৰ্মকে ভণ্ডামি কৰা হৈছে মুখপাত্ৰ দুজনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰি। ইয়াৰ দ্বাৰা বিজেপিৰ চৰিত্ৰৰ পৰিৱৰ্তন ঘটিবনে? বিজেপি টিকি থকাৰ আৰু নিৰ্বাচনত জিকাৰ একমাত্ৰ অস্ত্ৰ মুছলমান বিদ্বেষ, ধৰ্মীয় বিভাজনৰ মাধ্যমেৰে হিন্দুসকলক বিজেপিৰ পক্ষত ঐক্যবদ্ধ কৰা। যোৱা আঠ বছৰে নিৰলস সেই কামেই কৰি আহিছে বিজেপি। সন্দেহ নাই আগত দিনতো সেইটো নকৰিলে বিজেপি জীয়াই থাকিব নোৱাৰে।

এতিয়া ডাঙৰ প্ৰশ্ন হৈছে যদিহে ৫৭খন মুছলমান দেশৰ বিশেষকৈ গাল্‌ফ দেশবোৰৰ বিশ্বাস ঘূৰাই আনিব নোৱাৰে বা প্ৰত্যয় নিয়াব নোৱাৰে বিজেপি চৰকাৰে ভাৰতৰ অৰ্থনীতিৰ প্ৰতি এক বিধ্বংসী সংকট লৈ আহিব আৰু জনসাধাৰণৰ বাবে অৱৰ্ণনীয় দুখ-যন্ত্ৰণা কঢ়িয়াই আনিব। বিজেপি চৰকাৰে সৃষ্টি কৰা পৰিকল্পিত আত্মঘাতী নীতিয়ে দেশখনৰ উন্নতিৰ বিপৰীতে ৰসাতললৈ লৈ যাব। ইতিমধ্যে বিজেপি চৰকাৰৰ পুঁজিপতি স্বাৰ্থান্ধ অৰ্থনৈতিক নীতিয়ে দেশৰ অধিকাংশ লোকক দৰিদ্ৰত পৰিণত কৰিছে, গাল্‌ফ দেশবোৰৰ বা মুছলমান দেশবোৰৰ লগত সম্পৰ্ক ছেদ হ'লে দেশখন দুৰ্ভিক্ষৰ গ্ৰাসত নপৰিলে ৰক্ষা।

*ফোন ঃ ৯৪৩৫০৪১২০৩*

## খোলা মঞ্চ

# এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



**বিহু** অসমীয়াৰ বাপতি সাহোন। বিহুৱে হাঁহিবলৈ শিকায়, বিহুৱে সমন্বয়ৰ বাৰ্তা কঢ়িয়াই আনে। বিহুৱে শ্ৰদ্ধা-ভক্তিৰ কথা শিকায়। অসমীয়া সভ্যতা-সংস্কৃতিত বিহু তিনিটা। ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহু। এই কথা প্ৰতিগৰাকী অসমীয়াই ভালদৰে জানে। বিহু কৃষিজীৱী মানুহৰ আনন্দ-উল্লাস। বিহুৱে কৃষিৰ কথা কয়। শইচৰ পথাৰ উৰ্বৰ কৰে বিহুৱে। বিহুৱে শ্ৰমৰ কথা শিকায়। নতুনত্বৰ সেউজীয়া বাগিচা পাতে। বিহুৰ লগত অসমীয়া সনাতন সংস্কৃতি বিৰাজমান হৈ আছে। অসমীয়া সমাজ-সভ্যতাত বিহু অবিচ্ছেদ্য। কথা হ'ল তাহানিৰ বিহু আৰু আজিৰ বিহু বহু ক্ষেত্ৰত ফলাবাঁহ সদৃশ। তাহানিৰ বিহুৰ ঐতিহ্য যেন আজিৰ বিহুৱে ধৰি ৰখাত কিছু কিছু ক্ষেত্ৰত ব্যৰ্থ হৈছে। বিহুৰ পৰম্পৰাও বহু ক্ষেত্ৰত ব্যৰ্থ হৈছে। আজি বহু সংখ্যকেই গৰু বিহু, মানুহ বিহু, কাতি বিহু, মাঘ বিহুকেই নাজানে। সেই বাবেই বহু সংখ্যক বিহুথলীত উচ্ছৃংখল হোৱা দেখা যায়। একাংশই আকৌ বিহু বুলিলে প্ৰেম পিৰীতি বুলিহে ভাবে, ৰোমাণ্টিকতা বুলি ভাবে। বিহুৰ তাৎপৰ্য বহু সংখ্যক বিহু উৎসৱৰ আয়োজকসকলেও নাজানে। সেয়ে আজিৰ বিহু প্ৰতিযোগীমুখী হৈছে, ধনলোভী হৈছে। আজিৰ বিহু মানে মদাহীৰ মাতাল নৃত্য। বিহু মূলতঃ গ্ৰাম্য জীৱনৰ অপূৰ্ব সংস্কৃতি। কেৱল নাচ গানেৰে বিহুক ধৰি ৰাখিব নোৱাৰি। কথাতে কয় বাৰিষাৰ বোকা কৃষকৰ বাবে সোণৰ নিচিনা, ঠিক তেনেদৰে বাৰিষা বৰষুণো কৃষকৰ বাবে পণীয়া সোণৰ নিচিনা। কাৰণ বাৰিষাৰ বোকাতে কৃষকে ভৱিষ্যতৰ সপোন দেখে। বাৰিষাৰ কৃষি পথাৰত বোকা-পানীৰ স'তে কৃষকে বন্ধুত্ব গঢ়ি তোলে। আহাৰ-শাওণ মাহৰ ভৰ দুপৰীয়াৰ প্ৰখৰ ৰ'দেও কৃষকক আমনি কৰিব নোৱাৰে। কাৰণ কৃষকক জীপাল দিয়ে বোকাপানীয়ে। নৈৰ পাৰৰ আঁহতজুপিৰ তলত জিৰণি লৈ শ্ৰমজীৱী কৃষকে নতুন জীৱন লাভ কৰে। কিন্তু কথা হ'ল— এচাম ধুৰন্ধৰে দোভাগ নিশা বিহুথলীত বোকা-পানীত লুতুৰি-পুতুৰি হোৱাৰ কিবা অৰ্থ আছেনে? সেইসকলৰ যদি বোকা পানীৰ স'তে ধেমালি কৰাৰ মন আছে তেনেহ'লে আহাৰ, শাওণ মাহৰ বা বাৰিষাৰ পথাৰলৈ আহক। সেইসকলক ময়ে লাগিলে বোকা-পানীৰ স'তে কেনেদৰে ধেমালি বা আনন্দ কৰিব লাগে শিকাম। বিহুৱে মদাহীৰ উদ্ভণ্ডালি চাব নিবিচাৰে; কিন্তু আজিৰ বহু সংখ্যক বিহু থলীত মদাহীৰ উপদ্ৰৱ বাঢ়ি আহিছে। সেই সকলে বিহু সংস্কৃতিক অপসংস্কৃতিলৈ ৰূপান্তৰ ঘটাব বিচাৰিছে। ঠিক তেনেদৰে বহু শিল্পীয়েও বিহুক অপসংস্কৃতিলৈ ধাৱমান কৰাব বিচাৰিছে। বহু শিল্পীয়ে কেৱল ধনৰ লালসাতহে বিহু মঞ্চত গান গায়। বহু শিল্পীয়ে আকৌ সুৰাৰ ৰাগিত মাতাল হৈও মঞ্চত গীত পৰিৱেশন কৰি সংস্কৃতিক অপসংস্কৃতিলৈ ধাৱমান কৰিছে। আজিৰ বিহুৰ বহুক্ষেত্ৰত প্ৰসাধনৰ ওপৰত নিৰ্ভৰশীল। আমাৰ সূক্ষ্ম ধাৰণা মতে মঞ্চ বিহু মানে ৰাতি বিহু বা সাংস্কৃতিক সন্ধিয়া। কথা হ'ল দিনৰ পোহৰে বিচাৰে কৰ্ম সংস্কৃতি আৰু নিশাই বিচাৰে বিশ্ৰাম। তেনেহ'লে ৰাতি বিহুৰ প্ৰয়োজন কি? নিশা উজাগৰে পাৰ কৰি চকু যুৰিক কষ্ট দিয়া হোৱা নাই নে। টোপনি ক্ষতিৰ ফলত যে বহু বেমাৰে প্ৰশ্ৰয় লয় তাক জানেনে? বহু শিল্পীয়ে ৰাতি বিহুত গীত পৰিবেশন কৰি অকালতে প্ৰাণ হেৰুৱাইছে। বহু শিল্পীৰ গাড়ী দুৰ্ঘটনাত পতিত হৈ অকাল মৃত্যুক সাৱটি লৈছে। মুঠৰ ওপৰত দিনৰ বিহু আৰু ৰাতিৰ বিহুৰ মাজত বহু প্ৰভেদ দেখা যায়। ৰাতি বিহু বহু ক্ষেত্ৰত ক্ষতিকাৰক। সেয়েহে ক'ব বিচাৰো যে বিহুৰ ঐতিহ্য ৰক্ষা কৰিবলৈ হ'লে ধন লালসা পৰিহাৰ কৰি সংস্কৃতিক জীয়াই ৰখাৰ স্বাৰ্থত প্ৰতিগৰাকী হৃদয়বান অসমীয়া কৃষি পথাৰলৈ গৈ, নৈৰ পাৰৰ আঁহতজুপিৰ তলত দিনৰ পোহৰত বিহু উপভোগ কৰো আহক।

**দিলীপ বৰ্মন, লেখক**
*ফোন ঃ ৯১০১৭৫৮০১৫*

# আমগুৰিৰ সৌৰশক্তি প্ৰকল্পৰ সন্দৰ্ভত

**অভিমত**

**শিৱসাগৰ** জিলাৰ আমগুৰিত ৩৪৪ কোটি টকা ব্যয় সাপেক্ষে ৩৪০ একৰ ভূমিত প্ৰতিষ্ঠা কৰা সৌৰ শক্তিৰে ৭০ মেগাৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্যৰে এক জুনত অসমৰ মুখ্যমন্ত্ৰীয়ে শুভ উদ্বোধন কৰোতে অসমত বিদ্যুতৰ বিষয়ে বহু কথা ক'লে। এই প্ৰকল্পটো অসম চুক্তিৰ ফচল বুলি কোনোবাই কৈছিল যিটো নেকি সত্য নহয়। অসম চুক্তিৰ আধাৰত আমগুৰিত প্ৰথম গেছ ভিত্তিক বিদ্যুৎ প্ৰকল্পহে আৰম্ভ হৈছিল। সদৌ অসম ছাত্ৰ সন্থা আৰু ভাৰত চৰকাৰৰ মাজত সম্পাদিত হোৱা চুক্তিমতে প্ৰথম আৰম্ভ হৈছিল আমগুৰিত গেছ ভিত্তিক বিদ্যুৎ প্ৰজেক্ট ১৯৮৭ চনত। মুঠ ব্যয়ৰ হিচাপটো অৱশ্যে পাহৰিলো। ভাৰত চৰকাৰৰ পৰা অনুমোদন পোৱাৰ পাছত অতি খৰতকীয়াকৈ কাম আৰম্ভ হৈছিল। আৰু সময়ত সম্পূৰ্ণ হোৱাহেঁতেন অসমত বিদ্যুতৰ নাটনি বহুদূৰ হ্ৰাস হ'লহেঁতেন। লগতে আমগুৰি অঞ্চলৰ বহুত নিবনুৱাই কৰ্মসংস্থাপন পালেহেঁতেন। কিন্তু সেয়া হৈ নুঠিল ৰাজনীতিৰ ষড়যন্ত্ৰৰ কাৰণে যিটো নেকি অতি দুৰ্ভাগ্যজনক।

আমগুৰি গেছ ভিত্তিক প্ৰজেক্টটো দুটা খণ্ডত বিভক্ত আছিল। প্ৰথম খণ্ডত আছিল ৮X৩০=২৪০ মেগাৱাট গেছ টাৰবাইন আৰু দ্বিতীয় খণ্ডত আছিল ৪X৩০=১২০ মেগাৱাট ষ্টীম টাৰবাইন, সৰ্বমুঠ ৩৬০ মেগাৱাটৰ লক্ষ্য আছিল।

প্ৰাৰম্ভিক কাম দ্ৰুতগতিত আগবঢ়াই নিয়াৰ বাবে ভূমি অধিগ্ৰহণ আৰু ভূমিৰ মালিকক উচিত ক্ষতিপূৰণ দিয়াৰ কাৰণে অসম চৰকাৰৰ এ চি এছ বিষয়া মুহিৰাম বৰাক অসম বিদ্যুৎ পৰিষদলৈ ভূমি অধিগ্ৰহণ বিষয়া হিচাপে ডেপুটেশ্বনত আনিছিল আৰু আমি দুয়ো একেটা কোঠাতে বহুদিন বহাৰ কাৰণে তেওঁৰ পৰা বহু কথা গম পাইছিলো। ভূমি অধিগ্ৰহণ বিষয়া (Land Acquisition Officer) মুহিৰাম বৰা এগৰাকী দক্ষ বিষয়া আছিল। তেওঁৰ তত্বাৱধানতে ৯৬২ বিঘা ভূমি অধিগ্ৰহণ কৰাৰ উপৰি ক্ষতিগ্ৰস্ত ১২৫ টা পৰিয়ালক পুনৰ সংস্থাপন দিছিল। ভূমি অধিগ্ৰহণৰ ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপনৰ নামত কিমান কোটি ব্যয় হ'ল সেই হিচাপটোহে আমি নাজানো। তদুপৰি আমগুৰিত বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ বাসগৃহ নিৰ্মাণ কৰাৰ উপৰি কেবাবছৰো কাৰ্যনিৰ্বাহ কৰিছিল। অসম বিদ্যুৎ পৰিষদৰ সেই ব্যয়ো অথলে গ'ল। আমগুৰিত গেছ ভিত্তিক বিদ্যুৎ উৎপাদনৰ প্ৰজেক্টৰ কাম দ্ৰুতগতিত আগবঢ়া সত্বেও হঠাৎ কিয় বন্ধ হ'ল সেই ৰহস্য হৈছে তেতিয়াৰ অসম গণ পৰিষদ চৰকাৰৰ ৰাজনীতিৰ ষড়যন্ত্ৰ। সেই ৰহস্যৰ তথ্য ভূমি অধিগ্ৰহণ বিষয়া মুহিৰাম বৰাৰ স্মৃতিত আছেনে নাই নাজানো। অসম বিদ্যুৎ পৰিষদৰ পৰা তেওঁ নাজিৰা মহকুমাৰ মহকুমাধিপতি হিচাপে বদলি হৈছিল আৰু তাৰ পাছত শিক্ষা বিভাগৰ ডেপুটী চেক্ৰেটাৰী আৰু বৰ্তমান বেলতলাৰ স্থায়ী নিবাসী। তথ্যপাতিসমূহ মজুত নথকাৰ কাৰণে বহু কথা পাহৰিছো আৰু আমাৰো বহু কথা মনত নাই যদিও থূলমূলকৈ কিছু মনত আছে। অসমবাসী জনতাৰ স্বাৰ্থতকৈ ৰাজনৈতিক দলৰ নেতাৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিয়াৰ কাৰণে অসমবাসীয়ে বহুত হেৰুৱাব লগা হৈছে।

আশ্চৰ্যৰ বিষয় যে, যি ছাত্ৰ সন্থাৰ চুক্তিৰ আধাৰত আমগুৰি গেছ ভিত্তিক বিদ্যুৎ উৎপাদনৰ প্ৰকল্প আৰম্ভ হৈ আধাবাটতে বন্ধ হোৱাত ছাত্ৰ সন্থা কিয় নীৰৱে থাকিল সিয়ো এক প্ৰশ্ন। এই ক্ষেত্ৰত আমগুৰিত এটা সঁজাতী দলে অসম বিদ্যুৎ পৰিষদৰ চেয়াৰমেনক লগ ধৰি এখন মেম'ৰেণ্ডাম দিবলৈ আহোতে আমাক লগ ধৰি কিবা কৈছিল। কিন্তু সেইবোৰ এতিয়া পাহৰিলো। এতিয়া আমগুৰি সৌৰশক্তি প্ৰকল্পক লৈয়ো দিছপুৰত অসন্তুষ্টি হোৱাৰ বাতৰি একাংশ সংবাদ মাধ্যমত ওলাইছে। প্ৰকাশিত বাতৰিমতে অসম বিদ্যুৎ বিতৰণ কোম্পানী (APDCL) ৰ এই প্ৰকল্পত কোনো কৰ্তৃত্ব নাথাকিব হেনো। এই প্ৰকল্পৰ পৰা উৎপাদিত বিদ্যুৎ ২৫ বছৰলৈ প্ৰতি ইউনিটত ৩ টকা দৰত ক্ৰয় কৰিব লাগিব এপিডিচিএলে। অথচ অসম চুক্তিৰ ফচল হিচাপে এই প্ৰকল্প হোৱা বুলি জাহিৰ কৰিছে অসম চৰকাৰৰ কোনোবা নেতাই। এতিয়া কথা হৈছে— এই প্ৰকল্পৰ পৰা উৎপাদিত বিদ্যুৎ ক'ত, কাক বিক্ৰী কৰিব? অসমৰ বিদ্যুতৰ নাটনি পূৰণ কৰিবলৈ অসমত প্ৰতিষ্ঠা কৰা প্ৰকল্পই অসমতে বিক্ৰী কৰাৰ যি ফন্দি পাতিছে তাৰ ফলত অসমৰ বিদ্যুৎ গ্ৰাহকক ৰামটাঙোন মৰাৰ দিহা কৰা যেনহে লাগিছে। আমগুৰি গেছ ভিত্তিক বিদ্যুৎ উৎপাদন প্ৰকল্পৰ কোটি টকা পানীত পৰাৰ দৰে সৌৰশক্তি প্ৰকল্পৰো ৩৪৪ কোটি টকা আৰু ১২০ একৰ ভূমি অধিগ্ৰহণৰ ব্যয় অথলে যায় নেকি সেইটোহে লক্ষ্যণীয় হ'ব।

**গগন চেতিয়া**
ৰাজগড়, গুৱাহাটী
দূৰভাষ ঃ ৯৭০৭৬-৯৮২২৪



# বানপানী আৰু আমাৰ ভৱিষ্যৎ

**অসমৰ** বানপানী অসমৰ স্থায়ী সমস্যা হোৱা বুলি ক'ব পৰা যায়। দেশ স্বাধীন হোৱাৰ পাছৰ পৰাই বানপানী সমস্যাৰ আৰম্ভণি আৰু আজি ৭৫ বছৰেই ইয়াৰ সমাধান নহ'ল। সমস্যা জীয়াই থকাটো বা ৰখাটোৱে যেনিবা বিশেষত্ব। আজিলৈ বানপানীৰ লগত হোৱা খৰচ বানপানীত উটি গ'ল বুলিয়ে ক'ব পাৰি। সময়ৰ কাম সময়ত হৈ নুঠা বা নকৰা আৰু আমাৰ ঠিকাদাৰী ব্যৱস্থাৰে কৰা কামত খৰচ হয় বেছি, মান হয় নিম্ন। আজিলৈ বৈজ্ঞানিক ব্যৱস্থা কামত প্ৰয়োগ কৰা নোহোৱাটোও কাম নিষ্ফল হোৱাৰ ধাৰাবাহিক প্ৰক্ৰিয়া যেন হৈছে। বৰ্তমানলৈ মথাউৰিবোৰৰ কামৰ নিম্নমানে বানপানী প্ৰতিৰোধৰ ক্ষমতাপন্ন ব্যৱস্থাটো নহয়েই, বানপানীৰ সৃষ্টিৰ ইন্ধন হোৱাটোহে সত্য বুলি ভাবিব পাৰি। গণতান্ত্ৰিক দেশত বাধাহীন ধনৰ অপচয় হোৱাটো বা কৰাটোহে যেন গণতান্ত্ৰিক দেশৰ বিশেষত্ব। সেই কাৰণতে গণতন্ত্ৰক অপচয়তন্ত্ৰ আখ্যা দিব পাৰি।

আজি আমি পানী জমা থকা খাল, বিল, পুখুৰী আৰু বিশাল জলাশয়বোৰ আমাৰ স্বাৰ্থৰ কাৰণে পুতি পেলালো। পানী ওলাই যোৱা নলা, জান, জুৰিবোৰ বন্ধ কৰি আমি বাসগৃহ আৰু আমাৰ অহা-যোৱা পথ নিৰ্মাণ কৰিলো। নলা-নৰ্দমা, জান-জুৰি বন্ধ কৰি পানীৰ বাট মাৰিলো, বিপৰীতে আমাৰ অহা-যোৱাৰ অপৰিকল্পিতভাৱে ৰাস্তা-ঘাট সাজি বাস কৰিবলৈ অট্টালিকা সাজিলো। তেন্তে পানী জমা হৈ থকা স্থানবোৰ আৰু পানী ওলাই যোৱা উৎসবোৰ আমিয়ে নিৰ্মূল কৰিবলৈ লোৱা বাবে, প্ৰকৃতিক ৰোধ কৰি, বানপানী সৃষ্টিৰ অন্যতম প্ৰধান কাৰণ আৰু কৰ্তা নহ'লো জানো? গতিকে আমাৰ দেশৰ বানপানী আমাৰ দেশৰ মানুহৰ সৃষ্টি বুলি বিশ্বাসত ল'ব পাৰি। প্ৰকৃতিক জয় কৰা মানুহ সৰ্বশক্তিমান প্ৰাণী। আজিলৈ আমাৰ দেশৰ বানপানীয়ে মানুহ, জীৱ-জন্তু, ঘৰ-দুৱাৰ, কৃষি পথাৰৰ ক্ষতি কৰাৰ উপৰি ৰাজভঁৰালৰ ধন অপচয় হোৱাৰ ধাৰাবাহিকতা অব্যাহত থাকিল।

**কেশৱ শৰ্মা**
*ফোন ঃ ৯৪০১৮৭৯৪০৮*

# প্ৰধানমন্ত্ৰী মোদী আৰু অসমৰ মুখ্যমন্ত্ৰীলৈ এখন চিঠি

**খবৰ** কাকতত পঢ়িবলৈ পালো—'মোৰ দৃঢ়বিশ্বাস যে উত্তৰ পূবক দেশৰ অন্যান্য উন্নত ৰাজ্যৰ শাৰীলৈ আনিবলৈ সক্ষম হ'ম'—নৰেন্দ্ৰ মোদী। আকৌ পঢ়িবলৈ পালো—২০১৪-২০২২ৰ ৰূপান্তৰকাৰী পৰিৱৰ্তনৰ কথা আৰু গৌৰৱময় বৰ্ষসমূহৰ কথা। মোদী চৰকাৰে কাৰ্বি আংলং আৰু বড়োলেণ্ডৰ স্থায়ী শান্তিৰ কথা কৈছে, যিটো সকলোৱে ক্ষেত্ৰত ধন্যবাদৰ পাত্ৰ হিচাপে চিহ্নিত হৈছে। বৃহৎ সেতুৰ কথা কোৱা হৈছে, ৰেল পৰিবহণ, বিমান চলাচল, স্বাস্থ্য সেৱা, শক্তি খণ্ডৰ উন্নয়ন আৰু উদ্যোগৰ ক্ষেত্ৰত নতুন পদক্ষেপৰ কথা কোৱা হৈছে। এইখিনিলৈকে ঠিকেই আছে। দেশৰ উন্নয়ন হ'লে দেশৰ জনতাৰো উন্নতিৰ কথাকেই সূচায়। যি নহওঁক, কেইদিনমানৰ আগতে মোৰ বন্ধু এজনে বজাৰতে লগ পাই ক'লে— 'হেৰা, আমি সমাজৰ মাজৰ মানুহখিনিয়ে বৰ কষ্টত জীৱন নিৰ্বাহ কৰিব লগা হৈছে। এফালে টকাৰ মূল্য হ্ৰাস হৈছে আৰু আনফালে আমাৰ দৈনন্দিন খাদ্যসমূহৰ মূল্যবৃদ্ধিয়ে কোঙা কৰি পেলাইছে। চাউল, মিঠাতেল, ৰিফাইন, আলু-পিঁয়াজ, মাছ-মাংস, কণী তথা লফ-বিস্কুট, দাইলৰ দামে মাহটোৰ খৰচৰ সীমা অতিক্ৰম কৰিছে। দেখিবলৈ পাইছো অসমৰ জনতাই কাক লৈ আন্দোলন কৰিবলৈ ৰাস্তালৈ ওলাই আহিব পাৰে, কিন্তু খাদ্য সামগ্ৰীৰ মূল্যবৃদ্ধিক লৈ আন্দোলন কৰিব নোৱাৰে। এয়া পৰিতাপৰ বিষয়। সকলোৱেই জনা উচিত খাদ্য সামগ্ৰীৰ মূল্য হ্ৰাস হ'লে দেশৰ চহকী, মধ্যবিত্ত তথা দুখীয়া শ্ৰেণীৰ লোকেও কম মূল্যতেই খাদ্য ক্ৰয় কৰাৰ সুবিধা পাব।' কথাৰ মাজতে মই ক'লো— বন্ধু ৰাজ্যত দালাল ৰাজৰ অন্ত কৰিব পাৰিলেহে খাদ্যৰ মূল্য কমিব। অন্যথা তাৰ বিকল্প নাই। দালালৰ কাৰণেই পিঁয়াজ, আলু, শাক-পাচলি, চাউল, দাইল, মাছ-মাংস, কণীৰ দাম দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে, কিন্তু এই ক্ষেত্ৰত চৰকাৰৰ কাণসাৰ নাই। বেপাৰীক দাম বঢ়াৰ ক্ষেত্ৰত সুধিলে কয়— হোলচেল মাৰ্কেটত দাম বাঢ়িলে আমাৰ সামগ্ৰীৰ দামো বাঢ়িব। বেছি দামত বস্তু ক্ৰয় কৰি আনি কম দামত আমি কেনেকৈ বিক্ৰী কৰিম? এটা লাউ, কোমোৰা হোলচেল বজাৰৰ পৰা কিনি আমি গ্ৰাহকে বিচৰা মতে ৩০ টকাত বিক্ৰী কৰিলে লোকচান হ'ব আৰু বেপাৰত লোকচান হোৱা মানেই আমি দোকান বন্ধ কৰি পেটত গামোচা বান্ধি জীৱন অতিবাহিত কৰিব লাগিব।' অৱশ্যে বেপাৰীৰ কথাৰ সত্যতা নুই কৰিব নোৱাৰি।

মনতে ভাবিলো, দেশৰ উন্নতিৰ কথা নুই কৰিব নোৱাৰি, কাৰণ আমাক ব্ৰহ্মপুত্ৰৰ ওপৰত দলং লাগে, ৰেল পৰিবহণ ব্যৱস্থা উন্নত হ'ব লাগে, উন্নত চিকিৎসা লাগে, দেশৰ শক্তি খণ্ডৰ সামৰ্থ বৃদ্ধি হ'ব লাগে; কিন্তু দেশৰ একশ্ৰেণী মানুহৰ মাজত দেখা দিয়া আৰ্থিক সংকট আমাক নালাগে। চৰকাৰে দেশৰ উন্নয়নৰ কাৰণে সকলো কৰক; কিন্তু ৰাজ্যৰ জনতাৰ খাদ্য সংকটৰ কথা প্ৰথমেই চিন্তা কৰা প্ৰয়োজন। কাৰণ দুৰ্ভিক্ষ হ'লে জনতাই জানো সেই চৰকাৰৰ উন্নয়নৰ কামত সমৰ্থন দিব? বহুতেই হয়তো ক'ব—চৰকাৰে নিৰ্মাণ কৰা দলঙেৰে ব্ৰহ্মপুত্ৰ হ'লে পাৰ নহওঁ, চৰকাৰে আমাক খাদ্যৰ অভাৱ ঘটাই বেমাৰত পৰিলে চৰকাৰী চিকিৎসালয়লৈ নগৈ বেমাৰতে মৃত্যুক সাৱটি ল'ম। আমাৰ মাজত খাদ্যৰ অভাৱ ঘটিলে আমাৰ শৰীৰত আকাশী পথেৰে বা ৰেল পথেৰে যাত্ৰা কৰাৰ শক্তি নাথাকিব। আকৌ অসমৰ নামনিৰ ভুক্তভোগী জনতাই ক'ব— দেহা থাকিলেহে বেহা। অনাহাৰত থাকি ধলা-শদিয়া সেতু চোৱাৰ প্ৰয়োজন নাই। আকৌ অন্য এচাম মানুহে ক'ব—অনাহাৰত দিন কটাই ধুবুৰী-ফুলবাৰী দলং চালে আমাৰ পেট নভৰে। সেয়ে ক'বলৈ বিচাৰিছো— চৰকাৰে দেশৰ জনসাধাৰণক জীয়াই থকাৰ বাবে সকলো খাদ্য সামগ্ৰীৰ দাম কমাওক আৰু দালালৰাজৰ পৰা খাদ্য সামগ্ৰীসমূহ আঁতৰত ৰখাৰ ব্যৱস্থা কৰক। অন্যথা অসমৰ সাধাৰণ জনতাই সময়ত উচিত ব্যৱস্থা ল'ব।' কাৰণ ৰাজ্যত কমিচনৰাজ বন্ধ কৰিব নোৱাৰিলে খাদ্য সামগ্ৰীৰ মূল্য অধিক বৃদ্ধি হোৱাৰ লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰীজনো সকলোৰে হাঁহিয়াতৰ পাত্ৰ হ'ব। আজিৰ যুগত সকলোৱেই জানে, ৰাজ্যৰ উন্নয়নৰ কামসমূহ জনতাৰ টকাৰেই গঢ় লৈ উঠিছে আৰু সেইবোৰ টকাকেই আমি কওঁ চৰকাৰী টকা। গতিকে ৰাজ্যৰ মন্ত্ৰীসকলে বস্তুৰ দাম কমাব নোৱাৰাতো অতি পৰিতাপৰ বিষয়।

**ৰাজীৱ আহমেদ, গুৱাহাটী**
*ফোন ঃ ৯৮৬৪১৩২৪৮২*

# উপাচাৰ্যৰ নিযুক্তি ৰাজ্যপালে কৰিব নে চৰকাৰে?

**বিশ্ববিদ্যালয়সমূহৰ** উপাচাৰ্য সকলক ৰাজ্যপালে নিযুক্তি দিয়াৰ যি পুৰণি নিয়ম আছে তাৰ সংশোধনী ঘটাই তামিলনাডু চৰকাৰে অলপতে এখন বিধেয়ক বিধানসভাত অনুমোদন কৰিছে। প্ৰকৃতপক্ষে ইয়াৰ যুক্তিযুক্ততাও আছে। কাৰণ উপাচাৰ্যসকলক প্ৰকৃতপক্ষে ৰাজ্য চৰকাৰেই বাছনি কৰি ৰাজ্যপালৰ অনুমোদন লয়। ই হ'ল পৰোক্ষ ব্যৱস্থা। তাকে নকৰি তামিলনাডু চৰকাৰে তাক 'প্ৰত্যক্ষ ব্যৱস্থা' কৰিব খুজিছে। বাহিৰৰ পৰা অহা ৰাজ্যপালসকলে সংশ্লিষ্ট ৰাজ্যৰ বিশিষ্ট শিক্ষাবিদ প্ৰশাসনীয় বিষয়া তথা কোনজন ব্যক্তিক উক্ত পদবীৰ কাৰণে বাছনি কৰিব সেই বিষয়ে তদন্ত হোৱাটো স্বাভাৱিক। তাৰ বিপৰীতে সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ মুৰব্বীসকলে নিজৰ ৰাজ্যৰ বিশিষ্ট আৰু সুদক্ষ ব্যক্তিসকলক সহজেই চিনি পায়। ৰাজ্যপালে উপাচাৰ্য নিযুক্তিৰ বাবে বাছনি কমিটী পাতি দিয়ে, ৰাজ্য চৰকাৰে কেবিনেট সভাতে সেই কাম কৰিব পাৰে। পূৰ্বৰ পৰা চলি থকা ব্যৱস্থা এটা সৰলীকৰণ কৰি ৰাজ্য পালৰ পৰিৱৰ্তে উপাচাৰ্যসকলক ৰাজ্য চৰকাৰে পোনপটীয়াভাৱে নিযুক্তি দিব পাৰে। এনে ব্যৱস্থাত সংশ্লিষ্ট ব্যক্তিৰ দুৰ্নীতি দুষ্কৰ্ম ইত্যাদিৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে পোনপটীয়াভাৱে ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। এনে বিষয়বোৰত ৰাজ্যপালৰ পৰিৱৰ্তে ৰাজ্য চৰকাৰহে অধিক দায়বদ্ধ হোৱা উচিত। এনে ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহেহে প্ৰত্যক্ষভাৱে এই নিযুক্তিসমূহ দিয়া উচিত বুলি ভাবো। এই ক্ষেত্ৰত তামিলনাডু চৰকাৰে উচিত সিদ্ধান্ত লোৱা বুলি আমাৰ ধাৰণা হৈছে। প্ৰসংগক্ৰমে অসমৰ লোক সেৱা আয়োগৰ অধ্যক্ষগৰাকীকো ৰাজ্যপালৰ পৰিৱৰ্তে ৰাজ্য চৰকাৰে পোনপটীয়াভাৱে নিযুক্ত দিয়া দৰকাৰ। তেওঁ যদি দুৰ্নীতি কৰে, বা কৰ্মত অৱহেলা কৰে তেন্তে তেওঁক যাতে অপসাৰণ কৰিব পাৰি তাৰো ক্ষিপ্ৰ ব্যৱস্থা থকা দৰকাৰ। সহজ আৰু চিধা কামবোৰ জেলেপিৰ পাকৰ দৰে কৰাৰ কোনো অৰ্থ নাই বুলি ভাবো।

**গুণেশ্বৰ কৈৱৰ্ত,** *ফোন ঃ ৭৮৯৬৯২৫৩৮৮*

## দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা ৮,৫৮২ জনলৈ বৃদ্ধি, চাৰিজনৰ মৃত্যু



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ জুন ঃ** দেশত উদ্বেগ বৃদ্ধি কৰিছে ক্ৰমবৰ্ধমান ক'ভিড-১৯ৰ সংক্ৰমণে। বিগত ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ৮,৫৮২ জন লোক। ফলত এই মুহূৰ্তত দেশত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা ৪৪,৫১৩ জনলৈ বৃদ্ধি পালে। শনিবাৰৰ তুলনাত দেওবাৰে দৈনিক সংক্ৰমণ সামান্য বৃদ্ধি পালে। কালি দেশত ৮,৩২৯ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। ইফালে, বিগত ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ক'ভিডে প্ৰাণ কাঢ়িলে চাৰিজন লোকৰ। বৰ্তমানলৈকে ভাৰতত ৫,২৪,৭৬১ জন লোকৰ ক'ভিডত মৃত্যু হ'ল।

## চকুৰ পতা লৰচৰ নকৰে, পক্ষাঘাতত আক্ৰান্ত পপতাৰকা জাষ্টিন বিবাৰ



**নিউজ ব্যুৰ', লছ এঞ্জেলছ, ১২ জুন ঃ** 'মুখৰ এফালেদি হাঁহিব নোৱাৰি। এটা দিশ সম্পূৰ্ণ অৱশ হৈ গৈছে।' সামাজিক মাধ্যমত ভিডিঅ' পʼষ্ট কৰি এনে এক বেয়া খবৰ অনুৰাগীক দিলে জনপ্ৰিয় মাৰ্কিন পপতাৰকা জাষ্টিন বিবাৰে। বিশ্বখ্যাত গায়কজন সম্প্ৰতি ৰামছে হাণ্ট ছিণ্ড্ৰ'মত আক্ৰান্ত হৈছে। বিবাৰৰ মুখৰ এটা অংশত পক্ষাঘাতে দেখা দিছে। টৰণ্টোত নিজৰ সংগীতানুষ্ঠানৰ কেইঘণ্টামান পূৰ্বে এই উদ্বেগজনক খবৰটো প্ৰকাশ কৰিলে পপতাৰকাজনে। ২৮ বছৰীয়া বিবাৰে লগতে ঘোষণা কৰি কয় যে সম্পূৰ্ণকৈ সুস্থ নোহোৱালৈকে তেওঁ সকলো সংগীতানুষ্ঠান স্থগিত ৰাখিছে। টৰণ্টোৰ লগতে ৱাশ্বিংটন ডিচি আৰু অন্যান্য অঞ্চলতো বিবাৰে সংগীত অনুষ্ঠান বাতিল কৰিলে। ভিডিঅ' বাৰ্তাত বিবাৰে কয়, 'আপোনালোকে প্ৰত্যক্ষ কৰিব পাৰিছে যে মই চকুৰ এটা পতা লৰচৰ কৰিব নোৱাৰো। মুখৰ এটা দিশৰে মই হাঁহিব নোৱাৰো। ইফালে, নাসাৰন্ধ্ৰয়ো ভালদৰে কাম নকৰা হৈছে। মুখৰ এটা দিশত পক্ষাঘাত হৈছে।' বিবাৰে লগতে কয় যে অনুষ্ঠান বাতিল কৰাৰ বাবে যিসকল লোক হতাশ হৈছে তেওঁলোকক জনাব বিচাৰো যে মই এতিয়া গীত পৰিবেশন কৰিব নোৱাৰো আৰু মোক বিশ্ৰামৰ প্ৰয়োজন। সম্পূৰ্ণ সুস্থ হ'লে পুনৰ সংগীত পৰিবেশন কৰিব বুলি বিবাৰে ভিডিঅ' বাৰ্তাত প্ৰতিশ্ৰুতি দিয়ে।


## অচিৰে স্বদেশলৈ উভতিব পাৰে গুৰুতৰভাৱে অসুস্থ মুশ্বাৰফ

**নিউজ ব্যুৰ' ইছলামাবাদ, ১২ জুন ঃ** পাকিস্তানৰ সামৰিক শাসক পাৰভেজ মুশ্বাৰফৰ স্বাস্থ্যক লৈ জল্পনা-কল্পনা অব্যাহত থকাৰ সময়তে প্ৰাক্তন ৰাষ্ট্ৰপতিজনে স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰাৰ ইংগিত দিলে পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খাজা আছিফে। উল্লেখ্য যে গুৰুতৰভাৱে অসুস্থ হৈ বিগত তিনি সপ্তাহ ধৰি মুশ্বাৰফ বিদেশত চিকিৎসাধীন হৈ আছে। এনে পৰিস্থিতিতে পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি মুশ্বাৰফৰ স্বদেশলৈ প্ৰত্যাৱৰ্তনৰ ক্ষেত্ৰত কোনো বাধা নাই। টুইটাৰত এই কথা প্ৰকাশ কৰি আছিফে কয়, 'জেনেৰেল মুশ্বাৰফৰ এনে শাৰীৰিক অৱস্থাত তেওঁৰ স্বদেশলৈ প্ৰত্যাৱৰ্তনৰ ক্ষেত্ৰত কোনো বাধা থকা উচিত নহয়। পূৰ্বৰ ঘটনাৱলীৰ কাৰণত এই ক্ষেত্ৰত কোনো বাধা আহিব নালাগে। আল্লাহে তেওঁৰ স্বাস্থ্যৰ উন্নতি কৰক। তেওঁ জীৱনৰ অন্তিম সময়ছোৱা স্বদেশত গৰিমাৰে অতিবাহিত কৰক।' প্ৰতিৰক্ষা মন্ত্ৰীৰ এই মন্তব্যৰ পাছত মুশ্বাৰফৰ পাকিস্তানলৈ প্ৰত্যাৱৰ্তনৰ সম্ভাৱনা প্ৰকট হৈছে।





## পুলৱামাত সেনাৰ গুলিত নিহত তিনি লস্কৰ সন্ত্ৰাসবাদী



**নিউজ ব্যুৰ' শ্ৰীনগৰ, ১২ জুন ঃ** জম্মু-কাশ্মীৰত সন্ত্ৰাস দমন অভিযানত বৃহৎ সফলতা লাভ কৰিলে নিৰাপত্তা বাহিনীয়ে। আজি পুলৱামাত সেনাৰ গুলিত ধৰাশায়ী হ'ল লস্কৰ ই তৈবাৰ তিনিজন সন্ত্ৰাসবাদী। যোৱা নিশাৰে পৰা প্ৰায় ১২ ঘণ্টা ধৰি পুলৱামাৰ ড্ৰাবগাম অঞ্চলত সন্ত্ৰাসবাদীৰ সন্ধানত নিৰাপত্তা বাহিনীয়ে অভিযান চলাইছিল আৰু এই অভিযানকে সেনাৰ গুলিত নিহত হ'ল জুনেদ চেৰগুজৰি, ফাজিল নাজিৰ ভাট আৰু ইৰফান অহ মালিক। নিহত তিনি সন্ত্ৰাসবাদী স্থানীয় বাসিন্দা আছিল। সন্ত্ৰাসবাদীকেইজনৰ পৰা দুটা এ কে ৪৭ ৰাইফল আৰু এটা পিস্তল উদ্ধাৰ কৰা হৈছে।

## গুজৰাটত আপৰ প্ৰতিদ্বন্দ্বিতাত লাভ হ'ব বিজেপিৰ, চিন্তিত কংগ্ৰেছ



**নিউজ ব্যুৰ', আহমেদাবাদ, ১২ জুন ঃ** আম আদমী পাৰ্টি (আপ)য়ে গুজৰাটত চলিত বৰ্ষৰ অন্তিম ভাগত অনুষ্ঠিত হ'ব লগা বিধানসভাৰ নিৰ্বাচনৰ বাবে প্ৰস্তুতি ব্যাপক কৰি তুলিছে। আপে নিজকে ৰাজ্যখনত বিজেপিৰ বিকল্প হিচাপে দাবী কৰিছে। আপৰ এই তৎপৰতাত শংকিত হৈছে কংগ্ৰেছ। কংগ্ৰেছৰ শংকা অনুসৰি গুজৰাটৰ নিৰ্বাচনত আপে প্ৰতিদ্বন্দ্বিতা কৰাৰ ফলত বিৰোধীৰ ভোট বিভাজন হ'ব আৰু ইয়াৰ ফলত বিজেপি অধিক লাভান্বিত হ'ব। আপৰ প্ৰতিদ্বন্দ্বিতাই কংগ্ৰেছৰে সৰ্বাধিক ক্ষতি কৰিব বুলিও দলটোৱে শংকা প্ৰকাশ কৰি অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আপক গুজৰাটত বিজেপিৰ 'বি টিম' বুলি অভিহিত কৰিলে।

### মমতাৰ আশাত চেঁচাপানী ঢালিলে শিৱসেনা আৰু চি পি এমে

## ৰাষ্ট্ৰপতি নিৰ্বাচনৰ পূৰ্বে বিৰোধীক একত্ৰিত কৰিবলৈ গৈ মুখথেকেচা মমতাৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১২ জুন ঃ** দেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ দিন ঘোষণাৰ পাছত বিৰোধী শিবিৰে প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত বিশেষ তৎপৰতা প্ৰদৰ্শন কৰিছে। জে ডি ইউৱে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰক এন ডি এৰ ৰাষ্ট্ৰপতিৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপৰ দাবী উত্থাপন কৰিছে। একেদৰে দ্ৰৌপদী মুৰ্মু, আৰিফ মহম্মদ খান, জুৱেল



অ'ৰাম, অৰ্জুন মুণ্ডা, থাৱৰচন্দ গহলোটসহ আন কে'বাজনো ব্যক্তিৰ নামো ৰাষ্ট্ৰপতিৰ পদপ্ৰাৰ্থী হিচাপে উচ্চাৰিত হৈছে। বিৰোধীয়ে বৰ্তমানলৈকে এই নিৰ্বাচনৰ বাবে এজন উমৈহতীয়া প্ৰাৰ্থীক বাছি উলিয়াব পৰা নাই। বিৰোধী শিবিৰক একত্ৰিত কৰিবলৈ তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে পদত্যাগ গ্ৰহণ কৰিছে। মমতাই বিৰোধীৰ প্ৰায়বোৰ দলৰ নেতাৰ স'তে ব্যক্তিগত আৰু ফোনযোগে যোগাযোগ স্থাপন কৰিছে। কিন্তু মমতাৰ পদক্ষেপৰ প্ৰতি সঁহাৰি জনোৱা নাই কে'বাজনো বিৰোধী নেতাই। মমতাই অহা ১৫ জুনত বিৰোধী দলৰ নেতাসকলৰ এখন বৈঠক দিল্লীত আয়োজন কৰিছে। মূলতঃ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী প্ৰক্ষেপৰ কথা আলোচনা কৰিবলৈকে এই বৈঠকৰ আহ্বান জনাইছে মমতাই। কিন্তু মমতাৰ এই আশাত চেঁচাপানী ঢালিলে শিৱসেনা আৰু চি পি এমে। মমতাৰ উক্ত বৈঠকত অংশ নলয় বুলি স্পষ্ট কৰিলে শিৱসেনাৰ মুৰব্বী উদ্ধৱ থাকৰে আৰু চি পি এমৰ মহাসচিব সীতাৰাম য়েচুৰীয়ে। মমতাই এই বৈঠকলৈ বিৰোধীৰ ২২ জন নেতাক নিমন্ত্ৰণ দিছে।


## গাডকাৰীৰ প্ৰত্যাহ্বান পূৰণ কৰা সাংসদে বিচাৰিলে ১৫ হেজাৰ কোটি টকা

**নিউজ ব্যুৰ' ভূপাল, ১২ জুন ঃ** মধ্যপ্ৰদেশৰ উজ্জৈনৰ বিজেপিৰ সাংসদ অনিল ফিৰ'জিয়াই বিগত কে'বামাহ ধৰি শৰীৰ চৰ্চাত বিশেষ গুৰুত্ব আৰোপ কৰিছে। দৰাচলতে কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে সাংসদ ফিৰ'জিয়াক কে'বামাহ পূৰ্বে কৈছিল যে যদিহে ফিৰ'জিয়াই সংসদীয় সমষ্টিৰ বিকাশৰ কাম কৰাৰ বাবে পুঁজি বিচাৰে, তেন্তে তেওঁ শৰীৰৰ ওজন যিমান কিলোগ্ৰাম হ্ৰাস কৰিব সমপৰিমাণৰ পেকেজ প্ৰদান কৰা হ'ব। গাডকাৰীয়ে লগতে কৈছিল যে ফিৰ'জিয়াই প্ৰতি এক কিলোগ্ৰাম ওজন হ্ৰাস কৰিলে তেওঁক এহেজাৰ কোটি টকাৰ পেকেজ প্ৰদান কৰা হ'ব আৰু সেই ধনৰাশি সাংসদজনে সংসদীয় সমষ্টিৰ উন্নয়নত ব্যয় কৰিব লাগিব। গাডকাৰীৰ এই প্ৰত্যাহ্বান গ্ৰহণ কৰি যোৱা ফেব্ৰুৱাৰীৰ পৰা বৰ্তমানলৈকে ফিৰ'জিয়াই শৰীৰৰ ওজন ১৫ কিলোগ্ৰাম হ্ৰাস কৰিলে। মাত্ৰ চাৰে তিনিমাহৰ ভিতৰতে সাংসদজনে শৰীৰ চৰ্চা কৰি ১৫ কিলো ওজন হ্ৰাস কৰাৰ পাছত এতিয়া মন্ত্ৰী গাডকাৰীৰ পৰা সমষ্টিৰ উন্নয়নৰ বাবে ১৫ হেজাৰ কোটি টকাৰ পেকেজ দাবী কৰিছে।






## মুখমণ্ডলত আছে ১৫ টা চেছদ ঃ গালৰে ইপাৰ-সিপাৰ কৰিব পাৰে ষ্টিক্



গিনীজ ৱৰ্ল্ড ৰেকৰ্ডছে শেহতীয়াভাৱে ৱেবছাইটত এক ভিডিঅ' পʼষ্ট কৰিছে। এই ভিডিঅ'ত এনে এজন ব্যক্তিৰ কথা অৱগত কৰোৱা হৈছে, যিজন ব্যক্তিৰ মুখমণ্ডলত আছে ১৫ টা ফুটা। ব্ৰিটেইনৰ নাগৰিক জেমছ গাছৰ মুখত আছে মুঠ ১৫টা পিয়েৰ্ছিং। যোৱা ফেব্ৰুৱাৰীত তেওঁ মুখমণ্ডলত ১৫ সংখ্যক পিয়েৰ্ছিং কৰাই বিশ্ব অভিলেখ ৰচিলে। জেমছৰ গালত তিনি মিলিমিটাৰ আৰু ১৮ মিলিমিটাৰৰ ফুটা আছে। জেমছৰ নাকত দুটা, ওপৰৰ ওঁঠত এটা, ওপৰৰ ওঁঠৰ কোণত দুটা আৰু মুখৰ কোণাতো দুটা চেছদ আছে। তলৰ ওঁঠৰ তলৰ ফালে চাৰিটা আৰু গালত দুটাকৈ ফুটা আছে। গিনীজ ৱৰ্ল্ড ৰেকৰ্ডছৰ তথ্য অনুসৰি, গালত থকা দুটা ফুটাৰ মাজেৰে জেমছে অতি সহজে কাঠৰ লাঠি বা ষ্টিক ইপাৰ-সিপাৰ কৰিব পাৰে।

## ইটালীত হেলিকপ্টাৰ দুৰ্ঘটনাত নিহত সাতজন



**নিউজ ব্যুৰ', ৰোম, ১২ জুন ঃ** ইটালীত সংঘটিত হোৱা হেলিকপ্টাৰ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে সাতজন ব্যক্তিয়ে। কালি লুছাৰ পৰা টুস্কানিলৈ যাত্ৰা কৰাৰ সময়তে এখন হেলিকপ্টাৰ আকাশৰ পৰা ভাঙি ভূপতিত হৈছিল। পাহাৰৰ দিশলৈ ৰাওণা হোৱাৰ সময়তে হঠাতে হেলিকপ্টাৰখন ভূপতিত হোৱাত সাত ব্যক্তিৰ মৃত্যু ঘটে। ইতিমধ্যে ঘটনাস্থলীৰ পৰা সাতজন যাত্ৰীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। দুৰ্ঘটনাত মৃত্যু হোৱা লোককেইজনৰ মাজত চাৰিজন তুৰস্কৰ ব্যৱসায়ী আছিল।

## প্ৰখ্যাত ফেশ্বন ডিজাইনাৰ প্ৰত্যুষাৰ ৰহস্য মৃত্যু, ফ্লেটত উদ্ধাৰ নিথৰ দেহ



**নিউজ ব্যুৰ', হায়দৰাবাদ, ১২ জুন ঃ** বিখ্যাত ফেশ্বন ডিজাইনাৰ প্ৰত্যুষা গাৰিমেল্লাৰ ৰহস্য মৃত্যুত চাঞ্চল্যৰ সৃষ্টি হৈছে। কালি হায়দৰাবাদৰ এটা এপাৰ্টমেণ্টত প্ৰত্যুষাৰ নিথৰ দেহ উদ্ধাৰ কৰিছিল আৰক্ষীয়ে। খ্যাতনামা এই ফেশ্বন ডিজাইনাৰে আত্মহত্যা কৰা বুলি আৰক্ষীয়ে প্ৰাথমিক তদন্তত অনুমান কৰিছে। হায়দৰাবাদৰ বানজাৰা হিলছ এপাৰ্টমেণ্টত নিজৰ ফ্লেটৰ স্নানাগাৰত প্ৰত্যুষাৰ মৃতদেহ আৰক্ষীয়ে উদ্ধাৰ কৰে। উক্ত ফ্লেটৰ পৰা আৰক্ষীয়ে কাৰ্বন মনোক্সাইড কেনিষ্টাৰো উদ্ধাৰ কৰিছে। পৰিয়ালৰ লোকে প্ৰত্যুষাৰ মৃতদেহ স্নানাগাৰত প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰে। উল্লেখ্য যে ফেশ্বন ডিজাইনাৰ হিচাপে প্ৰত্যুষাই বলিউড আৰু টলিউডৰ একাধিক শিল্পীৰ স'তে কাম কৰিছিল। বানজাৰা হিলছত নিজৰ ষ্টুডিঅ' এটাও তেওঁ খুলিছিল।

## এইবাৰ বেইজিঙত পানশালাৰ পৰা পুনৰ ক'ভিডৰ ব্যাপক সংক্ৰমণ



**নিউজ ব্যুৰ', বেইজিং, ১২ জুন ঃ** পুনৰ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পাইছে চীনত। দেশখনৰ ৰাজধানী বেইজিঙত শেহতীয়াভাৱে কৰ'নাত আক্ৰান্ত লোকৰ সংখ্যা উৰ্দ্ধমুখী হ'বলৈ ধৰিছে। এখন পানশালাৰ পৰা বেইজিঙত ক'ভিডৰ সংক্ৰমণ হঠাতে বৃদ্ধি পালে। বেইজিং প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি যোৱা শুকুৰবাৰে চহৰত নতুনকৈ ৬১ জন লোকৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল। কৰ'নাত আক্ৰান্ত এইসকল লোকে হেভেন ছুপাৰমাৰ্কেটত থকা পানশালালৈ গৈছিল অথবা পানশালালৈ যোৱাৰ লোকৰ সংস্পৰ্শলৈ আহি ক'ভিড সংক্ৰমিত হৈছিল। ক'ভিডৰ নতুন সংক্ৰমণ ধৰা পেলোৱাৰ পাছত ক'ভিড বিধি পুনৰ কঠোৰ কৰা হ'ল। শনিবাৰে দুপৰীয়ালৈকে বেইজিঙত নতুনকৈ ৪৬ জন ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল। বেইজিঙৰ উক্ত পানশালাৰ পৰা ১১৫ জন লোক ক'ভিডত সংক্ৰমিত হ'ল। এইসকল ব্যক্তিৰ সংস্পৰ্শলৈ অহা ৬,১৫৮ জন লোকৰো ক'ভিড পৰীক্ষণৰ ব্যৱস্থা প্ৰশাসনে কৰিছে।

## দেশত নাই চাকৰি ঃ ২০২১ বৰ্ষত বিদেশত সংস্থাপিত পাকিস্তানীৰ সংখ্যা ২৭.৬ শতাংশলৈ বৃদ্ধি

**নিউজ ব্যুৰ', ইছলামাবাদ, ১২ জুন ঃ** পাকিস্তানৰ বিত্তীয় পৰিস্থিতি সম্প্ৰতি অতি জটিল হৈছে। ব্যাপক মূল্যবৃদ্ধিৰ লগতে দেশখনত নিবনুৱা সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। পাকিস্তানত কৰ্মসংস্থাপনৰ ব্যাপক অভাৱ ঘটাত বাধ্য হৈ এতিয়া পাকিস্তানৰ যুৱ প্ৰজন্মই বিদেশত নিয়োজিত হ'বলৈ আগবাঢ়ি আহিছে। স্থানীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি ২০২১ বৰ্ষত বিদেশত চাকৰি লাভ কৰা পাকিস্তানীৰ সংখ্যা ২০২০ৰ তুলনাত ২৭.৬ শতাংশ বৃদ্ধি পালে। আৰ্থিক মন্দাৱস্থাৰ ফলত



পাকিস্তানত নিয়োজনৰ সুবিধা সম্প্ৰতি অতি সীমিত হৈছে। ক'ভিড অতিমাৰীয়েও দেশখনত বহুতৰে জীৱিকাক বাধাগ্ৰস্ত কৰিলে। পাকিস্তানৰ প্ৰবাসী নিয়োগ ব্যুৰ'য়ে ২০২১ বৰ্ষত ২,৮৬,৬৪৮ শ্ৰমিকৰ নাম বিদেশত নিয়োজনৰ বাবে পঞ্জীয়ন কৰিছিল। ২০২০ বৰ্ষৰ তুলনাত বিদেশত নিয়োজনৰ বাবে কৰা পঞ্জীয়ন ২৭.৬ শতাংশ অধিক হ'ল ২০২১ বৰ্ষত। পাকিস্তানৰ পৰা সৰহ সংখ্যক নাগৰিকে ছৌদি আৰব, ওমান আৰু কাটাৰত সংস্থাপন লাভ কৰিছে। বিদেশত নিয়োগ লাভ কৰা পাকিস্তানীসকলৰ ৫৪ শতাংশই ছৌদি আৰবত, ১৩.৪ শতাংশই ওমানত আৰু ১৩.২ শতাংশই কাটাৰত সংস্থাপিত হৈছিল। দেশখনৰ পঞ্জাৱ প্ৰদেশৰ পৰা সৰ্বাধিক ১,৫৬,৮৭৭ জন পাকিস্তানী নাগৰিকে ২০২১ বৰ্ষত বিদেশত চাকৰি কৰিবলৈ গৈছিল।

## এসপ্তাহৰ ভিতৰতে ইউক্ৰেইনৰ ভাগ্য নিৰ্ণয় কৰিব ইউৰোপীয় সংঘই



**নিউজ ব্যুৰ', কীভ, ১২ জুন ঃ** আগন্তুক এসপ্তাহৰ ভিতৰতে ইউৰোপীয় সংঘ (ই ইউ)ই ইউক্ৰেইনৰ ভাগ্য নিৰ্ণয় কৰিব। আগন্তুক এসপ্তাহতে স্পষ্ট হ'ব ইউক্ৰেইনে ই ইউত স্থান লাভ কৰিব নে নকৰে? ই ইউৰ সভাপতি উৰ্ছুলা ফন ডেৰ লেয়েনে কালি এখন বৈঠকত অংশ লোৱাৰ সময়ত এই কথা প্ৰকাশ কৰে। ইউক্ৰেইনৰ ৰাজধানী কীভত দেশখনৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ জেলেনস্কিৰ স'তে কালি এখন বৈঠকত উৰ্ছুলাই অংশ লোৱাৰ সময়তে ই ইউত ইউক্ৰেইনক অন্তৰ্ভুক্ত কৰাৰ সন্দৰ্ভত এই কথা প্ৰকাশ কৰে। উল্লেখ্য যে যোৱা ফেব্ৰুৱাৰীত ই ইউত যোগদানৰ বাবে ইউক্ৰেইনে আবেদন জনাইছিল। ইয়াৰ চাৰিদিন পাছতে ইউক্ৰেইনত ৰাছিয়াই আক্ৰমণ চলাইছিল। মস্কোৱে বিচৰা নাই যে প্ৰতিবেশী ৰাষ্ট্ৰখন ই ইউৰ সদস্য হওক। স্মৰ্তব্য যে অতীতত ছোভিয়েট ৰাছিয়াৰ অন্তৰ্ভুক্ত আছিল ইউক্ৰেইন। ছোভিয়েটৰ পতনৰ পাছত ইউক্ৰেইন পৃথক ৰাষ্ট্ৰ হিচাপে স্বীকৃত হৈছিল। এসপ্তাহৰ ভিতৰতে ইউক্ৰেইনত ই ইউত অন্তৰ্ভুক্ত কৰাৰ সন্দৰ্ভত প্ৰয়োজনীয় সিদ্ধান্ত গ্ৰহণ কৰা বুলি জেলেনস্কিক অৱগত কৰিলে ই ইউৰ মুৰব্বীয়ে।

## অস্ত্ৰ আইন সলনিৰ দাবীৰে ৰাজপথত প্ৰতিবাদ মাৰ্কিন নাগৰিকৰ

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১২ জুন ঃ** বিগত কিছুদিনত বন্দুকধাৰীৰ ধাৰাবাহিক আক্ৰমণে আমেৰিকাত আতংক অব্যাহত ৰাখিছে। নিৰ্বিচাৰ গুলিবৰ্ষণৰ ঘটনাত প্ৰায় প্ৰতিদিনে আমেৰিকাত প্ৰাণ হেৰুৱাইছে নিৰীহ নাগৰিকে। আনকি বিদ্যালয়ৰ কণমানি শিশুসকলো বন্দুকধাৰীৰ আক্ৰমণ বলি হৈছে। বাৰম্বাৰ এনে বন্দুকধাৰীৰ ত্ৰাসত অতিষ্ঠ হৈ ৰাজপথত অস্ত্ৰ ক্ৰয় আইন সলনিৰ দাবীৰে প্ৰতিবাদত অংশ ল'লে মাৰ্কিন নাগৰিকে। আমেৰিকাৰ প্ৰায়বোৰ প্ৰদেশতে ১৮ বছৰ বয়সতে নাগৰিকে বন্দুক ক্ৰয় কৰিব পাৰে। এই আইন সলনি কৰাৰ দাবী উত্থাপন কৰিলে মাৰ্কিন নাগৰিকে। অবিলম্বে অস্ত্ৰ আইন সলনি কৰিবলৈ দাবী জনাই সহস্ৰাধিক লোকে আমেৰিকাৰ বিভিন্ন অঞ্চলত প্ৰতিবাদত অংশ ল'লে। কলম্বিয়া প্ৰদেশৰ এখন চহৰৰ মেয়ৰ মুৰিয়েল বাউজাৰেও প্ৰতিবাদত অংশ লয়। পাছত সংবাদ মাধ্যমৰ আগত মুৰিয়েলে কয়, 'যথেষ্ট হ'ল। এতিয়া নিয়ম সলনি কৰিব লাগিব। মই এগৰাকী মাতৃ আৰু একে সময়তে মেয়ৰ সকলো আমেৰিকাবাসীৰ কথা লক্ষ্য ৰাখি কও যে চৰকাৰে উচিত দ্ৰুত পদক্ষেপ গ্ৰহণ কৰিব লাগে। আমাক ৰক্ষা কৰা মাৰ্কিন সংসদৰ কৰ্তব্য। বন্দুকধাৰীৰ



আক্ৰমণৰ পৰা শিশুক ৰক্ষা কৰিব লাগিব।' বাৰম্বাৰ বন্দুকধাৰীৰ আক্ৰমণৰ ঘটনাত স্বাভাৱিকতে অস্বস্তিৰ সন্মুখীন হৈছে ৰাষ্ট্ৰপতি জ' বাইডেন। কিন্তু আইন সলনিৰ দাবী উত্থাপনৰ পাছতো এই প্ৰসংগত কাৰ্যত নীৰৱ মাৰ্কিন ৰাষ্ট্ৰপতি। টেক্সাছৰ বিদ্যালয়ত বন্দুকধাৰীৰ আক্ৰমণৰ পাছত এই ঘটনাৰ প্ৰতিবাদ জনাই বাইডেনে কৈছিল, 'অস্ত্ৰ ক্ৰয়ৰ আইন কঠোৰ কৰিব লাগিব।' কিন্তু বৰ্তমানলৈকে অস্ত্ৰ আইন সলনি কৰাৰ কোনো পদক্ষেপ আমেৰিকাৰ সংসদে গ্ৰহণ নকৰাত নাগৰিকৰ মাজত ক্ষোভ বৃদ্ধি কৰিছে। সেয়েহে দেওবাৰে হেজাৰ হেজাৰ নাগৰিকে ৰাজপথত সমবেত হৈ মাৰ্কিন অস্ত্ৰ আইন সলনি কৰাৰ দাবী উত্থাপন কৰিলে।

## দশমত ৩৫-৩৬ নম্বৰ লাভ কৰা তুষাৰ এতিয়া আই এ এছ বিষয়া



**নিউজ ব্যুৰ', ভৰুচ, ১২ জুন ঃ** দশম শ্ৰেণীৰ পৰীক্ষাত তুষাৰ ডি চুমেৰাই গণিতত ৩৬, ইংৰাজীত ৩৫ আৰু সাধাৰণ বিজ্ঞানত ৩৮ নম্বৰ লাভ কৰি যেনে তেনে উত্তীৰ্ণ হৈছিল। সেইজন তুষাৰ এতিয়া ভৰুচ নিবাসী এজন ভাৰতীয় প্ৰশাসনিক সেৱা (আই এ এছ)ৰ বিষয়া। ২০১২ত আই এ এছ পৰীক্ষাত উত্তীৰ্ণ হোৱা তুষাৰে সামাজিক মাধ্যমত শেহতীয়াভাৱে তেওঁৰ দশম শ্ৰেণীৰ উক্ত নম্বৰ তালিকা শ্বেয়াৰ কৰি কয় যে জীৱনত এটা পৰীক্ষাই কেতিয়াও কোনো ব্যক্তিৰ সমগ্ৰ ভৱিষ্যৎ নিৰ্ণয় নকৰে। তুষাৰে কয়, 'মই যেতিয়া ৩৫-৩৬ নম্বৰ লৈ দশম শ্ৰেণীত উত্তীৰ্ণ হৈছিলো তেতিয়া সকলোৱে নিৰাশ হৈছিল। মোৰ দ্বাৰা জীৱনত একো নহ'ব বুলি বহুতে মন্তব্য কৰিছিল। কিন্তু মই হতাশ হোৱা নাছিলো। অধ্যয়ন অব্যাহত ৰাখি মই দ্বাদশ উত্তীৰ্ণ হোৱাৰ পাছত বি এ পাছ কৰিছিলো আৰু ইয়াৰ পাছত বি এড উত্তীৰ্ণ হৈছিলো। কৰ্মজীৱনৰ আৰম্ভণিতে মই বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে কাম কৰিছিলো। সেই সময়তে নিজৰ লক্ষ্য আই এ এছ বিষয়া হোৱাৰ নিৰ্ধাৰণ কৰি প্ৰস্তুতি আৰম্ভ কৰিছিলো। ছাত্ৰ-ছাত্ৰীক শিক্ষাদানৰ লগতে মই নিজেও আই এ এছ পৰীক্ষাৰ বাবে অধ্যয়ন কৰিছিলো। ২০১২ত মই ইউ পি এছ চিৰ পৰীক্ষাত উত্তীৰ্ণ হৈ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া নিয়োজিত হৈছিলো।' পৰীক্ষাত ভাল নম্বৰ নকৰিলে হতাশ হোৱা অনুচিত বুলি মন্তব্য কৰি তুষাৰে কয় যে সফলতাৰ বাবে মানুহক নম্বৰৰ নহয়, বুদ্ধিমত্তাৰহে প্ৰয়োজন।

## নূপুৰৰ পয়গম্বৰৰ মন্তব্য বিতৰ্কত কি ক'লে তছলিমাই?



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ জুন ঃ** পয়গম্বৰ মহম্মদক লৈ বিতৰ্কিত মন্তব্য প্ৰকাশৰ পৰিণতিত বিজেপিৰ প্ৰাক্তন মুখপাত্ৰ নূপুৰ শৰ্মাক দলে বহিষ্কাৰ কৰাৰ পাছতো এই বিতৰ্ক অব্যাহত আছে। আনকি ৰাজপথতো একাংশ ইছলামধৰ্মী লোকে সমবেত হৈ নূপুৰৰ মন্তব্যৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। এনে পৰিস্থিতিত এই বিতৰ্কৰ প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে বাংলাদেশৰ স্বনিৰ্বাসিত লেখিকা তছলিমা নাছৰিনে। নূপুৰৰ মন্তব্যক লৈ দেশৰ বিভিন্ন অঞ্চলত একাংশ লোকে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছে। একাধিক দোকান, বাসগৃহতো প্ৰতিবাদকাৰীয়ে অগ্নিসংযোগ কৰিছে। পয়গম্বৰ মহম্মদক লৈ নূপুৰে কৰা মন্তব্য বিতৰ্ক আৰু প্ৰতিবাদকাৰীৰ আচৰণৰ প্ৰসংগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি টুইটাৰত তছলিমাই এইদৰে কয়, 'যদি আজি পয়গম্বৰ মহম্মদ জীৱিত থাকিলেহেঁতেন, তেন্তে বিশ্বজুৰি মুছলমানৰ এই উন্মাদনা প্ৰত্যক্ষ কৰি তেওঁ অবাক হ'লহেঁতেন।' আন এক টুইটত পূৰ্বে বিতৰ্কিত লেখিকাগৰাকীয়ে এইদৰে কৈছিল, 'কোনো ব্যক্তি সমালোচনাৰ ঊৰ্দ্ধত নহয়। কোনো মানুহ, কোনো সন্ত, কোনো মাছিহা, কোনো মহম্মদ, কোনো ভগৱান নহয়। এই বিশ্বক বাসযোগ্য কৰি ৰখাৰ বাবে সমালোচনা অত্যন্ত জৰুৰী।'

# ম'বাইল, গুট্‌খাৰ পৰা দূৰত থাকক ছাত্ৰ-ছাত্ৰী

## ■ তেজপুৰৰ শিঙিতলিত মেধাৱী ছাত্ৰ-ছাত্ৰীক ৰাজহুৱা সম্বৰ্ধনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১২ জুন ঃ** তেজপুৰৰ নিকটৱৰ্তী ৰঙাপৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত শিঙিতলিৰ ৰাজগড় ৩০ নম্বৰ ভৰলীচাপৰি প্ৰাথমিক বিদ্যালয় প্ৰাংগণত আজি হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৩০গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। জীয়াভৰলী পাৰৰ এক ভিতৰুৱা অঞ্চলৰ এইসকল ছাত্ৰ-ছাত্ৰীয়ে মেধাৰ পৰিচয় দি অতিশয় উন্নত ফলাফল প্ৰদৰ্শন কৰে। উল্লেখ্য যে আজিৰ এই সম্বৰ্ধনা অনুষ্ঠান আয়োজিত হয় প্ৰয়াত ছমছেৰ আলী সৰকাৰৰ সোঁৱৰণত। ভিতৰুৱা অঞ্চলটোৰ প্ৰথমগৰাকী স্নাতক প্ৰয়াত আলী অঞ্চলটোত শিক্ষাৰ প্ৰসাৰ ঘটোৱাত বিশেষ ভূমিকা পালন কৰিছিল। কাবিলাবাদ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ



তবিবুল্লা খানৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত নিত্য উপাধ্যায়, মৌলানা কাছেম আলী, আজনুৰ হুছেইন, দেৱানন্দ স্বৰ্গীয়াৰী, নজৰুল ইছলাম, ছামছুন নাহাৰ সৰকাৰ আদি বিশিষ্ট লোকসকলে অংশগ্ৰহণ কৰে। সভাত মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক একোখন মানপত্ৰ, এটা গছপুলি আৰু একোখন অভিধান উপহাৰৰূপে আগবঢ়োৱা হয়। উল্লেখ্য যে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ লক্ষ্যৰ পৰা বিচ্যুত নহৈ আগবাঢ়িবলৈ আহ্বান জনাই ছাত্ৰ-ছাত্ৰীসকলক ম'বাইল ফোনৰ পৰা দূৰত থাকিবলৈ তথা গুট্‌খাকে ধৰি ক্ষতিকাৰক দ্ৰব্যৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। সভাত প্ৰয়াত ছমছেৰ আলীৰ কৰ্মৰাজিৰ ওপৰতো আলোকপাত কৰি একাধিক বক্তাই প্ৰয়াত সমাজকৰ্মীজনে অঞ্চলটোৰ শৈক্ষিক তথা সামাজিক আদি ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানক স্মৰণ কৰে। আনহাতে, সভাত প্ৰয়াত সমাজকৰ্মীজনৰ পুত্ৰ গুলজাৰ হুছেইন সৰকাৰে অঞ্চলটোৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক যিকোনো সমস্যাত সদায়েই সহায় কৰিবলৈ প্ৰস্তুত বুলি প্ৰকাশ কৰি আৰ্থিক কাৰণত সমস্যাৰ সন্মুখীন হোৱা ছাত্ৰ-ছাত্ৰীসকলকো পৰৱৰ্তী সময়ত সহায় কৰি যাবলৈ প্ৰস্তুত বুলি উল্লেখ কৰে। নেমছু নেতা আজনুৰ হুছেইনে পিতৃৰ ধমক খোৱা সন্তান, শিক্ষকৰ পৰা শাস্তি লাভ কৰা ছাত্ৰ-ছাত্ৰী আৰু সোণাৰীৰ শালত পিটন খোৱা সোণহে উপযুক্ত আৰু অলংকাৰ হয় বুলি উল্লেখ কৰে। আজি সম্বৰ্ধিত ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ৯২ শতাংশ নম্বৰ তথা ডিষ্টিংছন আৰু অসমীয়াত সম্পূৰ্ণ নম্বৰ লাভ কৰি প্ৰথম বিভাগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা বিভিন্ন জাতি-জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী আছে।

## উন্নয়নৰ বাবে ধন আবণ্টনৰ প্ৰতিশ্ৰুতি সাংসদ গগৈৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১২ জুন ঃ** মহাপুৰুষ শংকৰদেৱ কলা-কৃষ্টি গৱেষণা কেন্দ্ৰ অসম, যোৰহাটৰ উন্নয়নৰ বাবে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈয়ে ধন আবণ্টন দিয়াৰ প্ৰতিশ্ৰুতি দিছে। কেন্দ্ৰটোৰ সোণালী জয়ন্তী বৰ্ষজোৰা কাৰ্যসূচীৰে ৰূপায়ণ কৰিবলৈ হেমন্ত কলিতাক সভাপতি, দিগন্ত দত্তক সম্পাদকৰূপে লৈ বৃহৎ সংখ্যক লোকেৰে উদ্‌যাপন সমিতি গঠন কৰি কাম-কাজ কৰি আছে। উদ্‌যাপন সমিতিৰে পৃষ্ঠপোষকৰ দায়িত্ব গ্ৰহণ কৰি আজি সাংসদজন কেন্দ্ৰটোত উপস্থিত হয় আৰু কেন্দ্ৰটোলৈ ধন আবণ্টনৰ প্ৰতিশ্ৰুতি দিয়ে। কেন্দ্ৰটোৰ সভাপতি গিৰীশ চন্দ্ৰ বৰদলৈ, সাধাৰণ সম্পাদক দীপাঞ্জলী ভৰালী বৰাসহ ভালেসংখ্যক লোক উপস্থিত থকাৰ সময়ত সাংসদজনে কলা-কৃষ্টি কেন্দ্ৰৰ নামঘৰ, মঞ্চ, প্ৰেক্ষাগৃহ, কাৰ্যালয় আৰু চৌহদটো পৰিদৰ্শন কৰি সন্তুষ্টি প্ৰকাশ কৰে আৰু অধিক উন্নয়নৰ বাবে ধন আবণ্টনৰ প্ৰতিশ্ৰুতি দিয়ে।

# পৌৰ কৰ্মচাৰীক চৰম প্ৰতাৰণা চৰকাৰৰ

## ৰাজ্যজুৰি ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী ঘোষণা পৌৰ কৰ্মচাৰী সন্থাৰ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১২ জুন ঃ** পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দৰেই এইখন চৰকাৰৰ দিনতো চৰম প্ৰতাৰণাৰ বলি হৈছে ৰাজ্যৰ পৌৰ কৰ্মচাৰীসকল। তদানীন্তন সৰ্বানন্দ সোণোৱাল চৰকাৰ আৰু বৰ্তমানৰ চৰকাৰেও পৌৰ কৰ্মচাৰীসকলৰ চাকৰি চৰকাৰীকৰণ কৰা হ'ব বুলি আশ্বাস দি অৱশেষত পৌৰ সেৱা কেডাৰ গঠনৰ বাবেহে সিদ্ধান্ত গ্ৰহণ কৰিছে চৰকাৰৰ কেবিনেটে। তেজপুৰত অনুষ্ঠিত চৰকাৰৰ কেবিনেটত গ্ৰহণ কৰা এই সিদ্ধান্তৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে ৰাজ্যৰ পৌৰ কৰ্মচাৰীসকল। চৰকাৰৰ এনে সিদ্ধান্তক কোনোপধ্যেই মানি লোৱা নহয় বুলি হুংকাৰ দি চৰকাৰৰ এই সিদ্ধান্ত সলনিৰ দাবী জনায় সদৌ অসম পৌৰ নিকায় কৰ্মচাৰী সন্থাই ৰাজ্য জুৰি এলানি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে। আজি গুৱাহাটীৰ সাহিত্য সভা ভৱনৰ লক্ষ্মীৰাম সদনত অনুষ্ঠিত সদৌ অসম পৌৰ নিকায় কৰ্মচাৰী সন্থাৰ বৰ্ধিত জৰুৰী কাৰ্যনিৰ্বাহক সভাত অহা ১৮ জুনৰ পৰা ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচীৰ সিদ্ধান্ত গ্ৰহণ কৰে। সন্থাৰ সভাপতি সুনীল কুমাৰ শৰ্মা আৰু সাধাৰণ সম্পাদক গিয়াছ আলীয়ে সদৰী কৰা আন্দোলনৰ কাৰ্যসূচী অনুসৰি ১৮ জুনত ৰাজ্যৰ প্ৰতিখন পৌৰসভাত প্ৰতিবাদী সভা অনুষ্ঠিত কৰিব। ১৯ জুনত প্ৰতিখন মাণ্ডলিকতে নিজ নিজ শাখাৰ অংশগ্ৰহণেৰে প্ৰতিবাদী মাণ্ডলিক সভা, ২১ জুনত পৌৰসভাৰ কাম-কাজৰ ব্যাঘাত নোহোৱাকৈ জনমত গঠনৰ উদ্দেশ্যে চৰকাৰৰ এনে সিদ্ধান্তৰ বিৰুদ্ধে ৰাজ্যজুৰি বেনাৰ আৰু পোষ্টাৰিং কৰিব। তেনেদৰে ২৩ আৰু ২৪ জুনত নিজ নিজ অঞ্চলৰ স্থানীয় বিধায়কক সাক্ষাৎ কৰি স্মাৰকপত্ৰ প্ৰদান কৰা, ২৭ জুনত প্ৰতিখন জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত দিনৰ ১১ বজাৰ পৰা এঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি সংশ্লিষ্ট জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী আৰু নগৰ উন্নয়ন মন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰিব। ইয়াৰ উপৰি চাৰি জুলাইত ৰাজ্যৰ পৌৰ কৰ্মচাৰীসকলে পৌৰ প্ৰশাসন বিভাগৰ গুৱাহাটীৰ সঞ্চালক কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিব। ইপিনে, ১১ জুলাইৰ পৰা তিনিদিনীয়া পৌৰ কৰ্মচাৰীসকলে ৰাজ্যজুৰি সৰ্বাত্মক কৰ্মবিৰতি কাৰ্যসূচী ৰূপায়ণ কৰিব। উল্লেখ্য যে যোৱা বৰ্ষত প্ৰথম পৰ্যায়ত ৰাজ্যৰ ১৬৫৩ জন পৌৰ কৰ্মচাৰীৰ চাকৰি চৰকাৰীকৰণ কৰাৰ কেবিনেট সিদ্ধান্ত গ্ৰহণ কৰিছিল । সেই মৰ্মে সেই বৰ্ষৰে ৩১ মে'ত চৰকাৰী অধিসূচনা জাৰি কৰিছিল, য'ত ৰাজ্যখনৰ পৌৰসভাৰ কৰ্মৰত অভিযন্তা আৰু গাণনিক সকলো অন্তৰ্ভুক্ত হৈ আছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে চৰকাৰৰ সংশ্লিষ্ট বিভাগে আজি পৰ্যন্ত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাই। তেনে ক্ষেত্ৰত বৰ্তমানৰ পৌৰ প্ৰশাসন মন্ত্ৰী অশোক সিংঘালে উক্ত গেজেট নটিফিকেচনকো গুৰুত্ব প্ৰদান নকৰি পৌৰসভাসমূহত পৌৰ সেৱা কেডাৰ গঠন কৰি নতুনকৈ অভিযন্তা আৰু গাণনিক নিযুক্তি দিয়াৰ সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰি সদৌ অসম পৌৰ নিকায় কৰ্মচাৰী সন্থাই। পূৰ্বৰ কেবিনেটৰ সিদ্ধান্তক কাৰ্যকৰী কৰাৰ দাবী জনাইছে।

# পালনাম উপলক্ষে কছাৰী গাঁও বৰ নামঘৰত বৃক্ষৰোপণ

**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ১২ জুন ঃ** তিতাবৰ সমষ্টিৰ অন্তৰ্গত মেলামাটি ৰেল ক্ৰছিঙৰ সমীপত কছাৰী গাঁও বৰ নামঘৰত আজি বাৰ্ষিক পালনাম অনুষ্ঠিত হয়। বৰ নামঘৰ পৰিচালনা সমিতিৰ সভাপতি বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী ৰাজু খনিকৰ আৰু সমিতিৰ সম্পাদক ধীৰেন দত্তৰ পৰিচালনাত অনুষ্ঠিত পালনামত দুই শতাধিক ভকত-বৈষ্ণৱে সহযোগ কৰে। পালনাম উপলক্ষে পৰিচালনা সমিতিয়ে নামঘৰ চৌহদত বৃক্ষৰোপণ কাৰ্যসূচীৰ লগতে উন্নয়নমূলক আঁচনি গ্ৰহণ কৰে। সেইমৰ্মে তিতাবৰ সমষ্টিৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, বিশিষ্ট ব্যৱসায়ী বিৰিজ ৰতন গট্টানী, তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতি বিমান শইকীয়া, নামঘৰৰ ভূমিদাতা ভোগেশ্বৰ শইকীয়াই একোটাকৈ সাঁচি গছৰ পুলি ৰোপণ কৰি বৃক্ষৰোপণ কাৰ্যসূচীৰ আৰম্ভ কৰে। লগতে তেওঁ ভকত বৈষ্ণৱসকলৰ সন্মুখত নামঘৰৰ মজিয়াত সমুদায় টাইলছ লগাই দিয়াৰ কথা বিধায়ক বৰুৱাই ৰাজহুৱাকৈ বৃক্ষৰোপণ কাৰ্যসূচীৰ উদ্বোধনী ভাষণত ঘোষণা কৰে। তদুপৰি নামঘৰৰ চৌহদ বেৰা দিবলৈ এটা আঁচনি গ্ৰহণ কৰিব বুলিও প্ৰকাশ কৰে। বৃক্ষৰোপণ কাৰ্যসূচীৰ আঁত ধৰে সমাজকৰ্মী দিলীপ দত্তই। এই সভাতে মেলামাটিবাসী ৰাইজৰ শুভকাংক্ষী তথা সমাজকৰ্মী বিৰিজ ৰতন গট্টানিয়ে নামঘৰত বিশুদ্ধ খোৱাপানী যোগানৰ ব্যৱস্থা কৰি দিয়াৰ কথা ৰাজহুৱাভাৱে ঘোষণা কৰে। উল্লেখ্য যে বিশিষ্ট ব্যৱসায়ী বিৰিজ ৰতন গট্টানীয়ে এই বছৰত ১৫টা স্থানত নামঘৰ আৰু শিক্ষানুষ্ঠানত পানী যোগান ব্যৱস্থা কৰি ৰাইজক উপকৃত কৰিছে। পালনামৰ লগত সংগতি ৰাখি নিশালৈ স্থানীয় যুৱকসকলে ভাওনা প্ৰদৰ্শন কৰে।

# ইষ্টাান্তিকৰ উদ্যোগত চিত্ৰাংকন প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ১২ জুন ঃ** চতিয়াৰ সাহিত্য-সংস্কৃতিৰ, ক্ৰীড়াৰ অন্যতম অনুষ্ঠান ইষ্টান্তিকৰ ৪৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে চতিয়াৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আজি বিয়লি তিনি বজাৰ পৰা চতিয়া ৰেল ষ্টেছনত এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতা তিনিটা শাখাত অনুষ্ঠিত হয়। নাৰ্ছাৰীৰ পৰা চতুৰ্থলৈ 'ক' শাখা, পঞ্চমৰ পৰা অষ্টমলৈ 'খ' শাখা আৰু নৱমৰ পৰা স্নাতকলৈ 'গ' শাখাত প্ৰতিযোগিতা অনুষ্ঠিত হয়। চতিয়া ৰেল ষ্টেছনত এক সুন্দৰ পৰিৱেশত শিশুৰ মনোজগতখনক আকৰ্ষিত কৰাকৈ ব্যক্তিতক্ৰমী চিন্তাৰে ইষ্টান্তিকে আয়োজন কৰা এই প্ৰতিযোগিতাই অভিভাৱক, শিশুসকলক বাৰুকৈ প্ৰভাম্বিত কৰে। ইষ্টান্তিকৰ এনে প্ৰচেষ্টাক চতিয়াবাসীয়ে আদৰণি জনাইছে। উল্লেখ্য যে ইষ্টান্তিকৰ ৪৪ সংখ্যক প্ৰতিষ্ঠা দিৱস অহা ১৪ জুনত নিজা প্ৰেক্ষাগৃহতে অনুষ্ঠিত হ'ব আৰু মূল সভাত আজি প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰা হ'ব। আজিৰ এই প্ৰতিযোগিতাত সহযোগ কৰা নদুৱাৰ সংগীত বিদ্যাপীঠৰ চিত্ৰকলা বিভাগৰ অধ্যাপক ভূপেন বৰগোহাঞি আৰু অজিত চাক্ৰীৰ লগতে চতিয়া ৰেল ষ্টেছনৰ কৰ্তৃপক্ষক কৃতজ্ঞতা জ্ঞাপন কৰে ক্লাবৰ সম্পাদক হেমাংগ হাজৰিকাই।

# জয়ন্ত মল্লৰ গৃহগাঁও চান্দকুছিত আনন্দৰ লহৰ



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১২ জুন ঃ** নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাক ৰাজ্য চৰকাৰৰ সম্প্ৰসাৰিত মন্ত্ৰীসভাত কেবিনেট মন্ত্ৰী হিচাপে অন্তৰ্ভুক্ত কৰাত তেওঁৰ গৃহ গাঁও চান্দকুছিত আনন্দৰ বন্যা বৈছে। যোৱা নিশা গাঁওবাসী ৰাইজে বৰুৱাৰ গৃহ চৌহদত শতাধিক বন্তি প্ৰজ্বলন কৰে। গাঁওবাসীয়ে হৰি ধ্বনি দি ড° হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ, জয়ন্ত মল্ল বৰুৱা জিন্দাবাদ ধ্বনি দি আনন্দ উল্লাস কৰি বৰুৱাৰ দীৰ্ঘায়ু কামনা কৰে। অনুষ্ঠানত সমাজকৰ্মী নিৰেন মল্ল বুজৰবৰুৱা, মিণ্টু তামুলী, অনাথ মল্ল বুজৰবৰুৱা, প্ৰণৱ মল্ল বুজৰবৰুৱা, গীতিকা বুজৰবৰুৱা, ৱাৰ্ড কমিছনাৰ অলকা বৰ্মনসহ বহু ৰাইজ উপস্থিত থাকি বন্তি প্ৰজ্বলন কৰে। সংবাদ মাধ্যমৰ আগত নিৰেন মল্ল বুজৰবৰুৱাই কয় যে জয়ন্ত মল্ল বৰুৱাই নিজৰ দল, পৰ্যটন নিগমৰ অধ্যক্ষ, বিধায়ক হৈ যেনেকৈ দক্ষতাৰ পৰিচয় দিছে তেনেকৈ মন্ত্ৰী হৈও নিজৰ বিভাগেৰে অসমৰ সামগ্ৰিক উন্নয়ন কৰিবলৈ সক্ষম হ'ব। গীতিকা বুজৰবৰুৱা শৰ্মাই কয় যে সম্প্ৰতি চান্দকুছিৰ নহয় বৰুৱা অসমৰে এজন দক্ষতাসম্পন্ন ৰাজনৈতিক নেতা। তেনে সময়তে মন্ত্ৰিত্ব লাভ কৰাত উৎফুল্লিত হৈ পৰিছে গাঁওবাসী। তদুপৰি যোগ্যজনক মন্ত্ৰী হিচাপে দায়িত্ব দিয়া বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাক চান্দকুছিৰ ৰাইজে ধন্যবাদ জ্ঞাপন কৰা বুলি ব্যক্ত কৰে।

# ৮৯.৬৬ শতাংশ নম্বৰেৰে উত্তীৰ্ণ বৰবিষ্টুপুৰৰ নিপন কলিতা

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১২ জুন ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত বহু মেধাসম্পন্ন দুখীয়া ঘৰৰ ছাত্ৰ-ছাত্ৰীয়ে ভাল ফলাফল দেখুৱাই পৰিয়াল শিক্ষানুষ্ঠান আৰু অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। দৰিদ্ৰতা যে শিক্ষাৰ হেঙাৰ হ'ব নোৱাৰে তাকে প্ৰমাণ কৰি দেখুৱালে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ বৰবিষ্টুপুৰ গাঁৱৰ কাঠ মিস্ত্ৰি হেমন্ত কলিতা আৰু দুলুমণি কলিতাৰ পুত্ৰ নিপন কলিতাই। শংকৰদেৱ শিশু নিকেতন চেংনৈৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা নিপন কলিতাই ছটা বিষয়তে লেটাৰ নম্বৰসহ ৮৯.৬৬ শতাংশ নম্বৰেৰে ডিষ্টিংছন পাবলৈ সক্ষম হয়। তেওঁ অসমীয়াত ৮৯, ইংৰাজীত ৮৪, সাধাৰণ গণিতত এশ, সাধাৰণ বিজ্ঞানত ৮৩, সমাজ বিজ্ঞানত ৮৮ আৰু সংস্কৃতত ৯৪ নম্বৰ লাভ কৰি মুঠ ৫৩৮ নম্বৰ পাবলৈ সক্ষম হয়। নিপনৰ পিতৃ হেমন্ত কলিতাই কাঠ মিস্ত্ৰি হিচাপে কাম কৰি পৰিয়াল পোহপাল দিয়াৰ লগতে নিপনকো দিব লগা হৈছিল পঢ়াৰ খৰচ। দৰিদ্ৰ পৰিয়ালৰ মেধাৱী ছাত্ৰ নিপনৰ সাফল্যত পিতৃ-মাতৃকে ধৰি পৰিয়াল, শিক্ষক-শিক্ষয়িত্ৰী আৰু গাঁওবাসীয়ে সুখী আৰু আনন্দিত হৈ পৰে। শান্তশিষ্ট, ভদ্ৰ, অমায়িক, মেধাৱী ছাত্ৰ নিপনে ভৱিষ্যতে এগৰাকী সুচিকিৎসক হৈ মানৱ সেৱা কৰাৰ সপোন পুহি ৰাখিছে।



কাঠমিস্ত্ৰি কৰি পৰিয়াল পোহপাল দি থকা পিতৃ হেমন্ত কলিতা আৰু গৃহিণী মাতৃ দুলুমণি কলিতাই মেধাৱী পুত্ৰৰ ভৱিষ্যৎ শিক্ষা যাত্ৰা কিদৰে আগবঢ়াই নিব তাক লৈ চিন্তিত হৈ পৰিছে। ইপিনে, ফলাফল ঘোষণা হোৱাৰ পাছতে মেধাৱী ছাত্ৰজনক পশ্চিম বনভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক শংকৰ কলিতা, বিজেপি বৰবিষ্টুপুৰ বুথ সমিতিৰ সভাপতি গৌতম কলিতা, সমাজসেৱক তথা শংকৰদেৱ শিশু নিকেতন, চেংনৈৰ প্ৰধানাচাৰ্য ধৰণী গোস্বামী, বৰবিষ্টুপুৰ শংকৰদেৱ নামঘৰ, বৰবিষ্টুপুৰ গাঁও উন্নয়ন সমিতি, শংকৰদেৱ সংঘ বৰবিষ্টুপুৰ প্ৰাথমিক শাখা, শংকৰদেৱ শিশু নিকেতন চেংনৈৰ আচাৰ্য-আচাৰ্যাকে ধৰি বিভিন্ন দল-সংগঠন আৰু ব্যক্তিয়ে অভিনন্দন জ্ঞাপন কৰি মেধাৱী ছাত্ৰজনৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে।

# জ্ঞান বিকাশ জাতীয় বিদ্যালয় হেলনাৰ সাফল্য

**পাঠশালা, ১২ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বজালীৰ হেলনাস্থিত জ্ঞান, বিকাশ জাতীয় বিদ্যালয়ৰ মুঠ ১৮ গৰাকী পৰীক্ষাৰ্থীয়ে পূৰ্বৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি আটাইগৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ বিদ্যালয়ৰ লগতে গ্ৰামাঞ্চললৈ সুনাম কঢ়িয়াই আনিছে। বিদ্যালয়খনৰ পৰা ২০০৭ত প্ৰথমবাৰ ছয়গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈ আটাইকেইগৰাকীয়ে সাধাৰণ গণিতত লেটাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। গ্ৰামাঞ্চলত অৱস্থিত এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে এনে উৎকৃষ্ট মানৰ ফলাফলৰ ধাৰা অক্ষুণ্ণ ৰখাটো এই অঞ্চলৰ বাবে অতি গৌৰৱৰ লগতে এক সুন্দৰ নিদৰ্শন। এইবেলি পাঁচগৰাকীয়ে ডিষ্টিংচন, চাৰিগৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰে। তদুপৰি অসমীয়াত সাত, ইংৰাজীত সাত, সাধাৰণ গণিতত ১২, বিজ্ঞানত পাঁচ, সমাজ বিজ্ঞানত ন, উচ্চ গণিতত দুই আৰু সংস্কৃত বিষয়ত ছয়গৰাকীয়ে লেটাৰ নম্বৰ লাভ কৰাৰ লগতে দুগৰাকী ছাত্ৰ ক্ৰমে ৰাহুল কলিতা আৰু ৰিদিপ কলিতাই সাধাৰণ গণিতত ১০০ শতাংশ নম্বৰ পাবলৈ সক্ষম হয়। বিদ্যালয়ৰ এই বৃহৎ সাফল্যত অধ্যক্ষ-উপাধ্যক্ষকে আদি কৰি সকলো শিক্ষক-কৰ্মচাৰী, পৰিচালনা সমিতিৰ সমূহ সদস্য, অভিভাৱক আৰু শুভাকাংক্ষীসকল উৎফুল্লিত হৈ পৰে।

# ঢেকীয়ালত তিনি শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১২ জুন ঃ** ঢেকিয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত তিনিগৰাকী শিক্ষক-শিক্ষয়িত্ৰী আৰু বিজ্ঞানাগাৰ সহায়ক ক্ৰমে জয়শ্ৰী দত্ত, বিচিত্ৰ তামুলী, অঞ্জু নাথ আৰু অৱন দুৱৰাক যোৱা জানুৱাৰীত আনুষ্ঠানিক বিদায় সম্বৰ্ধনা জনোৱা হয়। তদুপলক্ষে বিদ্যালয় প্ৰেক্ষাগৃহত বিদ্যালয়খনৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি গজেন দত্তৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দিব্যজ্যোতি গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰমোদ শইকীয়া, আনন্দ দাসকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থকে।

# অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন



**ডুমডুমা, ১২ জুন ঃ** অসম চৰকাৰৰ 'সমাজ কল্যাণ বিভাগ'ৰ দ্বাৰা শদিয়া সমষ্টিৰ অন্তৰ্গত মেগেলাৰ ন-পথাৰত ২৫ লাখ টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ সম্পূৰ্ণ হোৱা ন-পথাৰ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰটো বিধায়ক বলিন চেতিয়াই উদ্বোধন কৰে। শিশুক আদিপাঠৰ জ্ঞান বিলাই সমাজ জীৱনৰ ব্যক্তিত্ব গঢ়াত সহায় কৰা এই অংগনৱাড়ী কেন্দ্ৰৰ জৰিয়তে অনাগত দিনত অধিক সহায়ক হ'ব বুলি বিধায়কে তেওঁৰ অনুভৱত প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত বিধায়কৰ স'তে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য বসন্ত সোণোৱাল, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য সীমান্ত মৰাণ তথা বিধায়ক প্ৰতিনিধি, বিজেপি কাকপথাৰ মণ্ডল সমিতিৰ সভাপতি পাপু শইকীয়া, সমন্বিত জনজাতি উন্নয়ন প্ৰকল্পৰ অধ্যক্ষ ৰাজীৱ সোণোৱালকে আদি কৰি বহু দলীয় কৰ্মী আৰু শুভাকাংক্ষী ৰাইজ উপস্থিত আছিল।

# ধৰ্মপ্ৰাণ ব্যক্তি-সমাজকৰ্মী হৰেন নেওগৰ দেহাৱসান

**বিশেষ সংবাদদাতা**

**নগাবাট, ১২ জুন ঃ** যোৰহাট জিলাৰ চেংগেলীআটি গাঁৱৰ বাসিন্দা তথা সৰ্বোদয় হাইস্কুলৰ প্ৰতিষ্ঠাপক শিক্ষক, সমাজসেৱক, সৰবৰহী ব্যক্তি হৰেন নেওগ (৬২)ৰ অলপতে আকস্মিকভাৱে হৃদযন্ত্ৰজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ, বোৱাৰী, নাতিনী, মাতৃসহ বহু আত্মীয়ক এৰি যায়। মৃত্যুৰ আগমুহূৰ্তলৈকে নেওগ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলাৰ গ্ৰন্থ বিপণন শাখাৰ সভাপতি আৰু উত্তৰ পশ্চিম আঞ্চলিক শাখাৰ উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। ধৰ্মপ্ৰাণ লোকজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ চিয়াগীত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১২ জুন ঃ** দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ উদ্যোগত দুদিনীয়াকৈ অনুষ্ঠিত দৰঙীয়াৰ আপুৰুগীয়া সম্পদ চিয়াগীত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হৈছে। কালি সত্ৰীয়া সংস্কৃতিৰ বিশাৰদ মঙলদৈৰ ভানু ডেকা চহৰীয়াই উদ্বোধন কৰা আৰু ১৭ বছৰৰ তলৰ মুঠ ১০ টা দলে যোগদান কৰা (ক) শাখাত দক্ষিণ চুবুৰিৰ খাজাঞ্চি শিৰম, বীথিকা প্ৰিয়ম শইকীয়া, ভাৱনা হাজৰিকাৰ দলে প্ৰথম, চৰণধৰাৰ সাগৰিকা নাথ আৰু দিপীলাৰ ৰিকম ৰাজ শৰ্মাৰ দলে দ্বিতীয় আৰু নাপ্তাপাৰাৰ মৃদস্মিতা কলিতাৰ দলে তৃতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। আনহাতে, লোকশিল্পী ভদ্ৰকান্ত নাথ, দীপশিখা শইকীয়া, প্ৰাঞ্জল শৰ্মা, টংকেশ্বৰ নাথ আৰু হিৰণ্য প্ৰভা নাথে বিচাৰক হিচাপে পৰিচালনা কৰা তথা মুঠ ৪৫ টা দলে যোগদান কৰা (খ) শাখাত চৰণধৰাৰ চাৰুপ্ৰভা নাথৰ দলে প্ৰথম , বিহুভাঙাৰ প্ৰণতি বৰুৱাৰ দলে দ্বিতীয় আৰু চমতীয়াৰ হীৰামনি বৰুৱাৰ দলে তৃতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। সমাজসেৱী জনক চন্দ্ৰ ভূঞাৰ স্মৃতিত অনুষ্ঠিত এই চিয়াগীত প্ৰতিযোগিতাৰ নগদ ধনৰ পুৰস্কাৰ অহা পহিলা জুলাইত দৰঙী কলা কৃষ্টি উন্নয়ন সংঘৰ প্ৰতিষ্ঠা দিৱসত প্ৰদান কৰা হ'ব বুলি সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়াই জনাইছে।

# নামৰূপ সাৰ কাৰখানাৰ অৱসৰপ্ৰাপ্ত মহাপ্ৰবন্ধক দেৱেশ্বৰ শইকীয়াৰ বিয়োগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**



**যোৰহাট, ১২ জুন ঃ** 'পাৰিজাত নাৰ্ছাৰী'ৰ স্বত্বাধিকাৰী, নামৰূপ সাৰ কাৰখানাৰ অৱসৰপ্ৰাপ্ত মহাপ্ৰবন্ধক তথা বিশিষ্ট সমাজকৰ্মী দেৱেশ্বৰ শইকীয়া (৯২)ৰ যোৱা নিশা যোৰহাট গড়মূৰৰ অভিযান্ত্ৰিক পথৰ নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। যোৰহাটৰ সমাজ জীৱনৰ অগ্ৰণী ব্যক্তি শইকীয়াৰ আকস্মিক মৃত্যুত আজি যোৰহাটত গভীৰ শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে ১৯৩০ৰ ১৪ জুলাইত তিতাবৰৰ আমগুৰিখাট গাঁৱত জন্মগ্ৰহণ কৰা শইকীয়াই ১৯৪৮ত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা সুখ্যাতিৰে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৫০ত গুৱাহাটী কটন কলেজত বিজ্ঞান বিভাগত নামভৰ্তি কৰি পৰৱৰ্তী সময়ত ১৯৫৪ত তেওঁ যোৰহাটৰ প্ৰিন্স অৱ ৱেলছ কাৰিকৰী প্ৰতিষ্ঠানৰ পৰা মেকানিকেল আৰু অট'ম'বাইল ইঞ্জিনীয়াৰিং ডিপ্ল'মা লাভ কৰি ডিব্ৰুগড়ৰ কৰঙানি চাহ বাগিচাত কৰ্মজীৱনৰ পাতনি মেলে। কৰঙানি চাহ বাগিচাত ছমাহ চাকৰি কৰি ১৯৫৪ৰ পৰা ১৯৫৮লৈ চাৰি বছৰ কাল কলকাতাৰ ষ্টীল কাৰখানাত চাকৰি কৰে। তদুপৰি শইকীয়াই ১৯৫৯ৰ পৰা ১৯৬৩লৈ বিহাৰৰ জামছেদপুৰৰ টাটা কাৰখানাত কাৰ্যনিৰ্বাহ কৰি পুনৰ অসমলৈ ঘূৰি আহে আৰু নামৰূপ সাৰ কাৰখানাত যোগদান কৰে। ১৯৬৪ৰ পৰা সাৰ কাৰখানাৰ বিভিন্ন পদত চাকৰি কৰি ১৯৮৯ত মহা প্ৰবন্ধক হিচাপে অৱসৰ গ্ৰহণ কৰে। কাৰখানাৰ তিনিটা শাখাৰ মহাপ্ৰবন্ধক হিচাপে সেৱা আগবঢ়োৱাৰ অভিজ্ঞতাৰে পৰিপুষ্ট শইকীয়াই পৰৱৰ্তী ১১ বছৰ কাল দুলীয়াজানৰ অসম গেছ কোম্পানীত ব'ৰ্ড অৱ ডিৰেক্টৰ হিচাপে কাৰ্যনিৰ্বাহ কৰে। সুদীৰ্ঘ ২৫ বছৰীয়া চাকৰিৰ কাৰ্যকালত তেওঁ নামৰূপৰ সমাজ আৰু সাংস্কৃতিক ক্ষেত্ৰখনত জড়িত হৈ পৰে। নামৰূপ সংগীত মহাবিদ্যালয়, সাহিত্য সভা, নামঘৰ, নামৰূপ মহাবিদ্যালয়, বিভিন্ন ক্ৰীড়া অনুষ্ঠানৰ লগত জড়িত শইকীয়া ইনষ্টিটিউট অৱ মেটেৰিয়েল মেনেজমেণ্ট নামৰূপ শাখাৰ প্ৰতিষ্ঠাপক সভাপতি আৰু ইনষ্টিটিউট অৱ ইঞ্জিনীয়াৰিঙৰ সভাপতিৰ পদত অধিষ্ঠিত হৈ বিশিষ্ট সেৱা আগবঢ়াই গৈছে। মেকানিকেল আৰু ইঞ্জিনীয়াৰিং সেৱাত আগবঢ়োৱা বৰঙণিৰ বাবে তেওঁলৈ ইনষ্টিটিউট অৱ ইঞ্জিনীয়াৰৰ দ্বাৰা জীৱনজোৰা সাধনা স্বীকৃতি প্ৰদান কৰে। অৱসৰৰ পাছত যোৰহাটলৈ আহি শইকীয়াই 'পাৰিজাত' নামৰ নাৰ্ছাৰী খুলি যোৰহাটত এক নতুন ব্যৱসায় আৰম্ভ কৰি নিবনুৱা সংস্থাপনৰ বাট মুকলি কৰে। ইয়াৰ সমান্তৰালভাৱে যোৰহাটৰ সাধনী জাতীয় বিদ্যালয়, সাধনী ভৱন, সাধনী নামঘৰৰ প্ৰতিষ্ঠা কৰি মুখ্য উপদেষ্টাৰ দায়িত্ব পালন কৰিছিল। ২০১৭ত তেওঁৰ পাৰিজাত নাৰ্ছাৰীৰ দায়িত্ব পুত্ৰলৈ হস্তান্তৰ কৰি লিখা-মেলাত ব্যস্ত হৈ পৰে। 'জীৱনে মোক কি শিকালে' তেওঁৰ অন্যতম গ্ৰন্থ। মৃত্যুৰ সময়ত শইকীয়াই পত্নীসহ চাৰিজন পুত্ৰ, কন্যা আৰু বোৱাৰী সহিতে বৃহৎ পৰিয়ালৰ লগতে বহু সময়ত আত্মীয়ক এৰি গৈছে।

# শংকৰদেৱ শিশু নিকেতন, নানকাৰভয়ৰাত মাতৃ সন্মিলন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১২ জুন ঃ** অসমৰ কবিতাৰ গাঁওৰূপে পৰিচিত নলবাৰীৰ নাকাৰভয়ৰাত অৱস্থিত শংকৰদেৱ শিশু নিকেতনত কালি আবেলি নিকেতন প্ৰাংগণত মাতৃ সন্মিলন এখন অনুষ্ঠিত হয়। ৰূপালী বৰ্মনৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ আঁত ধৰে নিকেতনখনৰ প্ৰধান আচাৰ্য প্ৰমোদ বৰ্মনে। ৰাজ্যিক পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক মহেশ্বৰ বৰ্মাই শৈক্ষিক নিয়ন্ত্ৰকৰূপে কাৰ্যনিৰ্বাহ কৰি থকা নিকেতনৰ এই সন্মিলনত অধ্যয়নৰত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ মাতৃ অথবা আইতাক উপস্থিত থাকে। অখিল ভাৰতীয় শিক্ষা সংস্থান বিদ্যা ভাৰতীয় অন্তৰ্ভুক্ত শিশু শিক্ষা সমিতি, অসমৰ অন্তৰ্গত এই বিদ্যালয়খনত বিশেষ নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে বনভাগ বালিকা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী বিমলা বৰ্মন দেৱী, পশ্চিম বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা মঞ্জুৱাণী ভূঞা আৰু বড়িগোগ বনভাগ শিক্ষা খণ্ডৰ সমল ব্যক্তি সুভাষ বৰ্মন। ভাষণ প্ৰসংগত বিমলা বৰ্মন দেৱীয়ে কয় যে ল'ৰা-ছোৱালীৰ স্বভাৱ চৰিত্ৰ নিৰ্মিতত পিতৃ-মাতৃৰ ভূমিকা বিশেষভাৱে গুৰুত্বপূৰ্ণ। অধ্যক্ষা ভূঞাই মাতৃসকলক উদ্দেশি কয় যে নাটকত স্মাৰকৰ ভূমিকা যেনে শিশু প্ৰতিপালনত মাতৃৰ ভূমিকাও অনুৰূপ। আনগৰাকী নিমন্ত্ৰিত অতিথি সুভাষ বৰ্মনে ভাষণ প্ৰসংগত কয় যে শংকৰদেৱ শিশু বিদ্যা নিকেতনবোৰত চৰিত্ৰ গঠন তথা দেশ-প্ৰেম জাগৃত কৰাত বিশেষ ধ্যান দিয়া



পৰিলক্ষিত হয়। নিজৰ কৃষ্টি-সংস্কৃতিৰ আধাৰত মাতৃভাষাৰ মাধ্যমত শিক্ষক পঠন সম্পন্ন হোৱা এই পাঠশালাত অধ্যয়ন কৰা শিশুৰ ভৱিষ্যৎ সোণালী বুলিও তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। সভাত অৱসৰপ্ৰাপ্ত কৃতী শিক গোবিন্দ বৰ্মন, ৰূপজ্যোতি হাইস্কুলৰ প্ৰধান শিক্ষক পৰেশ শৰ্মা, ধৈৰ্যৰাম বৰ্মন, নিকেতন পৰিচালনা সমিতিৰ সভাপতি সুৰেন ৰাজবংশী, বিশিষ্ট সমাজসেৱী দক্ষৰাম বৰ্মন, নীলাকৰ বৰ্মন, কনক বৰ্মন, অতুল ৰাজবংশী, সৌমিত্ৰ বৰ্মন আদিও উপস্থিত থাকে। সভা সাফল্যমণ্ডিত কৰি তোলা বাবে মহেশ্বৰ বৰ্মা আৰু প্ৰমোদ বৰ্মনে উপস্থিত সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছে।

# মাহতলীহাটীত তিনিদিনীয়া পালনাম মহোৎসৱৰ সামৰণি

**বিশেষ সংবাদদাতা**

**পাঠশালা, ১২ জুন ঃ** ভৱানীপুৰৰ মাহতলীহাটী নামঘৰ প্ৰাংগণত মাহতলীহাটীৰ গঞা ৰাইজৰ উদ্যোগত বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱ শৰ্মা আৰু ডেকা সত্ৰীয়া গৌতম পাঠকৰ তত্ত্বাৱধানত তিনিদিনীয়াকৈ উদ্‌যাপিত দ্বাবিংশসংখ্যক পালনাম মহোৎসৱৰ আজি সামৰণি পৰে। আজি থিয়নাম পৰিৱেশনেৰে সামৰণি পৰে পালনাম মহোৎসৱৰ। ১০ জুনৰ পৰা উদ্‌যাপিত হোৱা পালনাম মহোৎসৱৰ প্ৰথমদিনা দিনৰ ভাগত গঞা ৰাইজৰ উদ্যোগত পৰিৱেশ নিকাকৰণ কৰা হয়। সন্ধিয়াৰ পৰা বন্তি প্ৰজ্বলন আৰু গৰখীয়া নাম পৰিৱেশন কৰা হয়। উল্লেখ্য যে কালি পুৱাৰ ভাগত প্ৰভাত ফেৰীৰ লগতে ভৱানীপুৰ অঞ্চলত সহস্ৰাধিক ভকত, আয়তী তথা ৰাইজে নাম-কীৰ্তনেৰে ভাগৱত লৈ শোভাযাত্ৰা কৰে। দিনৰ ন বজাত ১২ঘণ্টীয়া অখণ্ড পালনাম স্থাপন কৰে বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া গৌতম পাঠকে। নিশা ন বজালৈ হেজাৰ হেজাৰ নিমন্ত্ৰিত আৰু স্থানীয় ভকত-আয়তীয়ে অবিৰতভাৱে নাম-কীৰ্তন, ভাগৱত পাঠ কৰে ১২ ঘণ্টীয়া অখণ্ড পালনামত। তিনিদিনীয়া পালনাম মহোৎসৱত অগণন ভকত-আয়তীৰ দ্বাৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্ট অনুপম সংস্কৃতি নাম-কীৰ্তন কৰি গুৰুজনাৰ সংস্কৃতিৰে মুখৰিত কৰি তোলে মাহতলীহাটীৰ লগতে বৃহত্তৰ অঞ্চলটোৰ আকাশ-বতাহ।

# ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**


**বাহাৰঘাট, ১২ জুন ঃ** নলবাৰী জিলাৰ শতবৰ্ষ অতিক্ৰম কৰা শিক্ষানুষ্ঠান পশ্চিম বড়োগাগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এইবেলি কৃতিত্বৰে উত্তীৰ্ণ হোৱা একাংশ শিক্ষাৰ্থীক কালি বিদ্যালয় প্ৰাংগণত সম্বৰ্ধনা জনায়। তদুপলক্ষে বিদ্যালয়ৰ অধ্যক্ষ মনোৰঞ্জন বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত শিক্ষাৰ্থীসকলক গামোচা আৰু কলমৰে শিক্ষক-শিক্ষয়িত্ৰীসকলে সম্বৰ্ধনা জনায়। শিক্ষক পুলেন চন্দ্ৰ দাসে আঁত ধৰা সভাত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি নৰেন শৰ্মাই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক আশীৰ্বাদ প্ৰদান কৰি কয় যে এজন কৃতী শিক্ষাৰ্থী অকল পৰিয়ালৰ গৌৰৱ নহয়, তেওঁ বিদ্যালয়, অঞ্চল তথা দেশৰ গৌৰৱ হ'ব পাৰে। তাৰ বাবে আজি তোমালকক গামোচাৰে উদ্‌গনি দিছে। তোমালোকে জীৱন গঢ়া প্ৰথম পৰীক্ষাতে আশীৰ্বাদ পাইছা। তদুপৰি সভাত বিদ্যালয়ৰ জ্যেষ্ঠ সহ শিক্ষক অনিল চন্দ্ৰ শৰ্মাই সম্বৰ্ধিত শিক্ষাৰ্থীসকলক বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাপতিৰ ভাষণত অধ্যক্ষ বৰুৱাই কয় যে আমাৰ মনত সকলো ছাত্ৰ-ছাত্ৰীয়ে কৃতীমান। আমাৰ বিদ্যালয়ৰ সম্পদ। তথাপিও আজি কেইগৰাকীমানক বিশেষ পাৰদৰ্শিতাৰ বাবে সম্বৰ্ধনা জনালো। সম্বৰ্ধনা গ্ৰহণ কৰি কেইগৰাকীমান শিক্ষাৰ্থীয়ে শিক্ষকসকলৰ ত্যাগৰ শলাগ লোৱাৰ লগতে বৰ্তমান অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ৰ গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়। সভাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে সহযোগ কৰে। উল্লেখ্য যে এইবেলি বিদ্যালয়খনৰ পৰা মুঠ ৭৭ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষা দিছিল। ইয়াৰে ৫৫ গৰাকী উত্তীৰ্ণ হৈছিল। উত্তীৰ্ণ পৰীক্ষাৰ্থীৰ ভিতৰত ২০ গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হয়।

# কাজিৰঙা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ১২ জুন ঃ** যোৰহাট জিলাৰ পশ্চিম যোৰহাটস্থিত কাজিৰঙা বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীয়ে কালি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কে'বাশতাধিক ছাত্ৰ ছাত্ৰীয়ে একেলগে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে সাব্যস্ত কৰে এই প্ৰতিবাদ। জানিব পৰা মতে, ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি কম বুলি সমাগত পৰীক্ষাত বহিবলৈ নিদিয়াৰ জাননী জাৰী কৰিছিল কৰ্তৃপক্ষই। পৰীক্ষাত বহিবলৈ হ'লে প্ৰতি বিষয়ত এহেজাৰ টকাকৈ দিবলৈ এক নিৰ্দেশ দিয়াৰ পাছতে সকলোৱে মিলি এই কাৰ্যসূচী ৰূপায়ণ কৰে। কৰ্তৃপক্ষৰ এই নিৰ্দেশ একপক্ষীয় বুলি কে'বা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদ কৰে। উল্লেখ্য যে নিয়মীয়াকৈ ক্লাছত উপস্থিত নথকা ছাত্ৰ-ছাত্ৰীক অৰ্থাৎ ৭৫ ৰ তলত উপস্থিত থকা সকলোকে ফাইন ভৰি পৰীক্ষাত বহিবলৈ কয়। প্ৰথমতে গেট বন্ধ কৰি বিশ্ববিদ্যালয়ৰ সীমাৰ ভিতৰতে ৰাখিছিল ছাত্ৰ-ছাত্ৰীসকলক। অৱশেষত গেট খুলি ৰাজপথলৈ ওলাই আহি ছাত্ৰ-ছাত্ৰীসকলে কৰ্তৃপক্ষৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সকলো ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ৰ আগফালে থকা গেটৰ বাহিৰৰ পথত বহি পৰে সকলোৱে কৰ্তৃপক্ষৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দি ব্যাপক প্ৰতিবাদেৰে গোটেই অঞ্চল উত্তাল কৰি তোলে।

# পূব হাতীচোঙৰ গান্ধীজী প্ৰাথমিক বিদ্যালয়ৰ কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন



**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১২ জুন ঃ** সম্প্ৰতি চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানসমূহৰ নেতিবাচক খবৰবোৰৰ বিপৰীতে নগাঁও জিলাৰ খাগৰিজান প্ৰাথমিক শিক্ষাখণ্ডৰ চকলাঘাট মণ্ডল সমল কেন্দ্ৰৰ পূব হাতীচোং অঞ্চলৰ গান্ধীজী প্ৰাথমিক বিদ্যালয়ে ক্ৰমাগতভাৱে কিছুবছৰৰ ভিতৰত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি আৰু শিক্ষাৰ গুণগত মানৰ উন্নতিৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ প্ৰধান শিক্ষক পৱনজ্যোতি বৰাৰ সু-পৰিচালনাত বিদ্যালয়খনে যোৱা দুটা বছৰত বিদ্যালয়ৰ শৈক্ষিক মান বহুখিনি আগবঢ়াইছে। এই বিদ্যালয়তে কালি অনুষ্ঠিত শণিবৰীয়া চ'ৰাত বিদ্যালয়খনত প্ৰাথমিক শিক্ষা সাং কৰি গৈ পৰৱৰ্তী পৰ্যায়ত আন শিক্ষানুষ্ঠানৰ পৰা সদ্য ঘোষিত প্ৰৱেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ১০ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক একোখনকৈ গামোচা আৰু মানপত্ৰৰে অভিনন্দন জনায়। সেই অনুষ্ঠানত চকলাঘাট শাখা সাহিত্য সভাৰ সভাপতি তথা নুপুৰ মোমাইদেউ খ্যাত শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, মাজ-জাজৰি মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক নৰেন ডেকা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দীনেশ চন্দ্ৰ হাজৰিকা, সুভদ্ৰা বেজবৰুৱা, ভানুমাই দেৱী, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বুদ্ধেশ্বৰ নাথ, সমাজ সংগঠক যজ্ঞেশ্বৰ বৰা, লোকেন্দ্ৰ নাথ, প্ৰধান শিক্ষক পৱনজ্যোতি বৰা, সহকাৰী শিক্ষক-শিক্ষয়িত্ৰীক্ৰমে অতুল চন্দ্ৰ বৰা ,জুনু বৰা,ৰাজু কলিতা,কৌশিক শইকীয়া, ৰন্ধন কৰ্মী জুৰি শইকীয়া আৰু জনেমাই দেৱীৰ লগতে ভালেসংখ্যক অভিভাৱক উপস্থিত থাকে।

# বিশ্বনাথ সমষ্টি অগপৰ ভেটি শক্তিশালীৰ বাবে বিশ্বনাথ নগৰস্থিত অগপৰ কাৰ্যালয়ত যুৱ পৰিষদৰ সভা

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১২ জুন ঃ** বিশ্বনাথ সমষ্টি অগপৰ ভেটি শক্তশালী কৰা উদ্দেশ্যে বিশ্বনাথ নগৰস্থিত অগপৰ কাৰ্যালয়ত অনুষ্ঠিত কৰা হ'ল যুৱ পৰিষদৰ এখন আলোচনা সভা। এই সভাত অগপক পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে, দেউৰী স্বায়ত্ব পৰিষদ আৰু লোক সভা নিৰ্বাচনৰ পূৰ্বে এক শক্তিশালী স্থিতিত আনিবলৈ অসম গণ পৰিষদৰ সকলো ভ্ৰাতৃ-ভগ্নি সংগঠনসমূহ সক্ৰিয় কৰি তুলি ৰাইজৰ কাষ চাপিবলৈ আহ্বান জনোৱা হয়। উক্ত সভাত অহা ২০ জুনত শিল্পী দিৱস উদ্‌যাপন কৰা আৰু পঞ্চায়ত নিৰ্বাচনত কেন্দ্ৰ কৰি বিশ্বনাথত এক ৰাজহুৱা সভা আহ্বান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত সভাত অংশগ্ৰহণ কৰি দলটোক শক্তিশালী কৰাৰ বাবে ভাষণ প্ৰদান কৰে অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী তথা বিশ্বনাথ বিধান সভা সমষ্টিৰপ্ৰাক্তন বিধায়ক প্ৰবীণ হাজাৰিকাই। আনহাতে, এই যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি নোমল বৰা,সাধাৰণ সম্পাদক সিমান্ত দাস, যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক সংগঠক ধ্ৰুৱ শইকীয়া, নয়ন শইকীয়া আৰু সুছান্ত ভট্টৰ লগতে যুৱ পৰিষদৰ বিশ্বনাথ জিলা সমিতিৰ সভাপতি ভৰত কলিতাসহ আন বহু লোকে অংশগ্ৰহণ কৰে।

# গোৱালপাৰাত দুৰ্নীতিগ্ৰস্ত লাট মণ্ডুলক ৰক্ষণা-বেক্ষণৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১২ জুন ঃ** ৰাজহ চক্ৰৰ দুৰ্নীতি আৰু দালাল মুক্ত কৰাৰ লক্ষ্যৰে চৰকাৰে একে দিনাই বৃহৎ সংখ্যক লোকক গ্ৰেপ্তাৰ কৰি সকীয়নি প্ৰদান কৰিছিল। ফলত ৰাজহ চক্ৰসমূহত চলি থকা দুৰ্নীতি আৰু অনিয়মৰ পৰিমাণ যথেষ্ট হ্ৰাস পাইছিল। কিন্তু গোৱালপাৰা জিলাৰ বাবে সেয়া ফুটুকাৰ ফেনৰ লেখিয়া হোৱা বুলি ৰাইজৰ মাজত সৰৱ চৰ্চা চলিছে। সম্প্ৰতি জিলাখনৰ পাঁচোটা ৰাজহ চক্ৰতেই একাংশ মধ্যভোগীৰ জৰিয়তে কৰ্তৃপক্ষই কম-বেছি পৰিমাণে পুনৰ উৎকোচৰাজৰ বজাৰ সৃষ্টি কৰা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। ইপিনে সঘনাই বদলিকৰণ কৰি প্ৰশাসনে একাংশ লাট মণ্ডুলক ৰক্ষণাবেক্ষণ দিবলৈ উঠি পৰি লগা বুলি আভ্যন্তৰীণ মহলতে সৰৱ চৰ্চা চলিছে। প্ৰাপ্ত তথ্য মতে যোৱা ২৭ মে'ত গোৱালপাৰাৰ জিলা উপায়ুক্তই জিআৰকে ৩/২০১৯/পিটি-।/১৫ নম্বৰ নিৰ্দেশনাযোগে ১০গৰাকীকৈ লাট মণ্ডুলক বদলি কৰে। ইয়াৰে ৰংজুলি ৰাজহ চক্ৰৰ লাট মণ্ডুলদ্বয় লক্ষেশ্বৰ বৰুৱা আৰু তহিদুৰ ৰহমানক মাটিয়া ৰাজহ চক্ৰলৈ, দুধনৈ ৰাজহ চক্ৰৰ লাটমণ্ডুল গোলাম মোস্তাফা আহমেদক মাটিয়া ৰাজহ চক্ৰলৈ, মাটিয়া ৰাজহ চক্ৰৰ লাট মণ্ডুল ক্ৰমে গুনেন্দ্ৰ কলিতাক দুধনৈ ৰাজহ চক্ৰলৈ, জয়ন্ত কুমাৰ বড়োক লক্ষীপুৰ ৰাজহ চক্ৰলৈ আৰু ছামছুল হুদাক ৰংজুলি ৰাজহ চক্ৰলৈ লক্ষীপুৰ ৰাজহ চক্ৰৰ লাটমণ্ডুল ক্ৰমে জয়ন্ত কুমাৰ নাথক বালিজানা ৰাজহ চক্ৰলৈ, উমানন্দ নাথক মাটিয়া ৰাজহ চক্ৰলৈ, বালিজানা ৰাজহ চক্ৰৰ ক্ৰমে আবুল কালাম আজাদক লক্ষীপুৰ ৰাজহ চক্ৰলৈ আৰু আমানুৰ ইছলামক ৰংজুলি ৰাজহ চক্ৰলৈ বদলি কৰা হৈছে। ইপিনে যোৱা ৩১ মে'ত জিআৰকে ৩/২০১৯/পিটি-।/১৬ নম্বৰযোগে বালিজানা ৰাজহ চক্ৰৰ লাট মণ্ডুল আনিছুল হুছেইনক লক্ষীপুৰ ৰাজহ চক্ৰলৈ, মাটিয়া ৰাজহ চক্ৰৰ লাট মণ্ডুল নুৰ নৈবুৰ ৰহমানক বালিজানা ৰাজহ চক্ৰলৈ বদলি কৰা হৈছে। লগতে একেই নিৰ্দেশনাটোত যোৱা ২৭ মে'ত জিআৰকে ৩/২০১৯/পিটি-।/১৫-জে নম্বৰযোগে লক্ষীপুৰ ৰাজহ চক্ৰৰ লাটমণ্ডুল জয়ন্ত কুমাৰ নাথক বালিজানা ৰাজহ চক্ৰলৈ কৰা বদলিকৰণ স্থগিত ৰখা হৈছে। উল্লেখ্য যে কৰ্মচাৰীসকলৰ বদলিকৰণ এক স্বাভাৱিক প্ৰক্ৰিয়া যদিও গোৱালপাৰা জিলা প্ৰশাসনৰ এক প্ৰভাৱশালী চক্ৰক মেনেজ কৰি একাংশ দুৰ্নীতিগ্ৰস্ত লাট মণ্ডুলে নিজৰ পছন্দৰ ৰাজহ চক্ৰলৈ বদলি হৈ অহা বুলি আভ্যন্তৰীণ মহলতে সৰৱ চৰ্চা চলিছে। ইপিনে বিগত প্ৰায় এবছৰ ধৰি লাট মণ্ডুলৰ লগতে জিলা প্ৰশাসনৰ কৰ্মচাৰীসকলক বাৰে বাৰে বদলি কৰাৰ ব্যৱস্থা কৰি উক্ত প্ৰভাৱশালী চক্ৰটোৱে মুনাফা লুটি থকা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অৱশ্যে প্ৰভাৱশালী চক্ৰটোক সন্তুষ্ট কৰিব নিবিচৰা তথা নকৰা একাংশ কৰ্মচাৰীৰ চকী সঘনাই লৰচৰ কৰোৱা বুলিও অভিযোগ উঠিছে। এইদৰে সঘনাই বদলিকৰণ চলি থকা বিষয়টোৰ ক্ষেত্ৰত নিৰপেক্ষ তদন্তৰ দাবী উত্থাপন কৰিছে নাম প্ৰকাশক অনিচ্ছুক একাংশ কৰ্মচাৰীয়ে।

# বিশ্বনাথ পৌৰসভাৰ নিৰ্বাচিত ৱাৰ্ড কমিচনাৰ-নৱনিৰ্বাচিত পৌৰপতিক আদৰণি

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১২ জুন ঃ** আজি বিশ্বনাথ চাৰিআলি পৌৰ সভাৰ ১২ টা ৱাৰ্ডৰ পৰা নিৰ্বাচিত ৱাৰ্ড কমিচনাৰসকল আৰু নৱনিৰ্বাচিত পৌৰপতিক আদৰণি জনাবৰ উদ্দেশ্যে এখন আদৰণি সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে ভাৰত মাতাৰ প্ৰতিছবি তথা বিজেপি আদি গুৰু প্ৰতিস্থাতা প্ৰয়াত দীনদয়াল শৰ্মা আৰু প্ৰয়াত শ্যামা প্ৰসাদ মুখাৰ্জীৰ প্ৰতি ছবিত বন্তী প্ৰদ্বলন কৰে বিজেপিৰ জ্যেষ্ঠ ৮১ বছৰীয়া চাৰি নম্বৰ ৱাৰ্ডৰ সদস্য দুৰ্গেশ্বৰ শইকীয়া আৰু মধুপুৰৰ বিশ্বনাথ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বাবুল বৰাই। বন্তী প্ৰজ্বলনৰ লগে লগে সকলো সদস্য থিয় হৈ ভাৰতীয় জাতীয় সংগীত বন্দে মাতৰম আৰম্ভ কৰে আৰু ভাৰত মাতাৰ জয়ধ্বনি দিয়ে। ইয়াৰ পাছতে অসমৰ পশুপালন বিভাগৰ অধক্ষ তথা প্ৰাক্তন বিশ্বনাথ নগৰ তথা জিলাৰ মণ্ডলৰ সম্পাদক পৰেশ বৰকাকতি, চাহ মৰ্চাৰ অধক্ষ দিগন্ত ঘাটোৱাৰ, বিশ্বনাথ জিলা পৰিষদৰ সদস্য সত্যেন হাজৰিকা দেৱ, বিশ্বনাথ জিলাৰ সভাপতি পংকজ বৰা, বিশ্বনাথ নগৰ মণ্ডলৰ সভাপতি কোষেশ্বৰ বৰা আৰু পৌৰ নিগমৰ সভাপতি অমৰজ্যোতি বৰঠাকুৰক একোখনি ফুলাম গামোছাৰে আদৰনি জনাই চিনাকি কৰি দিয়ে। আদৰণি সভাৰ সভাপতিত্ব কৰে কোষেশ্বৰ বৰাই। সভাৰ আঁত ধৰে নগৰ মণ্ডলৰ সম্পাদক তথা চাৰি নম্বৰ ৱাৰ্ডৰ কমিচনাৰ মিলন বৰাই। ইয়াৰ পাছতে বিশ্বনাথ পৌৰ সভাৰ ১১ টা ৱাৰ্ডৰ সদস্যসকলক একোখনি ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। ইয়াৰ পাছতে আমন্ত্ৰিত অতিথিসকলে নিজৰ নিজৰ বক্তব্য ৰাখি মাননীয় ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আদৰ্শ লৈ নিকা আৰু সচেতন হৈ নিজৰ নিজৰ ৱাৰ্ডৰ অঞ্চলত লগতে জ্যেষ্ঠসকলৰ পৰামৰ্শ লৈ কাম কৰি যাবলৈ সভায় আহ্বান জনায়।



*পৌৰ নিগমৰ অন্তৰ্ভুক্তকৰণ সন্দৰ্ভত আজাৰাত নাগৰিক সভা।*

# ছাত্ৰ-ছাত্ৰীক দূৰদৰ্শী হ'বলৈ আহ্বান ভাটনাগৰ বঁটা প্ৰাপক বিজ্ঞানী ড° শইকীয়াৰ

## ■ ছাত্ৰ নেতা পিংকুল দত্তৰ স্মাৰক বক্তৃতানুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণ গাঁও, ১২ জুন ঃ** মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি অনুষ্ঠিত হোৱা ছাত্ৰ নেতা পিংকুল দত্ত স্মাৰক বক্তৃতানুষ্ঠানত 'বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱন' শীৰ্ষক বিষয়ত ভাষণ প্ৰদান কৰি ভাৰতৰ সৰ্বোচ্চ বৈজ্ঞানিক পুৰস্কাৰ শান্তিস্বৰূপ ভাটনাগৰ বটাঁ প্ৰাপক ২০২১ তথা যোৰহাটস্থিত উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানৰ প্ৰধান বিজ্ঞানী ড° বিনয় শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক দূৰদৰ্শী হ'বলৈ অৰ্থাৎ দূৰলৈ চিন্তা কৰিব পৰা শক্তি অৰ্জন কৰিব পৰাকৈ প্ৰচেষ্টা চলাবলৈ আহ্বান জনায়। ছাত্ৰনেতা পিংকুল দত্ত ফাউণ্ডেছনৰ উদ্যোগত আৰু স্থানীয় নামলগোৱা গাঁৱৰ ৰাইজ তথা শুভাকাংখীসকলৰ সহযোগত অনুষ্ঠিত বক্তৃতানুষ্ঠানত বিষয়বস্তুৰ সন্দৰ্ভত চিন্তনীয় বক্তব্য প্ৰদান কৰি অসম গৌৰৱ ড° শইকীয়াই জ্ঞানক অৰ্থনীতিলৈ পৰিৱৰ্তন কৰি কেনেদৰে লাভান্বিত হ'ব পাৰি সেই বিষয়েও উল্লেখ কৰাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিজ্ঞানীগৰাকীয়ে আমাৰ দেশত বিজ্ঞান আৰু প্ৰযুক্তিৰ দৰে উদ্ভাৱনৰ ক্ষেত্ৰত আগবাঢ়িব পৰা নাই বুলি উল্লেখ কৰে। নিজা গৱেষনাভিত্তিক বিষয়তো ড° শইকীয়াই আলোচনা আগবঢ়ায়। অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট কৃষি বিজ্ঞানী ড° বিজ্ঞান চন্দ্ৰ বৰদলৈয়ে সঞ্চালনা কৰা বক্তৃতানুষ্ঠানটো উদ্বোধন কৰে মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পলাশজ্যোতি দত্তই। শংকৰদেৱ শিশু নিকেতন, মিছামৰাৰ ছাত্ৰীসকলে পৰিবেশন কৰা মংগলাচৰণেৰে আৰম্ভ কৰা বক্তৃতানুষ্ঠানত পিংকুল ফাউণ্ডেছনৰ সভাপতি যতীন ফুকনে আদৰণি ভাষণ দিয়াৰ পাছতে ফাউণ্ডেছনৰ প্ৰাক্তন সভাপতিদ্বয় সমাজকৰ্মী অতুল চন্দ্ৰ দত্ত আৰু নবীন চন্দ্ৰ দত্তৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।

বক্তৃতানুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি দিয়া ভাষণত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিৱৰ্তন গোস্বামীয়ে ২০১৬ত এক দুৰ্ঘটনাত অকাল মৃত্যু ঘটা দেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ তেতিয়াৰ সহকাৰী সম্পাদক পিংকুল দত্তৰ বহুমুখী প্ৰতিভা স্মৰণ কৰাৰ লগতে তেওঁৰ স্মৃতিত চঞ্চৰজ্জ চনৰ পৰা শিক্ষাৰ্থী সকলক উপকৃত কৰিব পৰাকৈ অনুষ্ঠিত কৰি অহা অনুষ্ঠানৰ বাবে পৰিয়াল বৰ্গৰ প্ৰতি শলাগ জ্ঞাপন কৰে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলৰ বিজ্ঞান বিষয়ৰ বিভিন্ন প্ৰশ্নৰো উত্তৰ দিয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিজ্ঞানী ড°বিনয় শইকীয়াই। লেখিকা তথা শিক্ষয়িত্ৰী জ্যোতি ৰাজখোৱা ফুকনে আঁতধৰা অনুষ্ঠানত সমজুৱাৰ ফালৰ পৰা দেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা দীপ বৰঠাকুৰ, কবি ধ্ৰুৱজ্যোতি বৰাই চমু বক্তব্য প্ৰদান কৰে।

# এশ শতাংশ নম্বৰৰে উজলিল জামুগুৰিহাটৰ সপ্তশী বিদ্যালয়

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১২ জুন ঃ** জামুগুৰিহাটৰ নাভিকেন্দ্ৰত অৱস্থিত সপ্তশী বিদ্যালয়ে পূবৰ গৌৰৱ অক্ষুণ্ণ ৰাখি এইবাৰো সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলে জামুগুৰিহাটলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। জামুগুৰিহাটৰ, একাংশ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষকৰে পৰিচালিত আৰু শিক্ষাদানত জড়িত ২০০৭ত স্থাপিত হোৱা বিদ্যালয়খনে অঞ্চলটোৰ বৌদ্ধিক বিকাশত বিশেষ অৰিহণা যোগাই আহিছে। এই বেলিও বিদ্যালয়খনৰ পৰা ১১ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈ ইয়াৰে তিনিগৰাকীয়ে ষ্টাৰ নম্বৰসহ মুঠ সাতগৰাকীয়ে প্ৰথম বিভাগ, দুজন দ্বিতীয় আৰু দুজন তৃতীয় বিভাগত উত্তীৰ্ণ হৈ ১০০ শতাংশ উত্তীৰ্ণৰ হাৰ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হয়। বিদ্যালয়ৰ অধ্যক্ষ হেমন্ত বৰা, জ্যেষ্ঠ শিক্ষক তৰুণ বৰুৱা, স্বৰাজ ভূএগ্ৰা আদিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ এই সফলতাত সন্তোষ প্ৰকাশ কৰাৰ লগতে ১০০ শতাংশৰে উত্তীৰ্ণ এনে গৌৰৱ উজ্বল ফলাফলৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে স্থানীয় ৰাইজে।

# একাগ্ৰতা থাকিলে আৰ্থিক দুৰৱস্থাই শিক্ষা গ্ৰহণত হেঙাৰ হ'ব নোৱাৰে

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ১২ জুন ঃ** মনত একাগ্ৰতা আৰু প্ৰবল ইচ্ছাশক্তি থাকিলে শিক্ষা আহৰণত আৰ্থিক বাধাই কোনো প্ৰভাৱ পেলাব নোৱাৰে। এই কথাই পুনৰ প্ৰতিপন্ন কৰি নিজৰ মেধা শক্তিৰে জিলিকি উঠিল ৰঙিয়াৰ সমীপৱৰ্তী ধেপাৰ গাঁৱৰ অতি দুখীয়া পৰিয়ালৰ ছাত্ৰী উম্মে ইয়াচমিনে। ৰাজ্যৰ চৰকাৰী বিদ্যালয়সমূহৰ ফলাফল নিম্নগামী হোৱাৰ সময়তে উম্মে ইয়াচমিনে কে বি দেউলকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ সদ্য ঘোষিত ফলাফলত ৯০.৮৩ শতাংশ নম্বৰেৰে আটাইকেইটা বিষয়ত লেটাৰ নম্বৰসহ ডিষ্টিংচন লাভ কৰিবলৈ সক্ষম হয়। তেওঁৰ এই বিৰল সাফল্যত অঞ্চলটোৰ লগতে বিদ্যালয়ত আনন্দৰ বন্যা বয়। কাউৰবাহা মৌজাৰ অত্যন্ত পিছপৰা অঞ্চল ধেপাৰ গাঁৱৰ নিবাসী অতি দুখীয়া ৰাজমিস্ত্ৰি পিতৃ ফিৰোজ আলী আৰু মাতৃ ৰুমী বেগমৰ প্ৰথম কন্যা উম্মে ইয়াচমিন স্কুলীয়া জীৱনত কোনো ব্যক্তিগত টিউচন অবিহনেই এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৫৪৫ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। মনত এগৰাকী চিকিৎসক হোৱাৰ সপোন পুহি ৰখা উম্মে ইয়াচমিনৰ পিতৃ-মাতৃয়ে কন্যাৰ সাফল্যত আনন্দ কৰাৰ বিপৰীতে আৰ্থিক দুৰৱস্থাৰ বাবে কন্যাক ভৱিষ্যতক লৈ চিন্তিত হৈ পৰিছে। সদ্য ঘোষিত পৰীক্ষাত আশাতীত ফল লাভ কৰি গৌৰৱ বৃদ্ধি কৰা আৰ্থিকভাৱে অত্যন্ত দুৰ্বল পৰিয়ালটোৱে ছাত্ৰীগৰাকীৰ পিতৃয়ে নিজৰ গৃহত পঢ়া-শুনা কৰাৰ বাবে উপযুক্ত কোঠা, চকী, টেবুল আদিও জোগাৰ কৰি দিব পৰা নাছিল। আৰ্থিক দুৰৱস্থাৰ বাবে উম্মে ইয়াচমিনে উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত তীব্ৰ প্ৰত্যাহ্বানৰ সম্মুখীন হোৱা পৰিলক্ষিত হৈছে।



## ■ উম্মে ইয়াচমিনৰ উচ্চ শিক্ষা গ্ৰহণ পৰিয়ালত ডাঙৰ প্ৰত্যাহ্বান

# চিৰাং জিলা যোগাসন প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**চিৰাং, ১২ জুন ঃ** অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি অহা ১৩ জুনত চিৰাং জিলা প্ৰশাসনৰ উদ্যোগত কাজলগাঁও পেৰেড গ্ৰাউণ্ডত পুৱা ৯-৩০ বজাৰ পৰা জিলাভিত্তিত এখন যোগাসন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। চাৰিটা শখাত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাত পুৰুষ-মহিলা, ছাত্ৰ-ছাত্ৰী সকলোৱে অংশগ্ৰহণ কৰিব পাৰিব। শাখাসমূহ হৈছে ১০ বছৰ বয়সলৈকে 'ক' শাখা, ১০ বছৰৰ পৰা ১৮ বছৰ বয়সলৈকে 'খ' শাখা, ১৮ৰ পৰা ৩৫ বছৰ বয়সলৈকে 'গ' শাখা আৰু ৩৫ বছৰৰ ওপৰত 'ঘ' শাখা। প্ৰতিযোগীসকলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ বয়সৰ প্ৰকৃত প্ৰমাণপত্ৰ লগত লৈ আনিব লাগিব আৰু (১) বৃক্ষাসন, (২) উষ্ট্ৰাসন, (৩) বক্ৰাসন, (৪) উত্তানপদাসন আৰু (৫) নিজ ইচ্ছাৰে এটি আসনত অংশগ্ৰহণ কৰিব লাগিব। উল্লেখ্য যে এই প্ৰতিযোগিতাৰ প্ৰতিটো শাখাৰ এগৰাকীকৈ বিজয়ী প্ৰতিযোগী ৰাজ্যিক পৰ্যায়ৰ যোগাসন প্ৰতিযোগিতালৈ নিৰ্বাচিত কৰা হ'ব। এই যোগাসন প্ৰতিযোগিতাৰ বিষয়ে সবিশেষ জানিবৰ বাবে প্ৰতিযোগীসকলে ৯৯৫৪০৬০৪২৬ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# হালাকুৰা জাতীয় বিদ্যালয়ত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



**বক্সিৰহাট, ১২ জুন ঃ** গোলকগঞ্জ সমষ্টিৰ অন্তৰ্গত হালাকুৰা জাতীয় বিদ্যালয়ত কৃতী ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সঞ্চালক মোতালেব মণ্ডলৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে প্ৰধান শিক্ষক হাচানুৰ ৰহমানে। সভাত ১৮গৰাকী ছাত্ৰ-ছাত্ৰীক গামোচা, অভিধান, মানপত্ৰ, ফুলৰ থোপাৰে সন্মান জনোৱা হয়। প্ৰথমবাৰৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা ১৯গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত নগৰাকীকৈ ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম আৰু দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। বিদ্যালয়খনত শতকৰা ৯৫ শতাংশ উত্তীৰ্ণ হয়। সভাত সমাজসেৱক প্ৰভাত চৌধুৰী, প্ৰাক্তন শিক্ষক কমলেশ্বৰ ৰায়, শিক্ষক ইছাহক আলী সমিতিৰ সভাপতি মিজানুৰ ৰহমান, ৰফিকুল ইছলাম, অনুপ কুমাৰ মণ্ডল, তাপশ ৰায়ে ভাষণ আগবঢ়ায়।

# মহিলাৰ বাবে বলৱৎ হোৱা আইনসমূহ জনাৰ প্ৰয়োজন

## ■ জামুগুৰিহাটত আইনী কৰ্মশালা



**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১২ জুন ঃ** 'মহিলাৰ বাবে বলৱৎ হোৱা আইনসমূহ জনাৰ প্ৰয়োজন আছে। চৰকাৰে এই আইনসমূহ জনাৰ বাবে আইনী কৰ্মাশালা অনুষ্ঠিত কৰি জনাৰ সুবিধা প্ৰদান কৰিছে। ইয়ে সমাজ আগুৱাই নিয়াত আৰু বঞ্চিত মহিলাসকলক উপকৃত কৰিব।' কালি জামুগুৰিহাটৰ মধ্য চিলাব্ধা গাঁও পঞ্চায়তৰ কাৰ্যালয়ত আজিৰে পৰা ৰাজ্যিক গ্ৰামোন্নয়ন প্ৰতিষ্ঠান অভিকৰণৰ সহযোগত আৰু ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমৰ উদ্যোগত দুদিনীয়াকৈ অনুষ্ঠিত কৰ্মশালা উদ্বোধন কৰি এই মন্তব্য কৰে মধ্য চিলাবন্ধা গাঁও পঞ্চায়তৰ সভানেত্ৰী জুলী ভৰালীয়ে। শোণিতপুৰ জিলাৰ চতিয়া বিধানসভা সমষ্টিৰ অধীনস্থ আৰু নদুৱাৰ উন্নয়ন খণ্ডৰ অধীনৰ দক্ষিণ চিলাবন্ধা, মধ্য চিলাবন্ধা, পশ্চিম মুঢ়াদল, উত্তৰ চিলাবন্ধা আৰু উত্তৰ মূঢ়া দলৰ অন্তৰ্গত মুঠ ২০টা পঞ্চায়তক সামৰি আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত আইনী কৰ্মশালাত উপস্থিত থাকি প্ৰশিক্ষণ প্ৰদান কৰে ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমৰ সমল ব্যক্তি হিমাংশু শইকীয়াই। কৰ্মশালাত শইকীয়াই ভাৰতীয় নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য, মানৱ সৰবৰাহ আৰু প্ৰসৱৰ পূৰ্বে লিংগ নিৰ্ধাৰণ সন্দৰ্ভত দৃশ্য শ্ৰাব্যৰ জৰিয়তে দাঙি ধৰে। প্ৰতিজন নাগৰিকে অধিকাৰ যিদৰে দাবী কৰে একেদৰে কৰ্তব্যও পালন কৰিব লাগে। ৰাজহুৱা সম্পত্তি ৰক্ষণা-বেক্ষণ, সংবিধান মানি চলিবলৈ আহ্বান জনায়। মানৱ সৰবৰাহ ৰোধ কৰাৰ বাবে ৰাইজ সজাগ হ'ব লাগিব বুলি কৈ মিছা প্ৰলোভন আৰু সস্তীয়া ধনৰ লালসা পৰিহাৰ কৰিব লাগিব। মানৱ সৰবৰাহকাৰীৰ কৱলত পৰা সকলৰ কেৱল সামাজিক কামতে নহয় মানৱ অংগও কাঢ়ি নিয়ে বুলি কৈ তথ্য গধুৰ বক্তব্য দিয়ে। শইকীয়াই লগতে বিশেষকৈ গ্ৰামাঞ্চলত হৈ থকা কিছুমান অসামাজিক কাৰ্যকলাপসমূহ আইনীভাৱে কিদৰে বিনামূলীয়াকৈ নিষ্পত্তি আৰু ভুক্তভোগীয়ে ন্যাপ পাব পাৰে এই গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰতো বক্তব্য প্ৰদান কৰে। সজাগতা সভাৰ যোগেদি অংশগ্ৰহণকাৰী পঞ্চায়তৰ ৱাৰ্ড সদস্যাসকলে গাঁৱে গাঁৱে ঘূৰি কু-সংস্কাৰ আৰু অসামাজিক কাৰ্য-কলাপৰ বিৰুদ্ধে সজাগ কৰি আইনীভাৱে কিদৰে উপকৃত হয় সেই বিষয়ে গ্ৰামাঞ্চলৰ লোকসকলক বুজাবলৈ যত্ন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আইনী সজাগতাৰ উদ্দেশ্যে আয়োজন কৰা এই কৰ্মশালাৰ দ্বাৰা ৱাৰ্ড সদস্যসকলক যথেষ্ট পৰিমাণে উপকৃত হোৱাৰ কথা উল্লেখ কৰে।

# বাগ্‌সাৰ অঞ্চলী চৰকাৰী মজলীয়া বিদ্যালয় অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকক বিদায় সম্বৰ্ধনা অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ১২ জুন ঃ** বাগ্‌সা জিলাৰ অঞ্চলী চৰকাৰী মজলীয়া বিদ্যালয় অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হৰগোবিন্দ দাসক কালি অঞ্চলী চৰকাৰী মজলীয়া বিদ্যালয়ৰ তৰফৰ পৰা এক আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। অঞ্চলী চৰকাৰী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক বিৰাজ দাসৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্বৰ্ধনা অনুষ্ঠানটি বিদ্যালয়ৰ ছাত্ৰীসকলৰ এটি সমবেত সংগীতেৰে আৰম্ভ কৰা হয়। অঞ্চলী চৰকাৰী মজলীয়া বিদ্যালয়ৰ শিক্ষয়িত্ৰী জুৰি কলিতাই এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ পাছত শিক্ষয়িত্ৰী সোণমনি দাসে এটি ফুলাম জাপিৰে আৰু শিক্ষয়িত্ৰী মনজিতা দাসে এটি শৰাইৰে সম্বৰ্ধনা জ্ঞাপন কৰে। প্ৰধান শিক্ষক বিৰাজ দাসে সম্বোধনা পত্ৰ প্ৰদান কৰা অনুষ্ঠানত বিজ্ঞান শিক্ষাক বিপুল কুমাৰ শৰ্মাই পেন্ট ছাৰ্ট, জ্যেষ্ঠ শিক্ষক উদয় দাসে এটি ছাটি আৰু অঞ্চলী চৰকাৰী মজলীয়া বিদ্যালয়ৰ শিক্ষক মনোজ দাস আৰু পংকজ দাসে এখন ধৰ্মগ্ৰন্থেৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানত জ্যেষ্ঠ শিক্ষক বিপুল কুমাৰ শৰ্মা, উদয় দাস, শিক্ষক মনোজ দাস, বিশিষ্ট সমাজ কৰ্মী অভিনেতা মৃগেন হাজৰিকা, অজিত দাস, অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী ভনীতা দাস, অভিভাৱিকা হিমানী দাস আৰু ৰস্মি দাসে বিদায় অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক হৰগোবিন্দ দাসৰ সুকৰ্মৰাজিৰ ওপৰত বক্তব্য প্ৰদান কৰে। বিদায় শিক্ষক হৰগোবিন্দ দাসে নিজৰ বক্তব্যত কিছু আবেগিক হৈ পৰে আৰু তেওঁ কৰ্মৰাজীত পোৱা অভিজ্ঞতাসমূহ বক্তব্যৰ মাজেৰে প্ৰতিফলন ঘটোৱাই যায়।

# ডিগবৈ চৰকাৰী অসামৰিক চিকিৎসালয়ৰ পয়ালগা স্বৰূপ

## ■ সৰ্প দংশনৰ প্ৰতিষেধকৰ অভাৱত এটা পষেকতে অকাল মৃত্যু কে'বাগৰাকীৰো




হাজোৰ শনিয়াদীত স্মৃতিচাৰণ সভাত অংশগ্ৰহণকাৰী, দেওবাৰে।

**ডিগবৈ, ১২ জুন ঃ** ৰাজ্য চৰকাৰৰ বিয়াগোম স্বাস্থ্য বিভাগে বিভিন্ন আঁচনি আৰু ন ন পৰিকল্পনাৰে চৰকাৰী স্বাস্থ্য খণ্ডক উন্নতি কৰিবলৈ অহৰহ চেষ্টা অব্যাহত ৰখাৰ সময়তে ডিগবৈ চৰকাৰী স্বাস্থ্য খণ্ডৰ চৰম পয়া লগা ফোঁপোলা স্বৰূপৰ তথ্য প্ৰকাশিত হৈছে। মাত্ৰ এটা পষেকৰ ভিতৰতে ডিগবৈত সৰ্প দংশনত কে'বাজনো লোকে অকাল মৃত্যুক সাবটিব লগা হোৱা ঘটনাই চৰকাৰী চিকিৎসালয়ৰ পয়া লগা স্বৰূপ উদঙাইছে। ডিগবৈ চহৰৰ লগতে পাৰ্শ্ব উপকন্ঠ প্ৰায় ২০ খনৰো অধিক গাঁও সামৰি ডিগবৈ চহৰৰ মাজমজিয়াত এখন বৃহৎ আকাৰৰ চৰকাৰী চিকিৎসালয় আছে যদিও অধিকাংশ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকসকলে চৰকাৰী চিকিৎসালয়ত গৈ বিভিন্ন ৰোগৰ পৰা আৰোগ্য হ'ব পৰাকৈ বিভাগীয় চিকিৎসকৰ অভাৱ হোৱাৰ লগতে নাই কোনো পৰীক্ষা-নিৰীক্ষা কৰিব পৰা যন্ত্ৰপাতি। আওঁপুৰণি যন্ত্ৰপাতি কেইবিধমান আছে যদিও বছৰৰ প্ৰায় অধিক কাল বিকল বুলিহে চিকিৎসালয়ৰ কৰ্মচাৰীয়ে অৱগত কৰে। তাতোকৈ পৰিতাপৰ বিষয়, ডিগবৈ চহৰৰ লগতে বৃহৎ অঞ্চল সাঙুৰি যি এখন ডিগবৈ অসামৰিক চিকিৎসালয় আছে, সাধাৰণ জ্বৰ চৰ্দিৰ কেইবিধমান ঔষধৰ বাহিৰে যোগান ধৰিবলৈ নাই আন একো ঔষধ। আনহাতে, বৃহৎ অঞ্চল সামৰি থকা একমাত্ৰ ডিগবৈ চৰকাৰী চিকিৎসালয়খনত পোৱা নাযায় সৰ্প দংশনৰ প্ৰতিষেধক। যাৰ বাবে প্ৰায় ডিগবৈ চহৰৰ লগতে পাৰ্শ্ব উপকণ্ঠ অঞ্চলৰ বহু সংখ্যক লোকে অকাল মৃত্যুক সাবটিব লগাত পৰিছে। উল্লেখ্য যে এই বৰ্ষৰ চলিত জুনৰ ভিতৰত ডিগবৈ চহৰৰ তিনিগৰাকী লোকে সৰ্প দংশনত অকাল মৃত্যুক সাবটিব লগা হোৱাত ডিগবৈবাসীৰ লগতে স্থানীয় দল-সংগঠনৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আকস্মিকভাৱে কোনো লোক সৰ্প দংশনৰ বলি হ'ব লগা হোৱাৰ পাছত চিকিৎসাৰ আশা কৰি ডিগবৈ অসামৰিক চিকিৎসালয়লৈ আনে যদিও চিকিৎসকে পোনছাটেই চিকিৎসালয়ত প্ৰতিষেধক উপলব্ধ নাই বুলি ১৩ পৃষ্ঠাত চাওক

## ড° ৰঞ্জন কলিতা অসম কলেজ অধ্যক্ষ পৰিষদৰ সাধাৰণ সম্পাদক পদত নিৰ্বাচিত

বিশেষ সংবাদদাতা



**ৰঙাপৰা, ১২ জুন ঃ** ৰঙাপৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন কলিতাই শেহতীয়াকৈ কলেজ অধ্যক্ষ পৰিষদৰ অধিৱেশনত সাধাৰণ সম্পাদকৰ পদত নিৰ্বাচিত হোৱা বাতৰিয়ে মহাবিদ্যালয়খনত এক আনন্দৰ বতৰা কঢ়িয়াই আনিছে। উল্লেখ্য যে শিৱসাগৰৰ দিখৌমুখ মহাবিদ্যালয়ত ন আৰু ১০ জুনত অনুষ্ঠিত অসম কলেজ অধ্যক্ষ পৰিষদৰ ৩৭ সংখ্যক অধিৱেশনত অধ্যক্ষ ড° ৰঞ্জন কলিতাই পৰিষদৰ সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত হয়। অসম কলেজ অধ্যক্ষ পৰিষদৰ এই গুৰু দায়িত্ব লাভ কৰাৰ পাছত কলিতাই সংবাদ মাধ্যমৰ আগত সদৰী কৰে যে তেওঁৰ কাৰ্যকালত সকলোৰে সহায় সহযোগিতা আৰু দিহা পৰামৰ্শ তেওঁ আশা প্ৰকাশ কৰে। প্ৰণিধানযোগ্য ৰঙাপৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন কলিতাৰ অধ্যক্ষৰ দায়িত্বভাৰ চলাই নিয়া এই কাৰ্যকালৰ সময়ছোৱাত মহাবিদ্যালয়খনে শৈক্ষিক দিশৰ লগতে অন্যান্য দিশতো মহাবিদ্যালয়খনে এক গতি লাভ কৰিবলৈ সক্ষম হৈছে আৰু অনাগত দিনতো ৰঙাপৰা মহাবিদ্যালয়খনে তেওঁৰ অধ্যক্ষতাত শিক্ষাৰ এক দিগন্তৰ সূচনা কৰিব বুলি ৰঙাপৰা অঞ্চলৰ শৈক্ষিক আৰু বৌদ্ধিক মহলে আশা প্ৰকাশ কৰিছে।

## ১৯ জুনত কয়াকুছি প্ৰেছ এছ'চিয়েছনৰ দ্বি-বাৰ্ষিক অধিৱেশন

অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ১২ জুন ঃ** বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত কয়াকুছি প্ৰেছ এছ'চিয়েছনৰ দ্বি-বাৰ্ষিক অধিৱেশন অহা ১৯ জুনত বিস্তৃৰ্ণ কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। সিদিনাৰ কাৰ্যক্ৰমণিকা অনুসৰি ক্ৰমে পুৱা জিলমোহন ৰায় আৰু জয়নাল আবেদিনৰ পৰিচালনাত চাফাই অভিযান, আব্দুল হালিম আৰু কমল পাঠকৰ পৰিচালনাত পতাকা উত্তোলন কৰিব এছ'চিয়েছনৰ সভাপতি আহম্মদ আলীয়ে। ছামচুল হক আৰু ইলিয়াচ দেৱানৰ পৰিচালনাত গছপুলি ৰোপণ কৰিব কয়াকুছি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ডিজু কুমাৰ নাথ আৰু এছ'চিয়েছনৰ আইনী উপদেষ্টা ৰমিজ উদ্দিন আহমেদে। ছৈয়দ আফতাদ হুছেইন আৰু ৰবিউল ইছলামৰ পৰিচালনাত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব এছ'চিয়েছনৰ উপ-সভাপতি মন্দিৰ দাসে। আশ্ৰাফুল ইছলাম আৰু ৰপছেত আলীৰ পৰিচালনাত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব বৰপেটা জিলা এনজিঅ' ফৰামৰ সম্পাদক আব্দুল জলিলে। দুপৰীয়া শ্বৰীফুল ইছলামৰ পৰিচালনাত আৰু বিশিষ্ট চিকিৎসক আব্দুল কদ্দুছ শিকদাৰৰ সঞ্চালনাত কবিতা পাঠ অনুষ্ঠান। আবেলি কয়াকুছি প্ৰেছ এছ'চিয়েছনৰ সভাপতি আহাম্মদ আলীৰ পৌৰোহিত্যত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত স্মৃতিগ্ৰন্থৰ সম্পাদনা সমিতিৰ সভাপতি ছানোৱাৰ আল হাছান আৰু যুটীয়া সম্পাদকদ্বয় প্ৰদীপ কুমাৰ সৰকাৰ লগতে শ্বৰীফুল ইছলামৰ পৰিচালনা ক্ৰমে 'সংবাদ শিখা' স্মৃতিগ্ৰন্থ উন্মোচন কৰিব বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূচালে। সভাত ক্ৰমে ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য আৰু অসামৰিক যোগান লগতে সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰ, বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদ, সৰুক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক ডাঃ তাৰাপ্ৰসাদ দাস, বৰপেটা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাস, অসম বিত্তীয় নিগমৰ উপাধ্যক্ষ অনিল দাস, বৰপেটা জিলাৰ আৰক্ষী অধীক্ষক অমিতাভ সিনহা, অগপৰ কেন্দ্ৰীয় সমিতিৰ সদস্য ধৰ্মেশ্বৰ ৰয়, আমন্ত্ৰিত অতিথিৰূপে ক্ৰমে কয়াকুছি মহাবিদ্যালয়ৰ অধ্যক্ষ ছেকান্দাৰ আলী আহমেদ আজি বৰপেটা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰাঞ্জল বৰুৱা, সদৌ অসম সাংবাদিক সন্থাৰ সম্পাদক নকুল তালুকদাৰ, ১৩ পৃষ্ঠাত চাওক

## ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ আদৰণীয় পদক্ষেপ

### ■ হুইল শ্বেয়াৰত উঠি বিদ্যালয়লৈ যোৱা কৃষ্ণ কছাৰীক প্ৰদান কৰিব ই-ৰিক্সা

বিশেষ সংবাদদাতা

**নগাবাট, ১২ জুন ঃ** তিতাবৰ মহকুমাৰ বৰহোলাৰ নৱ মিলন উচ্চ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী বিশেষভাৱে সক্ষম হয় কৃষ্ণ কছাৰীক ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদে শীঘ্ৰে প্ৰদান কৰিব এখন ই ৰিক্সা। এই কথা কালি কছাৰীৰ বাসগৃহত উপস্থিত হৈ পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰতাপ কছাৰী আৰু কাৰ্যবাহী সদস্য বিপুল কছাৰীয়ে ঘোষণা কৰে। উল্লেখ্য যে হুইল শ্বেৰত উঠি দৈনিক বিদ্যালয়ত শিক্ষা গ্ৰহণৰ বাবে গৈছিল কৃষ্ণ। সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃষ্ণই লাভ কৰা সফলতাই আনন্দিত কৰি তুলিছিল বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় ৰাইজক। সংবাদ মাধ্যমতো সবিস্তাৰে প্ৰকাশ হৈছিল কৃষ্ণ কছাৰীৰ সফলতাৰ বাতৰি। ইয়াৰ পাছত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ বিষয়া দুগৰাকীয়ে কৃষ্ণৰ বাসগৃহত উপস্থিত হওঁতে কৃষ্ণৰ অনুৰোধ মৰ্মেই ই-ৰিক্সাখন প্ৰদান কৰিব বুলি ঘোষণা কৰে। ই-ৰিক্সাখনে বিশেষভাৱে সক্ষম কৃষ্ণৰ জীৱন যাত্ৰাত যথেষ্ট সহায়ক হ'ব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰাৰ লগতে পৰিষদৰ পদক্ষেপক শলাগ লৈছে।

## অসম চৰকাৰৰ প্ৰাথমিক বিদ্যালয় চামিলৰ সিদ্ধান্তই শংকাত পেলাইছে

### ■ কাকজান আছুৰ জিলা উপযুক্তক স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

**কাকজান, ১২ জুন ঃ** অসম চৰকাৰৰ শিক্ষাবিভাগৰ প্ৰাথমিক বিদ্যালয়সমূহৰ একত্ৰিকৰণৰ সিদ্ধান্তই সংকটত পেলাইছে চামিল হোৱা বিদ্যালয়সমূহৰ অভিভাৱকৰ লগতে সাধাৰণ ৰাইজক। চৰকাৰৰ যি এই চামিলকৰণৰ সিদ্ধান্ত তাৰ ফলত বহুতো শিক্ষাৰ বাবে উপযুক্ত ভৌগোলিক পৰিৱেশৰ বিদ্যালয় শিক্ষাৰ বাবে উপযুক্ত পৰিৱেশ নথকা বিদ্যালয়ৰ লগত চামিল হৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যি শিক্ষা গ্ৰহণৰ বাবে অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে সেয়া কেতিয়াও গ্ৰহণযোগ্য নহয়। আনহাতে, পুৰণি মেলেংত থকা জাতীয় ছহিদ মদন গগৈ নামেৰে নামকৰণ হোৱা মদন গগৈ প্ৰাথমিক বিদ্যালয়। ১৯৮৬ তে প্ৰতিষ্ঠা লাভ কৰা মধ্য যোৰহাট শিক্ষাখণ্ডৰ অন্তৰ্গত একমাত্ৰ জাতীয় ছহিদৰ নামেৰে নামকৰণ হোৱা প্ৰাথমিক বিদ্যালয়খন আৰু ডাঙৰীয়াটোল প্ৰাথমিক বিদ্যালয়খনত চামিল হোৱাৰ জাননী পোৱাৰ লগে লগেই স্থানীয় ৰাইজৰ মাজত এক অপ্ৰীতিকৰ পৰিৱেশৰ সৃষ্টি এনেদৰে এজন জতীয় ছহিদৰ নামেৰে নামকৰণ হোৱা বিদ্যালয়খনৰ নাম নোহোৱা হৈ যোৱাটো স্থানীয় ৰাইজৰ লগতে কাকজান আঞ্চলিক ছাত্ৰ সন্থাই তাক মানি ল'ব বিচৰা নাই। সেয়েহে কাকজান আঞ্চলিক ছাত্ৰ সন্থাই মধ্য যোৰহাট শিক্ষাখণ্ডৰ অন্তৰ্গত সমূহ চামিল কৰিব বিচৰা প্ৰাথমিক বিদ্যালয়সমূহ ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ জৰিয়তে এক সঠিক সিদ্ধান্ত গ্ৰহণ কৰিবৰ বাবে যোৰহাট জিলাৰ উপায়ুক্তক কালি সভাপতি বেদান্ত ভৰালী আৰু সাধাৰণ সম্পাদক ৰূপম কুমাৰ বৰাৰ স্বাক্ষৰ সম্বলিত এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। এক বিবৃতি যোগে কাকজান আছুৰ সভাপতি বেদান্ত ভৰালী আৰু সম্পাদক ৰূপম কুমাৰ বৰাই কয় যে চৰকাৰ প্ৰাথমিক বিদ্যালয় চামিল কৰণৰ যি সিদ্ধান্ত তাত আমাৰ কোনো আপত্তি নাই কিন্তু কোনো ধৰণৰ ক্ষেত্ৰ ভিত্তিক অধ্যয়ন নকৰাকৈ ১৩ পৃষ্ঠাত চাওক

## সৰ্বভাৰতীয় জন বিজ্ঞান মহাসন্মিলনত ইলোৰা বিজ্ঞান মঞ্চ-জ্ঞান বিজ্ঞানৰ অংশগ্ৰহণ



বিশেষ সংবাদদাতা

**নগাঁও, ১২ জুন ঃ** মধ্য প্ৰদেশৰ ৰাজধানী ভূপালৰ এক্সটোল কলেজত ড° অমিতাভ সেনগুপ্ত ক্ষেত্ৰত যোৱা ছয় জুনৰ পৰা আৰম্ভ হোৱা সপ্তদশ সৰ্বভাৰতীয় জন বিজ্ঞান মহাসন্মিলনৰ ন জুনত সামৰণি পৰে। দেশৰ ৪০ টাৰো অধিক বিজ্ঞান সংস্থা তথা বিজ্ঞান আন্দোলনৰ উমৈহতীয়া মঞ্চ সৰ্বভাৰতীয় জনবিজ্ঞান মহাসন্মিলনক কেন্দ্ৰ কৰি ভূপাল চহৰত বিজ্ঞানপ্ৰেমী আৰু যুক্তিবাদী জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনাৰ সৃষ্টি হয়। বিজ্ঞান আন্দোলনৰ স'তে জড়িত দেশৰ বহু ১৩ পৃষ্ঠাত চাওক

## অৱসৰপ্ৰাপ্ত শিক্ষক মাণিক গগৈৰ দেহাৱসান

অগ্ৰদূত বাৰ্তা

**নামতি, ১২ জুন ঃ** নামতি দল বাইলু গাঁৱৰ নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক একালৰ সুদক্ষ ফুটবল খেলুৱৈ, বিশিষ্ট সমাজ সেৱক, মাণিক গগৈ (৮৯)ৰ বাৰ্ধ্যজনিত কাৰণত কালি নিজ বাসগৃহত মৃত্যু হয়। জীৱিত কালত গগৈয়ে দিচাংপানী, হালেবুটিং দীফীয়া, নামতি দল আদি শিৱসাগৰ জিলাৰ বিভিন্ন স্থানত শিক্ষকতা কৰি অৱসৰগ্ৰহণ কৰে। চিৰকুমাৰ হিচাপে গোটেই জীৱন অতিবাহিত কৰা গগৈয়ে দোপদৰ ৰাস মহোৎসৱ, ৰঙালী বিহু উৎসৱ, গাঁওৰক্ষী বাহিনী আদি নামতি অঞ্চলৰ কে'বাটাও সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত থকাৰ উপৰি নামতি অঞ্চলৰ অন্যতম সৌন্দৰ্যবৰ্ধক স্থান চাওলুং ছ্যুকাফা উদ্যানৰ সমগ্ৰ ভূমি তেওঁ দান সত্ত্বেও আগবঢ়াইছিল। সুন্দৰ হাতৰ আখৰৰ গৰাকী গগৈয়ে একালত এগৰাকী চিত্ৰশিল্পী হিচাপে প্ৰতিষ্ঠিত হৈছিল। গগৈৰ মৃত্যুত নামতি ক্লাব, নিউ লাইব্ৰেৰী, নামতি দল তাই শিক্ষা সন্দৰ্ভত বিকাশ কেন্দ্ৰ, নামতি প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতি, সদৌ অসম আহোম সভা নামতি আঞ্চলিক সমিতি, আহোম গণ মঞ্চ আদি অনুষ্ঠানে শোক প্ৰকাশ কৰিছে।

## ঘগ্ৰাপাৰত যুৱ মৰ্চাৰ বড়িগোগ বনভাগ মণ্ডল সমিতিৰ কাৰ্যনিৰ্বাহক সভা



অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ১২ জুন ঃ** নলবাৰী জিলাৰ ৫৯ নম্বৰ নলবাৰী বিধানসভা সমষ্টিটো বিজেপিক আৰু দুগুণ আগুৱাই নিয়াৰ বাবে উঠি পৰি লাগিছে ভাৰতীয় জনতা পাৰ্টীৰ নলবাৰী জিলা সমিতি যুৱ মৰ্চাৰ ১৩ পৃষ্ঠাত চাওক

## ইটাখোলাৰ বালিজুৰিত ১২২ সংখ্যক ৰাষ্ট্ৰীয় বীৰ বীৰচা মুণ্ডা ছহিদ দিৱস পালন

অগ্ৰদূত বাৰ্তা



**নদুৱাৰ, ১২ জুন ঃ** সমগ্ৰ দেশৰ লগতে বিশ্বনাথ জিলাৰ ইটাখোলাৰ দক্ষিণ বালিজুৰিত স্বাধীনতা সংগ্ৰামী বীৰ বিৰচা মুণ্ডাৰ ১২২ সংখ্যক ছহিদ দিৱস পালন কৰা হয়। অসম মুণ্ডা মহা সভাৰ পূব নদুৱাৰ আঞ্চলিক সমিতিৰ উদ্যোগত আৰু দক্ষিণ বালিজুৰি মহিলা সমিতিৰ সহযোগত আয়োজিত স্বাধীনতা সংগ্ৰামী ৰাষ্ট্ৰীয় বীৰ বীৰচা মুণ্ডাৰ ছহিদ দিৱসত পুৱা পতাকা উত্তোলন কৰে অসম মুণ্ডা মহা সভা দক্ষিণ বালিজুৰি শাখা সভানেত্ৰী পিলিনা মুণ্ডা আৰু ছহিদ তৰ্পণ কৰে পুৱা নদুৱাৰ আঞ্চলিক সম্পাদক মদন মুণ্ডাই। দেশৰ স্বাধীনতা সংগ্ৰামত ইংৰাজৰ বিৰুদ্ধে সৰব হৈ প্ৰথমে অহিংসা আন্দোলন আৰু পাছলৈ ভূমি আন্দোলনৰ গুৰি ধৰি দেশৰ আদিৱাসীসকলৰ মাজত স্বাধীনতা সংগ্ৰামক ক্ষীপ্ৰতৰ কৰি তুলি ইংৰাজৰ ৰোষত পৰে। ইংৰাজৰ কৌশলগত আৰু চতুৰালিত দীৰ্ঘদিন কাৰাৰুদ্ধ হৈ থাকিও তেওঁৰ নীতিৰে ইংৰাজৰ ১৩ পৃষ্ঠাত চাওক

## নলবাৰীৰ স্থানপ্ৰাপ্ত চাৰিগৰাকী মেধাৱীক এছ বি আইৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা


**নলবাৰী, ১২ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত নলবাৰী জিলাৰ পৰা প্ৰথম ১০ টাত স্থান দখল কৰিবলৈ সক্ষম হোৱা চাৰিগৰাকী মেধাৱীক যোৱা বুধবাৰে ভাৰতীয় ষ্টেট বেংকৰ নলবাৰী শাখাই সম্বৰ্ধনা জনায়। জিলাখনৰ পৰা দ্বিতীয় স্থান দখল কৰা ভুয়সী মেধি, ষষ্ঠ স্থান দখল কৰা মুৰ্চনা বৰ্মন, দশম স্থান দখল কৰা দিব্যজ্যোতি লহকৰ আৰু ধৃতিস্মিতা ডেকাক বেংকটোৰ মুখ্য প্ৰবন্ধক প্ৰশান্ত কুমাৰ দাস আৰু সমূহ কৰ্মচাৰীয়ে সম্বৰ্ধনা জনায় । জিলাৰ গৌৰৱ কঢ়িয়াই অনা কীৰ্তিমান চাৰিগৰাকীৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰাৰ লগতে ভৱিষ্যতে শিক্ষা গ্ৰহণত যিকোনো এডুকেচন লোন প্ৰদানৰ প্ৰতিশ্ৰুতি বেংকৰ ফালৰ পৰা দিয়ে ।

## এমডিজ অৰ্গেনিকৰ উদ্যোগত অত্যাধুনিক কৃষি পদ্ধতিৰ প্ৰশিক্ষণ

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১২ জুন ঃ** আধুনিক জৈৱিক কৃষি পদ্ধতিৰে কৃষকৰ উৎপাদন বৃদ্ধি কৰাৰ লক্ষ্যৰে যোৰহাটৰ এমডিজ অৰ্গেনিকে যোৰহাটৰ উপৰি গোলাঘাট আৰু শিৱসাগৰৰ খেতিয়কৰ মাজত সজাগতা বৃদ্ধিৰ বাবে কালি প্ৰশিক্ষণৰ লগতে প্ৰদৰ্শনীৰ আয়োজন কৰে। আজি মূৰমূৰীয়াৰ জি বি গট্টানী ইণ্ডাষ্ট্ৰীয়েল কমপ্লেক্সত মহাৰাষ্ট্ৰৰ জৈন ইৰিগেশ্বন লিমিটেডৰ সঞ্চালক ড° নাৰায়ননৰ সঞ্চালনাত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত তিনিওখন জিলাৰ শতাধিক কৃষকে অংশগ্ৰহণ কৰে। মূলতঃ টিচ্যু কালচাৰযোগে পুলি উৎপাদন, প্ৰতিপালন আৰু অত্যাধুনিক জলসিঞ্চন পদ্ধতি বিষয়ত জৈন ইৰিগেশ্বন লিমিটেডৰ সঞ্চালক ড° নাৰায়নন আৰু উপ-সভাপতি হৰেকৃষ্ণ বৰুৱাই পাৱাৰ পইণ্ট প্ৰজেক্টযোগে বৰ্ণনা কৰে। তদুপৰি, যোৰহাটস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ৰানা ভূঞা আৰু মহকুমা কৃষি বিষয়া ড° নিতুমণি গগৈয়ে উন্নত কৃষি পদ্ধতিৰ বিষয়ক বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত তিতাবৰৰ বিধায়ক ভাস্কৰ বৰুৱা, বিশিষ্ট উদ্যোগপতি ওম প্ৰকাশ গতটানি, এমডিজ অৰ্গেনিকৰ স্বত্বাধিকাৰ মুৰুলীধৰ গতটানিৰ উপৰি বহু সংখ্যক লোক উপস্থিত আছিল। প্ৰশিক্ষণৰ অংশ হিচাপে প্ৰশিক্ষাৰ্থী আৰু সমল ব্যক্তিসকলৰ মাজত উন্নত কৃষি বিষয়ক মত বিনিময় সম্পন্ন হয়। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে ২০১৫তে প্ৰবৰ্তন কৰা পি এম কে এছ ৱাই আঁচনিৰ আধাৰত ৰাজ্যৰ ২২ খন জিলাত কৃষি উন্নয়নত লাগি থকা যোৰহাটৰ অৱস্থিত এমডিজ অৰ্গেনিকে টিচু কালচাৰ পদ্ধতিৰে প্ৰস্তুত কৰা অধিক উৎপাদনক্ষম গছপুলি ৰোপণ কৰি সুন্দৰ ফচল উৎপাদন কৰিবলৈ সক্ষম হৈছে। তাৰ আধাৰতে যোৰহাট, গোলাঘাট আৰু শিৱসাগৰৰ ১৩ পৃষ্ঠাত চাওক

## 'হৃদয়'ৰ উদ্যোগত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক লিখা-পঢ়া সঁজুলি বিতৰণ



অগ্ৰদূত বাৰ্তা

**ডিমৌ, ১২ জুন ঃ** 'হৃদয়-এখন সহায়ৰ হাত' নামৰ এটা বেচৰকাৰী সংস্থাৰ ফালৰ পৰা কালি দিচাং ৰজাবাৰী চৰকাৰী এ ক্লাছ প্ৰাথমিক বিদ্যালয়ত গছপুলি ৰোপণ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত লিখা-পঢ়া সঁজুলি বিতৰণ কৰা হয়। প্ৰয়াত হৃদয় প্ৰাণ চুতীয়া নামৰ কণমানিটোৰ নামেৰে নামাকৰণ কৰা এনজিঅ' টোৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠান হিচাপে বিদ্যালয়ৰ চৌহদত আয়োজন কৰা অনুষ্ঠানত হৃদয় প্ৰাণ চুতীয়াৰ প্ৰতিচ্ছবিত বন্তি ১৩ পৃষ্ঠাত চাওক

## কপহুৱা চাউদাং গাঁৱৰ পৱিত্ৰ গগৈৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ১২ জুন ঃ** টেঙাখাত কপহুৱা চাউদাং গাঁৱৰ নিবাসী পৱিত্ৰ গগৈ (৫৬)ৰ যোৱা নিশা নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। দীৰ্ঘদিন ধৰি বৃক্কজনিত ৰোগ ভোগী আছিল। বৃত্তিত তেওঁ টেঙাখাত ৰাজ্যিক পশু চিকিৎসালয়ৰ ক্ষেত্ৰ সহায়ক আছিল। গগৈয়ে কাব্য চৰ্চা কৰি সাহিত্য জগতখনতো এজন কবি হিচাপে পৰিচয় দাঙি ধৰিছিল। গগৈৰ মৃত্যুত টেঙাখাত অঞ্চলত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ ইহসংসাৰত পত্নীসহ একমাত্ৰ জী আৰু জোঁৱায়েক এৰি যায়। গগৈৰ পৰলোকপ্ৰাপ্তিত টেঙাখাত অঞ্চলৰ বিভিন্ন দল-সংঠন আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰে।


## হাইস্কুল শিক্ষান্ত পৰীক্ষাত তামুলপুৰত বড়ো মাধ্যমৰ বিদ্যালয়ৰ জয়যাত্ৰা

অগ্ৰদূত বাৰ্তা



**তামুলপুৰ, ১২ জুন ঃ** যি সময়ত ৰাজ্যৰ কে'বাখনো চৰকাৰী বিদ্যালয়ত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত এজনো শিক্ষাৰ্থী উত্তীৰ্ণ নহ'ল সেই সময়তে তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ কুমাৰীকাটা মৌজাৰ অন্তৰ্গত দাওগাংবাৰী বি এম হাইস্কুলৰ পৰা এশ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈ অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে। উপযুক্ত আন্তঃগাঁথনি অবিহনে বড়ো মাধ্যমৰ চৰকাৰী বিদ্যালয় দাওগাংবাৰী বিএম হাইস্কুলৰ পৰা এইবাৰ ১১৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৰ ভিতৰত এজন ছাত্ৰই ষ্টাৰ নম্বৰ লাভ কৰা লগতে ২০ প্ৰথম বিভাগ, ৮৫ জনে দ্বিতীয় বিভাগ আৰু ১১ জনে তৃতীয় বিভাগত উত্তীৰ্ণ হয় । বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, ছাত্ৰ-ছাত্ৰীৰ সহযোগত নিয়মিত পাঠদান কৰা বিদ্যালয়খনৰ এনে সফলতাই অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ জয় যাত্ৰাৰ অব্যাহত থকাৰ সময়তে তামুলপুৰ জিলাৰ দাওগাংবাৰী বি এম হাইস্কুলৰ পৰা এশ শতাংশ উত্তীৰ্ণৰ খবৰে আশাৰ বতৰা কঢ়িয়াই ১৩ পৃষ্ঠাত চাওক

## বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাই জীৱনৰ এটা অংশহে পূৰ কৰিব পাৰে



### জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত বিশেষ বক্তৃতানুষ্ঠানত শিক্ষাবিদ হিমেন ভট্টাচাৰ্য

অগ্ৰদূত বাৰ্তা

**জাঁজী, ১২ জুন ঃ** 'জীৱনৰ বাবে আমাক প্ৰয়োজনীয় শিক্ষাৰ চাৰি অংশৰ এক অংশহে আনুষ্ঠানিক অৰ্থাৎ বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাই পূৰ কৰিব পাৰে। কেৱল পাঠ্যপুথি আৰু স্কুল-কলেজৰ কেৱল নিৰ্ধাৰিত পাঠ্যক্ৰম অধ্যয়নে জীৱন সমৃদ্ধ কৰিব নোৱাৰি। ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মনৰ দুৱাৰ খুলি ৰাখিব লাগিব আৰু সকলো সময়তে নতুন কথা জানিবলৈ উৎসুক হৈ থাকিব লাগিব।' জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সাহিত্য চ'ৰাৰ উদ্যোগত আয়োজিত 'বিশেষ বক্তৃতানুষ্ঠান আৰু ছাত্ৰ-ছাত্ৰীৰ আলোচনা চক্ৰ'ৰ মূল বক্তাৰূপে ভাষণ প্ৰদান কৰি বিশিষ্ট শিক্ষাবিদ, লেখক হিমেন ভট্টাচায্যই এনেদৰে কয়। 'শিক্ষা আৰু জীৱন ঃ ছাত্ৰ- ছাত্ৰীৰ ভূমিকা' শীৰ্ষক মূল বক্তৃতা প্ৰসংগত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষকজনে কয় যে ১৩ পৃষ্ঠাত চাওক

## সৰ্বভাৰতীয় জন বিজ্ঞান মহাসন্মিলনত

*১২ পৃষ্ঠাৰ পৰা* বিশিষ্ট শিক্ষাবিদ- বিজ্ঞানীৰ উপৰি ২৫ খন ৰাজ্যৰ ৩৪৭ গৰাকী জন বিজ্ঞান আন্দোলনৰ নিৰ্বাচিত প্ৰতিনিধিয়ে এই মহাসন্মিলনত ভাগ লয়। সংবিধানৰ প্ৰস্তাৱনা পাঠেৰে সূচনা হোৱা মহাসন্মিলনখনি উদ্বোধন কৰে কেৰালাৰ প্ৰাক্তন স্বাস্থ্য মন্ত্ৰী কে কে শৈলজাই। উদ্বোধনী পূৰ্ণাংগ সভাৰ মুখ্য বক্তা আছিল ৰেমন মেগছেছে বঁটা বিজয়ী, আন্তৰ্জাতিক খ্যাতিসম্পন্ন সাংবাদিক আৰু লেখক পি চাইনাথ । অসমৰ পৰা ইলোৱা বিজ্ঞান মঞ্চ আৰু জ্ঞান বিজ্ঞান সমিতিৰ মুঠ ১৩ জন নিৰ্বাচিত প্ৰতিনিধিয়ে এই মহাসন্মিলনত অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় তথ্য কেন্দ্ৰ এন আই চিৰ প্ৰাক্তন উপ-সঞ্চালক দীপক গোস্বামীয়ে মহাসন্মিলনত বিশেষভাৱে আমন্ত্ৰিত প্ৰতিনিধি হিচাপে যোগদান কৰে। অসম দলটোৰ ইলোৱা বিজ্ঞান মঞ্চৰ হৈ নগাঁও বেংগলী ছোৱালী হাইস্কুলৰ জ্যেষ্ঠ শিক্ষক সত্যজিৎ ৰায়ে অংশগ্ৰহণ কৰে।

## ইটাখোলাৰ বালিজুৰিত ১২২ সংখ্যক

*১২ পৃষ্ঠাৰ পৰা* বিৰুদ্ধে আন্দোলন অব্যাহত থকাৰ মাজতে ১৯০০ৰ ন জুনত কাৰাগাৰতে মৃত্যুদণ্ড বিহে ইংৰাজ শাসকে। সেই দিন ধৰি প্ৰতি বছৰে স্বাধীনতা সংগ্ৰামীগৰাকীৰ মৃত্যুৰ ন জুন দিনটোত দেশৰ বিভিন্ন প্ৰান্তত ছহিদ দিৱস হিচাপে পালন কৰি আহিছে। জিলাখনৰ নদুৱাৰ অঞ্চলৰ আদিৱাসী অধ্যুষিত অঞ্চলসমূহতো বিগত দীৰ্ঘদিনে প্ৰতি বছৰে বীৰ ছহিদগৰাকীৰ মৃত্যু তিথিত ছহিদ দিৱসভাগ পালন কৰাৰ দৰে এইবেলিও দক্ষিণ বালিজুৰিত আয়োজিত অনুষ্ঠানত স্মৃতি চাৰণ সভাও অনুষ্ঠিত হয়। সভা সঞ্চালনা কৰে অসম মুণ্ডা মহাসভাৰ দক্ষিণ বালিজুৰি শাখা সভানেত্ৰী পিলিনা মুণ্ডাই। এক স্মৃতি চাৰণ সভাত মুণ্ডা মহাসভাৰ শোণিতপুৰ জিলা সহকাৰী সম্পাদক ৰাজু মুণ্ডাৰ আতিথ্যত ৰাষ্ট্ৰীয় বীৰ ছহিদ বীৰচা মুণ্ডাৰ সংগ্ৰামী জীৱন-আদৰ্শ সম্পৰ্কে আলোকপাত কৰে।

## এমডিজ অৰ্গেনিকৰ উদ্যোগত অত্যাধুনিক

*১২ পৃষ্ঠাৰ পৰা* খেতিয়কৰ মাজলৈ এই ফলপ্ৰসূ তথা ৰাজসাহাৰ্য থকা আঁচনিৰ সুবিধা প্ৰদান কৰিবলৈ এমডিজ অৰ্গেনিকৰ কৰ্তৃপক্ষই উদ্যোগ হাতত লৈছে। ইতিমধ্যে মহাৰাষ্ট্ৰৰ জলগাঁৱত থকা জৈন ইৰিগেশ্যন চিষ্টেমছ লিমিটেডৰ অন্তৰ্গত জৈন টিচু কালচাৰ বিভাগৰ পৰা কলপুলি, মোচুমী টেঙা আৰু মধুৰীৰ পুলি অসমলৈ আনি কৃষকক বিতৰণৰ ব্যৱস্থা কৰা হৈছে। প্ৰশিক্ষণত অংশগ্ৰহণ কৰি আঁচনিত অন্তৰ্ভুক্ত হ'ব বিচৰা কৃষকে এমডিজ অৰ্গেনিকৰ পৰা টিচু কালচাৰ পদ্ধতিৰে প্ৰস্তুত কৰা পুলি সংগ্ৰহ কৰাৰ লগতে ড্ৰিপ ইৰিগেশ্যন আৰু স্প্ৰিংকলাৰ চৰকাৰৰ তৰফৰ পৰা লাভ কৰাত সহায়তা পাব বুলিও উদ্যোক্তাসকলে জনাইছে। এমডিজ অৰ্গেনিকৰ কৰ্তৃপক্ষৰ মতে খেতিয়কসকলে ইচ্ছা প্ৰকাশ কৰিলে কৃষিৰ পৰৱৰ্তী আঁচনি প্ৰস্তুত কৰাৰ লগতে চৰকাৰৰ ৰাজসাহাৰ্য থকা আঁচনিৰ সুযোগ পোৱাত তেওঁলোকে সহায় কৰি দিব। উল্লেখ্য যে ২০০১ত মূৰমূৰীয়াৰ সমীপৰ প্ৰায় ৬০ বিঘা মাটিত আৰম্ভ কৰা ডায়েৰী, পলিমাৰ উদ্যোগ আৰু ফ্লৱ মিলৰ লগতে জৈৱিক কৃষি স্থাপন জি বি গট্টানী ইণ্ডাষ্ট্ৰীয়েল কমপ্লেক্সটো অলপতে ৰাজ্যৰ কৃষি মন্ত্ৰী অতুল বৰাই পৰিদৰ্শন কৰিছিল।

## 'হৃদয়'ৰ উদ্যোগত বিদ্যালয়ৰ ছাত্ৰ-

*১২ পৃষ্ঠাৰ পৰা* প্ৰজ্বলন কৰে মাতৃ পপী চুতীয়াই। ইয়াৰ পাছতে মৰাণ মহিলা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক তথা সমাজকৰ্মী অজয় কুমাৰ গগৈয়ে এটি জামুকৰ পুলি ৰোপণ কৰে। দিচাং ৰজাবাৰী হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক ৰাজেন চাংমাইয়ে শিলিখা পুলি, সংগীতশিল্পী বিজয় বিশালে আমলখি, সাংবাদিক প্ৰশান্ত গগৈয়ে মধুৰী পুলি আৰু পপী চুতীয়া, নিজৰা কলিতাই শিলিখা পুলি ৰোপণ কৰে। ইয়াৰ পাছতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ মাজত হৃদয়ৰ উদোগত লিখা পঢ়া সামগ্ৰী বিতৰণ কৰা হয়। আজিৰ অনুষ্ঠানতে সমাজলৈ বৰঙণি আগবঢ়োৱা বিভিন্ন ক্ষেত্ৰৰ লোকসকল ক্ৰমে অধ্যাপক অজয় কুমাৰ গগৈ, শিক্ষক ৰাজেন চাংমাই, নগেন চেতিয়া, ৰাধানাথ চুঁড়ি, সংগীতশিল্পী বিজয় বিশাল, ত্ৰিদিপ গগৈ, জোনাক গগৈ, সাংবাদিক ক্ৰমে প্ৰশান্ত গগৈ, ৰূপজ্যোতি সন্দিকৈ, ইফটিকাৰ ৰহমান, উৎপল দুৱৰা, অৰবিন্দ দে, বৈকুণ্ঠ গগৈ, মৃণাল গগৈ, নবীন গগৈ, গৌতম হীৰাক সম্বৰ্ধনা জনোৱা হয় ।ডিমৌৰ জেষ্ঠ সাংবাদিক তথা 'হৃদয়'ৰ উপদেষ্টা শেখৰজোতি দুৱৰীয়ে আঁতধৰা অনুষ্ঠানত হৃদয়ৰ সম্পাদিকা মৌচুমী তামুলী, হৃদয় প্ৰাণ চুতীয়াৰ মাতৃ পপী চুতীয়া, অজিত তামুলী, গীতাঞ্জলী তামুলী আদি উপস্থিত থাকে। আজিৰ অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি অধ্যাপক অজয় কুমাৰ গগৈয়ে ভাষণ প্ৰসংগত কয় বেচৰকাৰী সংস্থাসমূহৰ এনেবোৰ মহৎ কাৰ্যই সমাজত যোগাত্মক প্ৰভাৱ পেলায়। হৃদয় এক সহায়ৰ হাত এনজিঅ'ই সদায় উন্নয়ন মূলক কাম কৰি যাওক আমি সদায়েই সহযোগিতা আগবঢ়াম। শিক্ষক ৰাজেন চাংমাইয়ে গছ থাকিলেহে মানুহ থাকিব। লগতে প্ৰকৃতিৰ ভাৰসাম্যতাৰ ওপৰতো বক্তব্য দাঙি ধৰে। আজিৰ অনুষ্ঠানত উপস্থিত সকলোকে হৃদয়ৰ সম্পাদিকা মৌচুমী তামুলীয়ে আৰ্ত্তজনক সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান জনায়।

## ডিগবৈ চৰকাৰী অসামৰিক চিকিৎসালয়ৰ

*১২ পৃষ্ঠাৰ পৰা* অভিভাৱকক অৱগত নকৰি কিছু পৰিমাণে বিষ কম কৰা বেজি প্ৰদান কৰি তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। চলিত মাহৰ এক জুনত মুলীয়াবাৰী জৰা লাইনৰ নিবাসী দিপ্তী থাপা (২২) নামৰ মহিলাগৰাকীয়ে সৰ্প দংশনত প্ৰাণ ত্যাগ কৰিব লগা ঘটনা মাৰ নৌ যাওঁতেই, ঠিক তেনেই এক অনুৰূপ ঘটনা যোৱা ১০ জুনৰ নিশাৰ ভাগত সংঘটিত হয়। ডিগবৈ নাজিৰাটিং চাহ বাগিচাৰ চিন্তামণি ওৰাং (২৩) নামৰ এগৰাকী মহিলা নিশা ঘৰৰ বাহিৰলৈ প্ৰয়োজনীয় কৰ্ম কৰিবলৈ ওলাওঁতে সাপে দংশন কৰে। ততাতৈয়াকৈ নিশাই ডিগবৈ অসামৰিক চিকিৎসালয়লৈ চিকিৎসাৰ বাবে আনে যদিও চিকিৎসকে এটা বেজি প্ৰদান কৰি পৰৱৰ্তী কিছু সময়ৰ পাছত প্ৰতিষেধক নাই বুলি অৱগত কৰে। ততাতৈয়াকৈ তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ উন্নত চিকিৎসাৰ বাবে লৈ যাবলৈ পৰামৰ্শ দিয়াত তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও প্ৰতিষেধক প্ৰদান কৰাত পলম হোৱাৰ বাবে অকাল মৃত্যুক সাবটিব লগা হয়। এই ক্ষেত্ৰত তিলমানো গুৰুত্ব আৰোপ কৰা নাই ডিগবৈ অসামৰিক চিকিৎসালয়ৰ কৰ্তৃপক্ষ তথা ডিগবৈ বিধানসভা সমষ্টিৰ বিধায়ক সুৰেন ফুকনে। বিভিন্ন সময়ত অকাল মৃত্যুক সাবটিব লগা হোৱা সমষ্টিবাসীৰ ৰাইজৰ বাবে গুৰুত্ব প্ৰদান কৰাৰ প্ৰয়োজনীয়তা আছে যদিও সভা-সমিতিত, কথাৰ ফুলজাৰি মাৰি সমষ্টি উন্নয়নৰ কথা কোৱা বিধায়ক ফুকনক বিশেষকৈ সৰ্প দংশনৰ প্ৰতিষেধক প্ৰতিটো পলতে পোৱাকৈ ডিগবৈ অসামৰিক চিকিৎসালত মজুত ৰাখিবলৈ ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে ডিগবৈ সচেতন মহলৰ লগতে জাতীয় জনগোষ্ঠীয় দল-সংগঠনে।

## হাইস্কুল শিক্ষান্ত পৰীক্ষাত তামুলপুৰত

*১২ পৃষ্ঠাৰ পৰা* আনিছে । উল্লেখ্য যে ১৯৮৬ স্থাপিত হোৱা আৰু ২০১৩ত প্ৰাদেশীকৃত বিদ্যালয়খনত বৰ্তমান মাত্ৰ এজন বিজ্ঞান শিক্ষকেৰে মুঠ ১৬ জন শিক্ষকে নিয়মীয়াকৈ পাঠদান কৰি ছাত্ৰ-ছাত্ৰীক গুণগত শিক্ষা প্ৰদান কৰি আহিছে। বিদ্যালয়খনত এতিয়াও আন্তঃগাঁথনিৰ যথেষ্ট অভাৱ সত্বেও বিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক আৰু অভিভাৱকৰ সহযোগত বিদ্যালয়খনে দোপতদোপে উন্নতিৰ দিশে ধাৱমান হৈছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক দীজেন্দ্ৰ নাথ বসুমতাৰীয়ে জনোৱা মতে বিদ্যালয়খনে ২০১৩ত প্ৰথমবাৰ বাবে এশ শতাংশ উত্তীৰ্ণৰ গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছত ২০১৪ত ৮৩.০৭ শতাংশ, ২০১৫ ত ৯৪.৩ৰ শতাংশ, ২০১৬ত ৭৩.৫২ শতাংশ, ২০১৭ত ৮২.৫৩ শতাংশ, ২০১৮ত ৮৩.৫০ শতাংশ, ২০১৯ত ৯২.০৪ শতাংশ আৰু ২০২০-২১ বৰ্ষ আৰু ২০২২ তো এশ শতাংশ ছাত্ৰ- ছাত্ৰী উত্তীৰ্ণ হয়। প্ৰধান শিক্ষকজনে সদৰী কৰা মতে, ভূটাম সীমান্তৰ ১০-১৫ খন বড়ো গাঁৱৰ বড়ো জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা বিদ্যালয়খনে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ধাৰাবাহিকভাৱে দেখুওৱা সফলতাৰ বাবে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাই আহিছে। কিন্তু পৰ্যাপ্ত শ্ৰেণীকোঠাৰ অভাৱত একেটা কোঠাতে শতাধিক ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিবলগীয়া হয় । আনহাতে, বিদ্যালয়খনত মাত্ৰ এজন বিজ্ঞান শিক্ষক থকাত উচ্চ শাখাত পাঠদান কৰাত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে । সীমিত সা সুবিধাৰ মাজতে প্ৰধান শিক্ষকজনৰ লগতে সহ শিক্ষক সকলে বিদ্যালয়খনৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক মানুহ কৰি গঢ়ি তোলাৰ বাবে অকনো চেষ্টাৰ ক্ৰুটী নকৰে।

## বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাই জীৱনৰ

*১২ পৃষ্ঠাৰ পৰা* 'ছাত্ৰ-ছাত্ৰীসকলে জীৱনৰ গতি প্ৰৱাহৰ বাবে বিভিন্ন অনুপ্ৰেৰণামূলক কথাবোৰ সাৰথি কৰি ল'ব লাগিব। তেওঁলোক জোনাকী পৰুৱাৰ দৰে হ'বলৈ শিকিব লাগিব। জোনাকী পৰুৱাই নিজৰ গাৰ পোহৰেৰে আন্ধাৰতো বাট বিচাৰে। একেদৰেই আমি নিজে নিজক পোহৰাই তুলিবলৈ শিকিব লাগিব। জীৱন গঢ়াৰ বাবে এই শিক্ষাৰ প্ৰক্ৰিয়াত নিজক নিয়োজিত কৰাৰ ভূমিকাত ছাত্ৰ- ছাত্ৰীসকলে নিজকে অৱতীৰ্ণ কৰিব লাগিব। আমি দৌৰিব লাগিব। কাম কৰিব লাগিব। এচাম মানুহ দৌৰি আছে বাবেহে জাতিটো জীয়াই আছে।' জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা পৰিচালনা সমিতিৰ সভাপতি ভৱানী কুমাৰ বৰুৱাই বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈয়ে আদৰণিসূচক বক্তব্য প্ৰদান কৰে। অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপিকা নৱনীতা বৰাই সঞ্চালনা কৰা বক্তৃতানুষ্ঠানটি আঁত ধৰে ছাত্ৰী মঞ্জিতা দত্তই আৰু উদ্দেশ্যে ব্যাখ্যা কৰে সহকাৰী অধ্যাপক জীৱমণি নাথে। কালিৰ কাৰ্যসূচীৰ অংশ হিচাপে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা প্ৰকাশিত 'অংকুৰ' নামৰ বছেৰেকীয়া আলোচনীখনিৰ চতুৰ্দশ- পঞ্চদশ সংখ্যাটো ভৱানী কুমাৰ বৰুৱাই উন্মোচন কৰে। এই সংখ্যাৰ 'অংকুৰ' সম্পাদনা কৰিছে বিভাগৰ ছাত্ৰ ৰিতুৰাজ মহন্তই। উল্লেখ্য যে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সম্পাদনাৰে বিভাগে এই আলোচনী প্ৰকাশৰ ধাৰাবাহিকতা ৰক্ষা কৰি আহিছে। সহকাৰী অধ্যাপক ড° মণ্টু কুমাৰ বড়াই মূল বক্তাৰ পৰিচয় জ্ঞাপন আৰু সহকাৰী অধ্যাপক ড° প্ৰমোদ চন্দ্ৰ দাসে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটোত অতিথিৰূপে উপাধ্যক্ষ কুণ্ডিল কুমাৰ মুদৈ আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক বিদ্যাধৰ বৰুৱাই অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ দ্বিতীয় পৰ্বত অনুষ্ঠিত ছাত্ৰ-ছাত্ৰীৰ আলোচনা চক্ৰত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ দলে মুঠ ১৪ খন ভিন্ন বিষয়ৰ আলোচনাপত্ৰ পাঠ কৰে।

## ঘগ্ৰাপাৰত যুৱ মৰ্চাৰ বড়িগোগ বনভাগ

*১২ পৃষ্ঠাৰ পৰা* লগতে বড়িগোগ বনভাগ মণ্ডল জনতা যুৱ মৰ্চা সমিতিয়ে। দলটোক আগুৱাই নিয়াৰ উদ্দেশ্যে কালি দিনজোৱা কাৰ্যসূচীৰে নলবাৰী সমষ্টি অন্তৰ্গত ঘগ্ৰাপাৰৰ দিহজাৰী গাওঁ পঞ্চায়তৰ সভাগৃহত বড়িগোগ বনভাগ মণ্ডলৰ যুৱ মৰ্চাৰ প্ৰথমখন কাৰ্যনিৰ্বাহ সভা সম্পন্ন কৰা হয়। ভাৰতীয় জনতা যুৱ মৰ্চাৰ বড়িগোগ বনভাগ মণ্ডলৰ সভাপতি হৰেশ্বৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত উপস্থিত থাকে নলবাৰী জিলা বিজেপিৰ যুৱ মৰ্চাৰ সভাপতি হেমন্ত বৰ্মন, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজৰবৰুৱা, যুৱ মৰ্চা ৰাজ্যিক উপ-সভাপতি তাপশ কলিতা, নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, উপ-সভাপতি জয়ন্ত বুজবৰুৱা, সম্পাদক নন্দলাল চৰকাৰ, দিপেন কলিতা, কাৰ্যনিৰ্বাহক সদস্য মৃদুল কলিতা, কুলদ্বীপ কলিতা, ঘগ্ৰাপাৰ জিলা পৰিষদৰ সদস্য পংকজ ডেকা, নলবাৰী যুৱ মৰ্চা উপসভাপতি সুৰেশ কলিতা, গৌতম কাকতি, কাৰ্যনিৰ্বাহক চন্দন ডেকা, দিহজাৰী গাওঁ পঞ্চায়ত সভাপতি দিপক কলিতা, বড়িগোগ বনভাগ মহিলা মৰ্চাৰ সভানেত্ৰী মণিকা ভৰালী, সংখ্যালঘু মৰ্চাৰ মণ্ডল সভাপতি চামচুল আলী, এচ টি মৰ্চা জিলা সভাপতি হিতেশ ব্ৰহ্মা, বড়িগোগ বনভাগ মণ্ডল যুৱ মৰ্চাৰ প্ৰভাৰী হৰিদেৱ ৰাজবংশী আদিয়ে। নলবাৰী জিলা বিজেপি সভাপতি ডাঃ মৃগাংক তালুকদাৰে সভাত উপস্থিত থাকি ভাষণ প্ৰসংগত কয় যে বিজেপি দলটোৰ শক্তি মূলতে যুৱ মৰ্চা বুলি উল্লেখ কৰি যুৱশক্তিয়ে আগন্তুক দিনত দেশ তথা ৰাজ্যৰ নেতৃত্বত দিব লাগিব বুলি মন্তব্য দিয়ে। সভাত নলবাৰী জিলাৰ জনতা যুৱ মৰ্চাৰ সভাপতি হেমন্ত বৰ্মনে ভাষণত আগন্তুক দিনত ভাৰতীয় জনতা পাৰ্টিৰ যুৱ শক্তি কি দৰে কাম-কাজ কৰি দলটোক অধিক শক্তিশালী কৰিব পাৰি তাৰ ওপৰত মন্তব্য আগবঢ়ায়। অনুষ্ঠানটোত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই নিজৰ ভাষণত যুৱ শক্তিয়ে ৰাষ্ট্ৰশক্তি বুলি উল্লেখ কৰি যুৱ মৰ্চা আগন্তুক দিনত অধিক শক্তিশালী হোৱাৰ আহ্বান জনায়। সভাখনৰ আঁত ধৰে বড়িগোগ বনভাগ মণ্ডল বিজেপি যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক ৰঞ্জন বৰ্মনে।

# দুধনৈৰ বনগাঁও-গৰুছটকা সংযোগী গড়কাপ্তানী পথৰ দুৰৱস্থা

■ দুৰ্ভোগ ভুগিব লগা হৈছে সৰ্বসাধাৰণ ৰাইজে ■ শীঘ্ৰে মেৰামতিৰ দাবী স্থানীয় ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**

**দুধনৈ, ১২ জুনঃ** গোৱালপাৰা জিলাৰ ৩৬ নম্বৰ দুধনৈ জনজাতি বিধানসভা সমষ্টিৰ অন্তৰ্গত টিপলাই-সাৰাপাৰা গড়কাপ্তানী পথৰ পৰা বনগাঁও-গৰুছটকা সংযোগী পথৰ জৰাজীৰ্ণ অৱস্থাই জীয়াতু ভোগাইছে সকলো শ্ৰেণীৰ পথচাৰীক। পথটোৰ টিপলাই সাৰাপাৰা ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পথৰ বনগাঁৱৰ পৰা গৰুছটকালৈ যোৱা পথৰ সংযোগ স্থলী বনগাঁও বহু অংশৰ লগতে পথটোৰ বহু অংশ জৰাজীৰ্ণ হৈ পৰাত পথৰ মাজতে বৃহৎ বৃহৎ গাঁতৰ সৃষ্টি হোৱাত যিকোনো মুহূৰ্ততে দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা ব্যক্ত কৰিছে স্থানীয় ৰাইজে। প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত পকীকৰণ কৰা পথটোৰ নিৰ্মাণৰ পাঁচ বছৰ সম্পূৰ্ণ নৌহওঁতেই পকী পথটোৰ ব্লেক টপিং এৰি গৈ প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে। প্ৰতিদিনে বহু সংখ্যক গাড়ী চলাচল কৰা ব্যস্ত পথটো জৰাজীৰ্ণ হৈ পৰাত স্কুল- কলেজলৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰী , চিকিৎসালয়লৈ অহা ৰোগীৰ লগতে সকলো শ্ৰেণীৰ পথচাৰীয়ে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। স্থানীয় ৰাইজে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে, পথটোৰ নিৰ্মাণৰ নিবিদা লাভ কৰা সংশ্লিষ্ট ঠিকাদাৰজনে অধিক লাভৱান হোৱাৰ আশাত বিভাগটোৰ একাংশ বিষয়া-কৰ্মচাৰীক অসৎ উপায়েৰে মেনেজ কৰি নিম্ন মানৰ কামেৰে আঁচনিৰ নামত আৱণ্টন কৰা সমুদায় ধন উলিয়াবলৈ সক্ষম হয়। যাৰ বাবে সচেতন ৰাইজ ক্ষোভিত হৈ পৰা পৰিলক্ষিত হৈছে। পথটোৰ জৰাজীৰ্ণ হৈ পৰা অংশসমূহৰ বাবে ইতিমধ্যে বহু কেইটা দুৰ্ঘটনা সংঘটিত হৈ বহু লোক আহত হ'বলগীয়া হৈছে। স্থানীয় ৰাইজে অতি সোনকালে পথটো পুনৰ মেৰামতি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে স্থানীয় বিধায়ক যাদৱ স্বৰ্গীয়াৰী, গড়কাপ্তানী বিভাগ, জিলা উপায়ুক্ত মিনাক্ষী দাস নাথক আহ্বান জনাইছে।

## নীলমণি ফুকন উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ এশ শতাংশ উত্তীৰ্ণ

**অগ্ৰদূত বাৰ্তা**

**টীয়ক, ১২ জুন ঃ** টীয়ক ৰজাবাৰী অঞ্চলৰ স্ত্ৰীশিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠান নীলমণি ফুকন উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। এইবাৰৰ পৰীক্ষাত মুঠ ২০ গৰাকী ছাত্ৰী অৱতীৰ্ণ হৈছিল । ইয়াৰে এগৰাকীয়ে ডিষ্টিংচন, ১২ গৰাকীয়ে লেটাৰসহ প্ৰথম বিভাগ সাতগৰাকীয়ে দ্বিতীয় বিভাগ আৰু এগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয় । বিদ্যালয় খনৰ এই সফলতাত পৰিচালনা সমিতি, শিক্ষক কৰ্মচাৰী আৰু স্থানীয় ৰাইজে আনন্দ প্ৰকাশ কৰিছে ।

## যুৱ-ছাত্ৰ পৰিষদৰ শাখা সমিতি গঠন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১২ জুন ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পূব-যোৰহাট আঞ্চলিক সমিতিৰ অন্তৰ্গত কেন্দুগুৰি ১৪ নম্বৰ কুঁৱৰী পুখুৰী প্ৰাথমিক বিদ্যালয়ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। উক্ত সভাত কেন্দুগুৰি চেগেংলী গাঁৱৰ ৫০ জনৰো অধিক যুৱক উপস্থিত থকা সভাত সভাপতিত্ব কৰে উক্ত অঞ্চলৰে যুৱক পৰাগ দত্তই। সভাৰ আঁত ধৰে অমৰজ্যোতি বড়াই। সভাত উপস্থিত থাকে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ যোৰহাট জিলা সমিতিৰ সাধাৰণ সম্পাদক বাবু দত্ত আৰু সাংগঠনিক সম্পাদক বিতুল চন্দ্ৰ বৰা। বাবু দত্তই অসমৰ সাম্প্ৰতিক সমস্যাৰ লগতে ড্ৰাগছৰ কবলৰ পৰা নৱপ্ৰজন্মক উদ্ধাৰ কৰিবলৈ আহ্বান জনায়। উক্ত সভাতেই অমৰজ্যোতি বড়াক সভাপতি আৰু ধ্ৰুৱজ্যোতি বৰাক সাধাৰণ সম্পাদকৰূপে লৈ এখন পূৰ্ণাংগ ২৯ জনীয়া সমিতিক লৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কেন্দুগুৰি কুঁৱৰী পুখুৰী নামেৰে শক্তিশালী শাখা সমিতি গঠন কৰে আৰু কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে।

## কাটাঝাৰ আমছু-গোৱৰ্ধনা যুৱ কল্যাণ সংঘৰ উদ্যোগত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১২ জুন ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত আৰু হাইমাদ্ৰাছা পৰীক্ষাত ভাল ফলাফল দেখুওৱা ছাত্ৰ-ছাত্ৰীক বৰপেটা জিলা আমছুৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আমছুৰ বৰপেটা জিলাৰ কাটাঝাৰ পথাৰ আঞ্চলিক সমিতিৰ উদ্যোগত কাটাঝাৰত কালি অনুষ্ঠিত হয় সম্বৰ্ধনা অনুষ্ঠানৰ। কৃতী ছাত্ৰ-ছাত্ৰীসকলক ফুলাম গামোচা, কলম আদিৰে সম্বৰ্ধনা প্ৰদানেৰে



উৎসাহ যোগায় ছাত্ৰ সংগঠনটোৰে। ইয়াৰ উপৰি চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ পৰা ভাল ফলাফল লাভৰ বাবে শিক্ষকসকলক শিক্ষাদানৰ বাদে অইন কামত নিয়োজিত নকৰিবলৈ চৰকাৰলৈ আহ্বান জনায় ছাত্ৰ সংগঠনটোৰে। একেদৰে বাগ্‌সাৰ গোৱৰ্ধনা আঞ্চলিক যুৱ কল্যাণ সংঘৰ তৰফৰ পৰাও হাইস্কুল শিক্ষান্ত আৰু হাইমাদ্ৰাছা পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। গোৱৰ্ধনা আঞ্চলিক যুৱ কল্যাণ সংঘৰ সদস্যসকলে অঞ্চলটোৰ পৰীক্ষাৰ্থীসকলৰ ঘৰে ঘৰে গৈ সংঘৰ তৰফৰ পৰা শুভেচ্ছাৰ লগতে ফুলাম জাপি, গামোচা আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত সুবিধা প্ৰদান কৰিবৰ কাৰণে অসম চৰকাৰলৈ অনুৰোধ জনায় সংঘৰ সদস্যসকলে।

## গ্ৰামোদ্যোগ প্ৰশিক্ষণ কেন্দ্ৰত সামৰণি অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**বোকাখাত, ১২ জুন ঃ** পঞ্জাৱ নেচনেল বেংক গ্ৰাম্য আত্মসংস্থাপন প্ৰশিক্ষণ প্ৰতিষ্ঠানত আজি কুকুৰা পালন আৰু টুৰিষ্ট গাইড প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। ১৫ৰ পৰা ২৭ মে'লৈ কুকুৰা পালনত ৩০ গৰাকী, টুৰিষ্ট গাইডত ৩৩ গৰাকী যুৱক-যুৱতীয়ে প্ৰশিক্ষণ লৈছিল। আৰচেটি সঞ্চালক চিন্ময়জ্যোতি গোহাঁয়ে আদৰণি জনায় সকলোকে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই অংশগ্ৰহণ কৰি কয় যে কুকুৰা পালন স্বাৱলম্বী হোৱাৰ অন্যতম উপায়। কেৱল কুকুৰা নহয় গাহৰি পালন কৰি লাভৱান হ'ব পাৰে। পঞ্জাৱ, হাৰিয়ানা আদিৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহলৈ কোটি কোটি টকাৰ গাহৰি আমদানি কৰা হয়। টুৰিষ্ট গাইডসকলে কাজিৰঙা, মানাহ, নামেৰি আদিক কেন্দ্ৰ কৰি জীৱিকা উলিয়াব পাৰিব। কমেও এটা বিদেশী বা আন ভাষা শিকা উচিত। অনুষ্ঠানত পঞ্জাৱ নেচনেল বেংক যোৰহাটৰ চক্ৰ প্ৰবন্ধক মহিন্দৰ সিং, গোলাঘাট জিলা লিড বেংক মেনেজাৰ সঞ্জীৱ বৰা, আঁচনি বিষয়া মাধুৰ্য বৰুৱা, সহকাৰী খণ্ড উন্নয়ন বিষয়া ববিতা গগৈ, জ্যেষ্ঠ সাংবাদিক ভবানন্দ কলিতা, ডেৰাডুনৰ বন্যপ্ৰাণী প্ৰতিষ্ঠানৰ কৰ্মী প্ৰিয়ংকা বৰা আদিয়ে অংশগ্ৰহণ কৰে। চলিত বৰ্ষত ৪৮০ গৰাকী নিবনুৱা যুৱক-যুৱতীয়ে প্ৰশিক্ষণ লৈছে বিভিন্ন বিষয়ত। উল্লেখ্য যে প্ৰশিক্ষণ সমাপ্ত কৰা প্ৰমাণপত্ৰ বিশিষ্ট অতিথিসকলে প্ৰদান কৰে। বেংকসমূহে প্ৰয়োজন অনুসৰি পুঁজি ধাৰ হিচাপে আগবঢ়াব।

## আলিগাঁও পাথাৰ প্ৰাথমিক বিদ্যালয়ত আন্তঃগাঁথনিৰ কামৰ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**মন্দিয়া, ১২ জুন ঃ** বৰপেটা জিলাৰ মন্দিয়া শিক্ষা খণ্ডৰ অধীনস্থ আলিগাঁও পাথাৰ প্ৰাথমিক বিদ্যালয়ত অলপতে দুখনকৈ শৌচালয়ৰ কামৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে সৰ্বশিক্ষা আঁচনিৰ অধীনত ল'ৱাৰ বাবে ১,৮৯,৩০০ টকা আৰু ২,৪৮,৫০০ টকা ব্যয় সাপেক্ষে দুখনকৈ শৌচালয়ৰ কামৰ উদ্বোধনী কৰে। উক্ত উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে কনিষ্ঠ অভিযন্তা আব্দুৰ ৰহিম আহমেদ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আবু বাক্কাৰ, বিদ্যালয়খনৰ প্ৰধান শিক্ষক ৰফিকুল ইছলাম, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যৰ লগতে স্থানীয় লোকসকলে। সম্প্ৰতি উক্ত বিদ্যালয়খন কে'বাবাৰো ব্ৰহ্মপুত্ৰ গৰাখহনীয়াৰ কবলত পৰি স্থানান্তৰ কৰা হৈছিল। যদিও আন্তঃগাঁথনিৰ অভাৱত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে অতিৰিক্ত শ্ৰেণীকোঠা আদি বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে। সেয়ে উক্ত বিদ্যালয়ৰ সমস্যাবোৰ বিভাগীয় কৰ্তৃপক্ষ তথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে।

## ১৯ জুনত কয়াকুছি প্ৰেছ

*১২ পৃষ্ঠাৰ পৰা* সৰ্থেবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ত্ৰিদিপ কুমাৰ কোঁৱৰ, উপস্থিত থাকিব। উল্লেখ্য যে উক্ত মুকলি সভাত বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱ শৰ্মা, সাংবাদিক দ্বিজেন দাস, ভক্তৰডোবাৰ হৰেন্দ্ৰ চিত্ৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জাকিৰ হুছেইন, বিশিষ্ট প্ৰকৃতি প্ৰেমী কমলা দাস আৰু হোমিঅ' চিকিৎসক ছাবিনা ইয়াচমিনক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ব।


## অসম চৰকাৰৰ প্ৰাথমিক

*১২ পৃষ্ঠাৰ পৰা* চামিল কৰিব বিচৰা বিদ্যালয় কেইখনৰ কোনখন বিদ্যালয়ৰ ভৌগোলিক পৰিৱেশ শিক্ষাৰ বাবে বেছি উপযুক্ত তাক অধ্যয়ন নকৰাকৈ লোৱাৰ সিদ্ধান্তৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে সমস্যাৰ সন্মুখীন হ'ব লগাটো কেতিয়াও গ্ৰহণযোগ্য নহয়। গতিকে অতি সোনকালে এই বিষয়টোৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ কাকজান আঞ্চলিক ছাত্ৰ সন্থাই উপায়ুক্ত মহোদয়ক আহ্বান জনায়।

## কলকাতাৰ আন্তৰ্জাতিক কবি সন্মিলনত সন্মানিত হৰ্ষিতা হিয়া

**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ জুন ঃ** কলকাতাৰ আন্তৰ্জাতিক কবি সন্মিলনে আগবঢ়োৱা জীৱনানন্দ দাস বঁটা এইবাৰ অসমৰ হৰ্ষিতা হিয়াই লাভ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এন্টনিম আৰু কলকাতাৰ ভাষা সংসদে যুটীয়াভাৱে দেশৰ বিভিন্ন ভাষাৰ কবিতা ইংৰাজী আৰু বাংলা ভাষালৈ অনুবাদ কৰাৰ এক অভিলাষী প্ৰতিযোগিতা আয়োজন কৰিছিল। আঞ্চলিক ভাষাৰ উৎকৃষ্ট ৰচনাৰাজিৰ অধিক প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আয়োজন কৰা এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি অসমীয়া ভাষাৰ কবিতা ইংৰাজী ভাষালৈ কৰা অনুবাদৰ বাবে হৰ্ষিতা হিয়ালৈ এই সন্মান আগবঢ়োৱা হৈছে। ইতিমধ্যে এন্টনিমৰ ছপা সংস্কৰণতো হৰ্ষিতাৰ এই অনুবাদ প্ৰকাশ পাইছে। কালি কলকাতাৰ ইষ্টাৰ্ণ জনেল কালচাৰেল চেন্টাৰৰ প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত আয়োজক সমিতিয়ে এই বঁটা হৰ্ষিতা হিয়াক প্ৰদান কৰে। হৰ্ষিতা অনূদিত এই কবিতা অনুষ্ঠানত পাঠ কৰে বাংলা চলচ্চিত্ৰ জগতৰ প্ৰসিদ্ধ অভিনেত্ৰী অপৰ্ণা সেন আৰু তেওঁৰ স্বামী কল্যাণ সেনে। ইয়াৰ পাছতেই হৰ্ষিতাক জীৱনানন্দ দাস বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে এখন মানপত্ৰ, এটা স্মাৰক, এখন চাদৰ



আৰু নগদ ধন। আয়োজক সমিতিয়ে এইবাৰ এই প্ৰতিযোগিতাৰ বাবে অসমৰ প্ৰথিতযশা কবি সমীৰ তাঁতীৰ 'ধোঁৱা, যাওঁগৈ বলা (২), মোক হিয়া উজাৰি দিয়া, মোক সহজ কৰি দিয়া' শীৰ্ষক পাঁচোটাকৈ কবিতা অনুবাদৰ বাবে আগবঢ়াইছিল।

উল্লেখ্য যে নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ ইংৰাজী বিষয়ত স্নাতকোত্তৰ হৰ্ষিতা হিয়াই ইতিমধ্যে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু' ইংৰাজী ভাষালৈ অনুবাদ কৰি উলিয়াইছিল। অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়াই গুৱাহাটীত এই গ্ৰন্থৰ ইংৰাজী অনুবাদ গ্ৰেণ্ড মাদাৰ্ছ টেইৰ্ছ উন্মোচন কৰিছিল। অনুবাদ সাহিত্যৰ প্ৰতি বিশেষ অনুৰাগ থকা হৰ্ষিতাই অলপতে কলকাতাৰ বি বি ই প্ৰকাশন গোষ্ঠীয়ে ব্ৰিটিছ কাউন্সিলৰ সহযোগিতাত অনুষ্ঠিত সপ্তাহজোৱা এক কৰ্মশালাত অংশগ্ৰহণ কৰিছিল। ব্ৰিটিছ কাউন্সিলৰ লুইচি হান্নান, দেশৰ অনুবাদ সাহিত্যৰ বৰেণ্য ব্যক্তি অৰুণাভ সিন্‌হা, অসমৰ মিত্ৰা ফুকন আদিয়ে এই প্ৰশিক্ষণ প্ৰদান কৰিছিল। তদুপৰি বলিউদৰ অভিনেত্ৰী টুইংকল খান্নাই তেওঁৰ টুইক ইণ্ডিয়াৰ জৰিয়তে ৰাষ্ট্ৰীয় স্তৰত আয়োজন কৰা ষ্টৰী টেলাৰ প্ৰতিযোগিতাত দেশৰ তিনিগৰাকী বিজয়ীৰ ভিতৰত অন্যতম আছিল হৰ্ষিতা। দেলহি পয়েট্ৰি চলাম, মিউজ ইণ্ডিয়া, দি লিটল জাৰ্ণেল অৱ নৰ্থ ইষ্ট ইণ্ডিয়া আদি দেশৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰকাশিত সংকলন, আলোচনী তথা ৱেব মেগাজিন আদিতো হৰ্ষিতা হিয়াৰ সৃষ্টিশীল লেখনিয়ে সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

# 'শৈক্ষিক অনুশীলনত প্ৰত্যাহ্বান-সুযোগ ঃ এক নতুন দৃষ্টিভংগী'

**তেজপুৰত গুৰুত্বপূৰ্ণ শৈক্ষিক বিষয়ৰ ওপৰত ৰাষ্ট্ৰীয় আলোচনাচক্ৰ সম্পন্ন**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১২ জুন ঃ** নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি প্ৰযোজ্য হোৱাৰ প্ৰাকমুহূৰ্তত কালি তেজপুৰ মহাবিদ্যালয়ত শৈক্ষিক দিশৰ ওপৰত এখন গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় আলোচনাচক্ৰ অনুষ্ঠিত হয়। তেজপুৰ শিক্ষক শিকন মহাবিদ্যালয় আৰু তেজপুৰ মহাবিদ্যালয়ৰ যৌথ উদ্যোগত 'শৈক্ষিক অনুশীলনত প্ৰত্যাহ্বান আৰু সুযোগ ঃ এক নতুন দৃষ্টিভংগী' শীৰ্ষক গুৰুত্বপূৰ্ণ আলোচনাচক্ৰখন পুৱা বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱাৰ পাছত উদ্বোধনী অনুষ্ঠানত পৌৰোহিত্য কৰে তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতি কমল হাজৰিকাই। সভাপতিৰ আসনৰ পৰা আদৰণী ভাষণ প্ৰদান কৰি ড° হাজৰিকাই সকলোকে আদৰণী জনোৱাৰ লগতে সাংস্কৃতিক নগৰী তেজপুৰ আৰু তেজপুৰ মহাবিদ্যালয়ৰ ঐতিহ্যৰ লগতে ইয়াৰ উত্তৰণ আৰু বিকাশৰ ওপৰত আলোকপাত কৰে। আনহাতে, এই ৰাষ্ট্ৰীয় আলোচনাচক্ৰখন উদ্বোধন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° যোগেন কলিতাই। উদ্বোধনী ভাষণত ড° কলিতাই ছাত্ৰ-ছাত্ৰীসকল উপকৃত হোৱাকৈ নতুন শিক্ষা নীতিৰ বিভিন্ন



সুযোগ আৰু প্ৰত্যাহ্বান সম্পৰ্কে বিশদ ব্যাখ্যা আগবঢ়ায়। আনহাতে, উদ্বোধনী অনুষ্ঠানত মূল বক্তাৰূপে উপস্থিত থাকি ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সঞ্চালক ড° নিৰদা দেৱীয়ে আলোচনাচক্ৰৰ মূল বিষয়বস্তুৰ ওপৰত গভীৰভাৱে আলোকপাত কৰাৰ লগতে নতুন শিক্ষা নীতিৰ প্ৰয়োজনীয়তা আৰু প্ৰাসংগিকতা সম্পৰ্কে বক্তৃতা আগবঢ়ায়। আনহাতে, দুয়োখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত সংগীত পৰিৱেশন কৰা উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে আলোচনাচক্ৰখনৰ সমন্বয়ক তথা তেজপুৰ শিক্ষক শিকন মহাবিদ্যালয়ৰ অধ্যাপিকা মনময়ূৰী গোস্বামীয়ে আৰু শলাগ জ্ঞাপন কৰে আন এগৰাকী সমন্বয়ক ড° ৰাজলক্ষ্মী সোণোৱালে। কালিৰ এই ৰাষ্ট্ৰীয় আলোচনাচক্ৰখনৰ প্ৰথম কাৰিকৰী সত্ৰৰ সমল ব্যক্তিৰূপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° গায়ত্ৰী গোস্বামী আৰু দ্বিতীয় সত্ৰৰ সমল ব্যক্তিৰূপে উপস্থিত থাকে তেজপুৰ বিশ্ববিদ্যালয়ৰ এম বি এ বিভাগৰ অধ্যাপক ড° মৃন্ময় শৰ্মা। উল্লেখ্য যে ২৫ খনৰো অধিক গৱেষণাপত্ৰ পাঠ কৰা আলোচনাচক্ৰখনৰ প্ৰতিটো শিতানত তেজপুৰ শিক্ষক শিকন মহাবিদ্যালয়ৰ অধ্যক্ষ অজয় কাণ্ডুলনা সমন্বিতে মহাবিদ্যালয় দুখনৰ অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# অসম দাপোণ

গুৱাহাটী, ১৩ জুন, সোমবাৰ, ২০২২ পৃষ্ঠা ১৪


## নৈ খান্দি ৰাজপথৰ ওপৰতে দমাই ৰাখিছে ৰঙামাটি

# আজাৰাত ভয়াৱহ দুৰ্ঘটনাৰ আশংকা



অগ্ৰদূত বাৰ্তা

**আজাৰা, ১২ জুন ঃ** জলসম্পদ বিভাগৰ দায়িত্বহীন কামৰ বাবে আজাৰাত ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাই দেখা দিছে। কিয়নো জলসম্পদ বিভাগে কালমণি নৈখন পুনৰ খননৰ নামত ঘাইপথৰ দাঁতিতে দমাই থৈছে ৰঙা মাটি। উল্লেখ্য যে আজাৰাৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিয়েদি আছিল ইতিহাস প্ৰসিদ্ধ কালমণি নৈ। বৃহত্তৰ আজাৰা অঞ্চলৰ বৰ্জিত পানী ওলাই যোৱাৰ এইটোৱে একমাত্ৰ পথ। কিন্তু একাংশ অবিবেচক নাগৰিকে কালমণি নৈখন পুতি ঘৰলৈ যোৱা পথ নিৰ্মাণ কৰাৰ লগতে একাংশই দোকান-পোহাৰ বহুৱাই নৈখনৰ চিনমোকাম নাইকিয়া কৰি পেলাইছে। যাৰ বাবে এজাক বৰষুণতে আজাৰা অঞ্চল কৃত্ৰিম বানত বুৰ যায়। আনহাতে, পানী ওলোৱা কোনো বিকল্প পথ নথকাত কে'বাদিনো পানী আবদ্ধ হৈ থাকে। শেহতীয়াকৈ জলসম্পদ বিভাগে প্ৰায় এপযেক পূৰ্বে কালমণি নৈখন খন্দা আৰম্ভ কৰে। সচেতন লোকসকলে ইয়াৰ বাবে বিভাগীয় কৰ্তৃপক্ষক কৃতজ্ঞতা জনায় যদিও নৈ খন্দা মাটিবোৰ পথৰ দাঁতিতে দমাই ৰখাত আশ্চৰ্য প্ৰকাশ কৰে। মন কৰিবলগীয়া যে ৰঙামাটিবোৰ পথৰ ওপৰতে দমাই ৰখাত ৰাষ্ট্ৰীয় ঘাইপথটো সংকুচিত হৈ পৰিছে। প্ৰবল বৰষুণে ৰঙামাটিবোৰ পথৰ মাজলৈ বোৱাই অনাত দুচকীয়া বাহনৰ বাবে বিপজ্জনক হৈ উঠিছে। সকলোতকৈ অসুবিধাত পৰিছে পথচাৰীসকল। পথৰ দাঁতিতে মাটিবোৰ দমাই ৰখাৰ বাবে কণ কণ স্কুলীয়া ছাত্ৰ-ছাত্ৰীকে ধৰি অন্য পথচাৰীয়ে অতি বিপজ্জনকভাৱে পথৰ মাজেৰে খোজ কাঢ়ি অহা-যোৱা কৰিব লগা হৈছে। ইতিমধ্যে কে'বাখনো দুচকীয়া বাহন ৰঙামাটিত পিছলি দুৰ্ঘটনাত পতিত হৈছে। ৰাইজে পথৰ দাঁতিত দমাই ৰখা ৰঙামাটিবোৰ উঠাই নিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনাই আছে যদিও কোনো গুৰুত্ব আৰোপ কৰা নাই। কোনো ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতহে কৰ্তৃপক্ষৰ গা লৰিব নেকি বুলিও ৰাইজে প্ৰশ্ন তুলিছে।

## বৰভাগ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলন গঠন

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ১২ জুন ঃ** বৃহত্তৰ বৰভাগ অঞ্চলৰ উচ্চ শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠান বৰভাগ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন গঠন সম্পৰ্কে আজি মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত এখন সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা প্ৰাক্তন ছাত্ৰ ফণীধৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত আদৰণি ভাষণেৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনাই বৰ্তমানৰ অধ্যক্ষ ড° বিৰিঞ্চি চৌধুৰীয়ে। দুপৰীয়া ১২ বজাৰ পৰা অনুষ্ঠিত হোৱা উক্ত সভাখনত কে'বাগৰাকীও প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত গঠন হ'ব লগা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনখনৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত বক্তব্য প্ৰদান কৰে। সভাৰ অন্তত ভূপেন তালুকদাৰক সভাপতি, ড° সতীশ ভূঞাক কাৰ্যকৰী সভাপতি, প্ৰতাপ তালুকদাৰ, লক্ষী কলিতা আৰু অৰ্পণা মেধিক উপ-সভাপতি, চন্দন তালুকদাৰক মুখ্য সম্পাদক আৰু পংকজ কলিতা, সমৰজ্যোতি মহন্তক যুটীয়া সম্পাদক, দীনেশ কলিতা, দিনমণি তালুকদাৰক সহকাৰী সম্পাদক হিচাপে লৈ বৰভাগ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ ১৭ জনীয়া সমিতি গঠন কৰা হয়।

## তেজপুৰত দুৰ্ঘটনাত নিহত এজন

ষ্টাফ ৰিপ'টাৰ

**তেজপুৰ, ১২ জুন ঃ** যোৱা নিশা তেজপুৰৰ ভোমোৰাগুৰিত তথা ৩৭ (ক) নম্বৰ ৰাষ্ট্ৰীয় পথত যোৱা নিশা প্ৰায় ১২ বজাত এজন অচিনাক্ত বাহনে দুজন যুৱকক মহতিয়াই নিয়ে। এই শোকাৱহ দুৰ্ঘটনাত তেজপুৰ কছাৰীপামৰ যুৱক আমিনুল ইছলাম ঘটনা স্থলীতে নিহত হোৱাৰ বিপৰীতে আনজন যোৰগড়ৰ আছিকুল ইছলাম গুৰুতৰভাৱে আহত হয়। উল্লেখ্য যে এখন তীব্ৰ বেগী বলেৰ' বাহনে পালচাৰত আৰোহী দুই যুৱকক মহটিয়াই পলায়ণ কৰে।

### উন্মত্ত হাতীয়ে ভাঙি লণ্ড-ভণ্ড কৰিলে দুটা পৰিয়ালৰ ঘৰ

# পুনৰ গোসাঁইগাঁৱৰ হলদিবাৰী গাঁৱত বন্যহস্তীৰ সন্ত্ৰাস

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ১২ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অধীনস্থ তথা ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতি কাষৰীয়া অঞ্চল তথা জনবসতি অঞ্চলত বিগত কিছুদিন ধৰি বনাঞ্চলৰ পৰা ওলাই অহা বনৰীয়া হাতীৰ জাকে সন্ত্ৰাস চলাই আহিছে। হাতীৰ জাক এটাই প্ৰতি নিশাই বিভিন্ন বসতিপূৰ্ণ অঞ্চলত গৈ খাদ্য বিচাৰি সন্ত্ৰাস চলাই আহিছে। কালি গোসাঁইগাঁৱৰ পখিহাগা গাঁৱত হাতীৰ দলে এগৰাকী বিধৱা ঘৰ ভাঙি দিয়া উপৰি বয়বস্তু আৰু সামগ্ৰী তচনচ কৰাৰ পাছত আজি পুনৰ বন্যহস্তীৰ জাকে ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই আহি আন এখন গাঁৱত খাদ্য বিচাৰি সন্ত্ৰাস চলায়। গোসাঁইগাঁৱৰ হলদিবাৰী গাঁৱত আজি পুৱতি নিশা বনৰীয়া হাতীৰ এটা জাকে গাঁওখনত প্ৰৱেশ কৰি ৰবিলাল মাৰ্ডীৰ ঘৰ ভাঙি দিয়াৰ লগতে বিভিন্ন সামগ্ৰী ক্ষতি সাধন কৰাৰ উপৰি লক্ষী মাৰ্ডী নামৰ আন এগৰাকী বিধৱা মহিলাৰ ঘৰৰ খিৰিকী ভাঙি চাউল ধানৰ লগতে আন আন সামগ্ৰীৰ যথেষ্ট ক্ষতিসাধন কৰে। বিগত কিছুদিন ধৰি হাতীৰ জাকে জনবসতি অঞ্চলত প্ৰৱেশ কৰি সন্ত্ৰাস চলাই আহিছে যদিও বন বিভাগে কোনো গুৰুত্ব দিয়া নাই। যাৰ ফলত ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ সীমামূৰীয়া অঞ্চলৰ পৰিয়ালসমূহ আতংকৰ মাজত নিশা অতিবাহিত কৰিবলগীয়া হৈছে।

## ৯২ শতাংশ নম্বৰে উত্তীৰ্ণ হৈ উজলিল ৰেণুকা আগৰৱালা

**চেলেংহাট, ১১ জুন ঃ** সদ্য ঘোষিত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফলত মৰিয়নি সমষ্টিৰ চেলেংহাটৰ সঞ্জীৱ আগৰৱালা আৰু ঋতু আগৰৱালাৰ কন্যা ৰেণুকা আগৰৱালাই ছটা বিষয়তে লেটাৰ সহ ৯২ শতাংশ নম্বৰেৰে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। কোনো ঘৰুৱা টিউচন নোলোৱা ৰেণুকা আমগুৰিৰ ডন বস্ক' স্কুলৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হৈছিল।

## গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ এনএছএছ শিবিৰৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**বৰুৱা বামুণগাঁও, ১২ জুন ঃ** গোলাঘাটৰ কাবৰুগাঁৱৰ ঢেকেৰপেটা প্ৰাথমিক বিদ্যালয়ত যোৱা ২৫ মে'ত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ এনএছএছ গোটে এক সাতদিনীয়া বিশেষ শিবিৰৰ আয়োজন কৰে। এই উপলক্ষে বিদ্যালয়খনত স্বাস্থ্য শিবিৰ স্থাপন কৰাৰ উপৰি চাফাই অভিযান, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক বিশেষ পাঠদান, নিচাযুক্ত দ্ৰব্য বৰ্জনৰ বাবে গাঁৱৰ ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰা, ছাত্ৰ-ছাত্ৰীৰ মাজত পেলনীয়া প্লাষ্টিকৰ পুনৰ ব্যৱহাৰ কৰাৰ বিষয়ত প্ৰশিক্ষণ দিয়া, পানী ব্যৱহাৰৰ ওপৰত বিশেষ সজাগতা সৃষ্টিৰ বাবে পদক্ষেপ গ্ৰহণ, কৃষি কৰ্মৰ বিষয়ে প্ৰশিক্ষণ দিয়া আদি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। লগতে ছাত্ৰীসকলৰ মাজত পিঠা-পনা প্ৰস্তুত কৰাৰো প্ৰশিক্ষণ দিয়া হয়।

# ৰঙিয়া আৰক্ষীৰ জালত দুৰ্ধৰ্ষ ডকাইত ইমান আলী

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ১২ জুন ঃ** দীৰ্ঘদিন ধৰি কামৰূপ জিলাত সন্ত্ৰাসৰ সৃষ্টি কৰি অহা এজন দুৰ্ধৰ্ষ ডকাইতক অৱশেষত কৰায়ত্ত কৰিলে ৰঙিয়া আৰক্ষীয়ে। ৰঙিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰমল্ল পাটোৱাৰীৰ নেতৃত্বত আৰক্ষীয়ে এক গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই যোৱা নিশা দুৰ্ধৰ্ষ ডকাইত ইমান আলীক আটক কৰে। আৰক্ষীৰ সূত্ৰই জনোৱা অনুসৰি, কামৰূপ জিলাত সন্ত্ৰাসৰ সৃষ্টি কৰি অহা ডকাইত আলীয়ে এখন নম্বৰ প্লেট বিহীন বিলাসী বাহন লৈ ৰঙিয়ালৈ আহি থকাৰ খবৰ গোপন সূত্ৰে লাভ কৰে। লগে লগে আৰক্ষীয়ে ৰঙিয়াৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ চেপ্তি চ'কৰ ওচৰত খাপ পিটি থাকে। নিৰ্দিষ্ট সময়ত দুৰ্ধৰ্ষ ডকাইত আলীয়ে চেপ্টি চ'ক পোৱাৰ লগে লগে আৰক্ষীয়ে তেওঁক আটক কৰি থানালৈ লৈ আনে। আৰক্ষীয়ে গাড়ীখনত তালাচী চলোৱাত গাড়ীখনৰ পৰা ছটা ম'বাইল ফোন জব্দ কৰে। ম'বাইল ফোনসমূহ বিভিন্ন ঠাইৰ পৰা চুৰি কৰি অনা বুলি আৰক্ষীৰ জেৰাত আলীয়ে স্বীকাৰোক্তি দিয়ে। আৰক্ষীৰ সূত্ৰই জনাইছে যে ডকাইত আলীয়ে ৰাষ্ট্ৰীয় ঘাইপথতো দীৰ্ঘদিন ধৰি সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছিল। ৰঙিয়া আৰক্ষীয়ে আলীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি তেওঁক মাৰাথন জেৰা অব্যাহত ৰাখিছে।

## দীৰ্ঘদিন ধৰি সন্ত্ৰাসৰ সৃষ্টি কৰিছিল ৰাষ্ট্ৰীয় ঘাইপথত

### আদালতৰ নিৰ্দেশত অনাস্থা প্ৰস্তাৱ কাৰ্যকৰী সম্পৰ্কে জৰুৰী সভা


# সোণতলী-চৌধুৰীপাম গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ

**আলোপতি, ১২ জুন ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ ছমৰীয়া উন্নয়ন খণ্ডৰ অধীনস্থ সোণতলী চৌধুৰীপাম গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱ কাৰ্যকৰী সম্পৰ্কে আজি এখন জৰুৰী সভা নগৰবেৰাৰ ছমৰীয়া আঞ্চলিক পঞ্চায়তৰ সভাগৃহত অনুষ্ঠিত হয়। উল্লেখ্য যে ৫০ নম্বৰ সোণতলী চৌধুৰীপাম গাঁও পঞ্চায়তৰ সভানেত্ৰী ফিৰোজা বেগমৰ বিৰুদ্ধে প্ৰায় আঠ-নমাহ পূৰ্বে বিভিন্ন দুৰ্নীতি-অনিয়মৰ অভিযোগ উত্থাপন কৰি পঞ্চায়তখনৰ সদস্যসকলে সভানেত্ৰীগৰাকীৰ ওপৰত অনাস্থা প্ৰস্তাৱ আনিছিল। ইয়াৰ পাছত পঞ্চায়তৰ সভানেত্ৰীগৰাকীয়ে ইয়াৰ বিৰুদ্ধে মহামান্য উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। পাছত ন্যায়ালয়ত চলা ডব্লিউ পি (চি)



৬৩৯৯/২০২১ নম্বৰৰ গোচৰৰ শুনানিৰ পাছত যোৱা ৩০ মে'ত দিয়া এছডি/পিএনআৰডি এছচি/২০২২/০৫ নম্বৰৰ নিৰ্দেশমৰ্মে পঞ্চায়ত বিধি অনুসৰি ছমৰীয়া আঞ্চলিক পঞ্চায়তৰ সভাগৃহত অনাস্থা প্ৰস্তাৱ কাৰ্যকৰী সন্দৰ্ভত জৰুৰী সভা অনুষ্ঠিত হয়। ছমৰীয়া ৰাজহ চক্ৰ বিষয়া প্ৰীতম দাস, ছমৰীয়া উন্নয়ন খণ্ডৰ বিষয়া ছফিকুল ইছমাম আৰু আঞ্চলিক পঞ্চায়তৰ সভাপতি ৰফিকুল ইছলামৰ উপস্থিতিত অনুষ্ঠিত সভাত পঞ্চায়তখনৰ আঠগৰাকী ৱাৰ্ড মেম্বাৰে উপস্থিত থাকি অনাস্থা প্ৰস্তাৱৰ ওপৰত ভোট প্ৰদান কৰে। আঠগৰাকী সদস্যই প্ৰদান কৰা ভোট ছীল কৰি আদালতলৈ প্ৰেৰণৰ ব্যৱস্থা কৰা হয়। এতিয়া আদালতৰ ওপৰতে নিৰ্ভৰ কৰিব সভানেত্ৰী ফিৰোজা বেগমৰ ভাগ্য।

## উচ্ছেদিত পৰিয়ালৰ শিশুক পাঠদানৰ বাবে শ্যামপুৰত 'এডুকেয়াৰ একাডেমী' বিদ্যালয় স্থাপন



অগ্ৰদূত বাৰ্তা

**দলগাঁও, ১২ জুন ঃ** দৰঙৰ ছিপাঝাৰৰ গৰুখুঁটি-ধলপুৰৰ পৰা উচ্ছেদিত পৰিয়ালক দলগাঁও সমষ্টিৰ অন্তৰ্গত শ্যামপুৰ আৰু আৰিমাৰী চাপৰিত সংস্থাপন কৰা মানুহৰ কাৰণে আজি এক ঐতিহাসিক দিন। উচ্ছেদিত পৰিয়ালৰ একাংশক এই অঞ্চলত সংস্থাপন কৰিলে যদিও শিশুসকলৰ শিক্ষা-দিক্ষাৰ কোনো ব্যৱস্থা নকৰাত এক অনিশ্চয়তাৰ মাজেৰে গতি কৰিছিল শিশুসকলৰ ভৱিষ্যৎ। তেনে সময়তে আগবাঢ়ি আহিল 'এডুকেয়াৰ ফাউণ্ডেছন' নামৰ এক স্বেচ্ছাসেৱী অনুষ্ঠান। উচ্চ শিক্ষিত লোকেৰে গঠিত এই অনুষ্ঠানটোৱে অঞ্চলটোত 'এডুকেয়াৰ একাডেমী' নামেৰে এখন বিদ্যালয় স্থাপন কৰে। বিদ্যালয়খনত উক্ত উল্লেখিত উচ্ছেদিত পৰিয়ালৰ সন্তানসকলক সম্পূৰ্ণ বিনামূলীয়াকৈ পাঠদান কৰোৱাৰ ব্যৱস্থা কৰে। সকলোৰে আকাংক্ষিত ইডুকেয়াৰ ফাউণ্ডেছনৰ তত্বাৱধানত ইডুকেয়াৰ একাডেমীখন আজি পুৰা উদ্বোধন কৰে দলগাঁও সমষ্টিৰ বিধায়ক মজিবৰ ৰহমানে। অনুষ্ঠানত উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আব্দুল মান্নান, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দিলীপ বৰা, 'গণ অধিকাৰ' কাকতৰ সঞ্চালক সাহজাহান তালুকদাৰ, অসম চৰকাৰৰ অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ হাবিব মহম্মদ চৌধুৰীৰ লগতে দলগাঁও সমষ্টিৰ কে'বাজনো প্ৰবক্তা, শিক্ষক আৰু বিষয়াসকল অনুষ্ঠানত উপস্থিত থাকে। শিক্ষানুষ্ঠানখন ৰাইজৰ দান-বৰঙণিৰ দ্বাৰাই পৰিচালিত হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

## বৰনদীত সাঁতুৰিবলৈ গৈ উটি গ'ল এজন প্ৰাক্তন সৈনিক

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১২ জুন ঃ** তামুলপুৰ জিলাৰ নাগ্ৰীজুলি আৰক্ষী চকীৰ অন্তৰ্গত পৰ্যটনথলী বগমাটিত কালি আবেলি সংঘটিত হয় এক অঘটন। ভূটান পাহাৰৰ পৰা বৈ অহা খৰস্ৰোতা বৰনদী সাঁতুৰি পাৰ হ'বলৈ যাওঁতে কালি আবেলি প্ৰায় ৪-৩০ বজাত নৈৰ কোৱাল সোঁতে উটুৱাই নিয়ে এজন লোকক। লোকজন তামুলপুৰ জিলাৰ মহৰিপাৰা নিবাসী তথা প্ৰাক্তন সৈনিক থানেশ্বৰ বড়ো (৪০)। আৰক্ষী সূত্ৰে প্ৰকাশ কৰা মতে, বড়োৱে কালি আবেলি কেইজনমান বন্ধুৰ স'তে ভাৰত-ভূটান সীমান্তৰ পৰ্যটনথলী বগমাটিলৈ ফুৰিবলৈ গৈছিল। ফুৰিবলৈ গৈ আন দুগৰাকী বন্ধুৰ লগত খৰস্ৰোতা নৈখন সাঁতুৰি পাৰ হ'বলৈ চেষ্টা কৰিছিল। বন্ধু দুগৰাকীয়ে নৈখন সাঁতুৰি পাৰ হৈছিল যদিও থানেশ্বৰক নৈৰ কোৱাল সোঁতে উটুৱাই লৈ যায়। লগে লগে বন্ধুকেইগৰাকী বড়োক বৰনদীৰ কোৱাল সোঁতে উটুৱাই নিয়া খবৰ নাগ্ৰীজুলি আৰক্ষী চকীত দিয়ে। খবৰ লাভ কৰি নাগ্ৰীজুলি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া মইদুল ইছলামৰ নেতৃত্বত এটি আৰক্ষীৰ দল আৰু সুৱাগপুৰ আৰক্ষী চকীৰ আৰক্ষীৰ দল এটা ঘটনাস্থলীত উপস্থিত হৈ লোকজনক বিচাৰি অনুসন্ধান চলায় যদিও কোনো সন্ধান উলিয়াবলৈ সক্ষম নোহোৱাত এছডিআৰএফ বাহিনীক খবৰ দিয়ে। ইতিমধ্যে নাগ্ৰীজুলিত এছডিআৰএফৰ দল এটা আহি আজি পুৱাৰে পৰা বৰনদীৰ বুকুত নিৰুদ্দিষ্ট লোকজনক বিচাৰি অভিযান চলায় যদিও বাতৰি লিখা পৰলৈকে উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই।

### গুৰুত্বপূৰ্ণ সভাত কে'বাটাও প্ৰস্তাৱ গ্ৰহণ

## জামুগুৰিহাটত 'আখৰা'ৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি




অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১২ জুন ঃ** জামুগুৰিহাটৰ অন্যতম নাট্যচৰ্চাৰ অনুষ্ঠান 'অখৰা'ৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অহা ২৮, ২৯ আৰু ৩০ অক্টোবৰত বিস্তৃত কাৰ্যসূচীৰে এই ৰূপালী জয়ন্তী উদ্‌যাপন কৰা হ'ব বুলি জানিবলৈ দিয়ে 'আখৰা'ৰ কৰ্মকৰ্তাসকলে। অজি 'আখৰা'ৰ কাৰ্যালয়ত এই সন্দৰ্ভত এখনি গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জামুগুৰিহাটৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ সদস্যৰ উপস্থিতিত কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি অসমৰ বিভিন্ন প্ৰান্তৰ আমন্ত্ৰিত নাট্য দলৰ দ্বাৰা নাট প্ৰদৰ্শন, আলোচনা চক্ৰ, অন্তৰংগ আলাপৰ উপৰি এখন সৰ্বাংগ সুন্দৰ স্মৃতিগ্ৰন্থ উন্মোচনৰো সিদ্ধান্ত গ্ৰহণ কৰে। ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ কাৰ্যকাৰী সভাপতি ৰঞ্জন দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত জামুগুৰি পৌৰসভাৰ পৌৰপতি পল্লৱীতা শৰ্মা মহন্তক প্ৰমুখ্য কৰি নিৰ্বাচিত সদস্যসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উক্ত সভাতে আখৰা জন্মলগ্নৰে সদস্য তথা জামুগুৰি মাধৰ নিৱাসী বৰ্তমানৰ বিশ্বনাথ পৌৰসভাৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাৰ আঁত ধৰোতা তথা ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদক বিপুল বৰাই ৰূপালী জয়ন্তীৰ সমূহ কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে সকলো শ্ৰেণী ৰাইজকে সহযোগিতা কৰিবৰ বাবে আহ্বান জনায়। উল্লেখ্য যে ২০২০তে 'আখৰা'ই ৰূপালী জয়ন্তী সমাৰোহ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল যদিও কৰ'না মহামাৰীৰ বাবে সকলো কাৰ্যসূচী স্থগিত ৰাখিব লগা হৈছিল।

# তামাৰহাটত বজ্ৰপাতত নিমিষতে ছাৰখাৰ বাসগৃহ

## কথমপি ৰক্ষা দুই শিশুকে ধৰি মহিলা



**তামাৰহাট, ১২ জুন ঃ** গোসাঁইগাঁও বিধানসভা সমষ্টিৰ তামাৰহাটত বজ্ৰপাতৰ পৰা কথমপি ৰক্ষা পৰিল দুই শিশুকে ধৰি এটা পৰিয়াল। নিশা হোৱা প্ৰবল বৰষুণৰ মাজতে হোৱা বজ্ৰপাতত এটা পৰিয়ালৰ বাসগৃহ জ্বলিপুৰি ছাৰখাৰ হয়। জ্বলি ছাই হয় ঘৰ-দুৱাৰ, সা-সম্পত্তিকে ধৰি গুৰুত্বপূৰ্ণ নথিপত্ৰ। ঘটনাটো সংঘটিত হৈছে তামাৰহাটৰ ৰামনাথপাৰা গাঁৱৰ হাবিজুল ইছলামৰ ঘৰত। বজ্ৰপাতত পৰিয়ালটোৰ ঘৰ-দুৱাৰৰ উপৰি পাঁচ লক্ষাধিক টকাৰ সামগ্ৰী ভস্মীভূত হয়। কোনো মতে ৰক্ষা পৰে পত্নীকে ধৰি দুই শিশু। উল্লেখ্য যে হাবিজুল কৰ্মসূত্ৰে অৰুণাচল প্ৰদেশত থাকে। ঘৰত কেৱল পত্নী আৰু দুই সন্তান আছিল। নিশা বজ্ৰপাত পৰি জুই লগাত তেওঁলোকে কোনো মতে ঘৰৰ পৰা ওলাই জীৱন ৰক্ষা কৰে।

## সমাজ কল্যাণ বিভাগৰ কাম-কাজক লৈ গোলকগঞ্জত বুদ্ধিজীৱীৰে বৈঠক

### কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ

**তামাৰহাট, ১২ জুন ঃ** কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ সমাজ কল্যাণ বিভাগৰ কাৰ্যবাহী পাৰিষদ কাৰ্তিক ৰায়ৰ উদ্যোগত আজি ধুবুৰী জিলাৰ গোলকগঞ্জস্থিত চিলাৰায় মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিভিন্ন দল-সংগঠনৰ নেতা, বুদ্ধিজীৱী আৰু বিশিষ্ট ব্যক্তি সকলক লৈ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয় । চিলাৰায় মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সন্তোষ কুমাৰ সৰকাৰৰ সভাপতিত্বত অনুষ্ঠিত গুৰুত্বপূৰ্ণ সভাখনত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সমাজ কল্যাণ বিভাগৰ কাম-কাজ, পৰিষদীয় সমষ্টি গঠন আৰু পৰিষদত গাঁওসমুহৰ নাম অন্তৰ্ভুক্ত কৰা বিষয়ক লৈ আলোচনা কৰা হয়। সভাত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সমাজ কল্যাণ বিভাগৰ কাৰ্যবাহী পাৰিষদ কাৰ্তিক ৰায়, সাধাৰণ পাৰিষদদ্বয় ক্ৰমে উত্তম কুমাৰ প্ৰধানী আৰু মনোজ কুমাৰ ৰায়, চিলাৰায় মহাবিদ্যালয়ৰ অধ্যক্ষ ভাৰত ভূষণ মহান্তীৰ লগতে বিভিন্ন দল তথা ছাত্ৰ সংগঠনৰ নেতা, বুদ্ধিজীৱী আৰু বিশিষ্ট জ্যেষ্ঠ ব্যক্তিসকল উপস্থিত থাকি বিভিন্ন ধৰণৰ পৰামৰ্শ আগবঢ়ায়।

### ভেটিমাটি উছন-ঘৰ-দুৱাৰ ভাঙি নিৰাপদ স্থানত আশ্ৰয় বহু পৰিয়ালৰ

# মালেগড়ত ব্ৰহ্মপুত্ৰ আই-মানাহৰ খহনীয়াৰ তাণ্ডৱ অব্যাহত



অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১২ জুন ঃ** ব্ৰহ্মপুত্ৰ-আই-মানাহ নৈৰ খহনীয়াৰ তাণ্ডৱ অব্যাহত থকাত নিদ্ৰাহৰণ হৈছে বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ নিকটৱৰ্তী মালেগড়ৰ নৈপৰীয়া লোকৰ। তথ্য মতে, মালেগড়ৰ তিনিকোণীয়া তথা গোবিন্দপুৰত নৈকেইখনে অব্যাহত ৰাখিছে এই খহনীয়া। উল্লেখ্য যে গোবিন্দপুৰ গাঁৱৰ ওচৰেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ নৈতে পৰিছেগৈ আই আৰু মানাহ নৈ। কিন্তু নৈ তিনিখনে কিছুদিনৰে পৰা তীব্ৰ খহনীয়াৰ সৃষ্টি কৰি ক্ৰমে পূবলৈ আগবাঢ়ি অহাত খহনীয়াৰ কবলত পৰিছে ঘৰ-বাৰী, কৃষিভূমি। নৈকেইখনৰ খহনীয়াত গাঁওখনৰ ৰাধাকান্ত দাস, নকুল দাসৰ ভেটিমাটি, ঘৰবাৰী ইতিমধ্যে উছন হোৱাৰ পাছত আজি গৌৰ দাস, খুন্দিৰাম দাসৰ ঘৰ-দুৱাৰ আগতীয়াকৈ ভাঙি নিৰাপদ স্থানত আশ্ৰয় লৈছে। আনপিনে, নৈৰ খহনীয়া অব্যাহত থাকিলে গুৰু দাস, অনিল দাস, ৰমেশ দাস, বলোৰাম সৰকাৰ, সুধিৰ দাস, সুজিত দাস আদিৰ ঘৰ-বাৰী, ভেটি-মাটিৰ লগতে অংগনৱাড়ী কেন্দ্ৰ এটা, কালী মন্দিৰ এটাও খহনীয়াত জাহ যোৱাৰ আশংকাই দেখা দিছে।

### আহু ধান, তামোলবাৰী গচকি তহিলং

## ভূটান সীমান্তত বনৰীয়া হাতীৰ উপদ্ৰৱ কে'বাটাও পৰিয়ালৰ বাসগৃহ ভাঙি



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১২ জুন ঃ** খাদ্যৰ সন্ধানত ভূটান পাহাৰৰ পৰা নামি এটা বৃহৎ হাতীৰ জাক এটাই যোৱা নিশা তামুলপুৰ জিলাৰ ভূটান সীমান্তৰ এক নম্বৰ ডোঙাৰ গাঁও, আওঝাৰগুৰীত উপদ্ৰৱ চলাই অঞ্চলটোৰ কে'বাটাও পৰিয়ালৰ বাসগৃহ, ঘৰৰ আচবাব আদি ভাঙি লণ্ডভণ্ড কৰে। হাতীৰ জাকটোৱে ভঁৰালৰ ধান, আহু ধানৰ খেতি, পাচলিৰ খেতি, মালভোগ কলৰ বাগান খাই তহিলং কৰাৰ লগতে তামোল বাৰীৰো বিস্তৰ ক্ষতিসাধন কৰে। নিশা বনৰীয়া হাতীৰ জাকটোৱে অঞ্চলটোত প্ৰৱেশ কৰি উপদ্ৰৱ চলোৱাত আতংকিত হৈ পৰা স্থানীয় ৰাইজে কুমাৰীকাটা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত খবৰ দিয়ে যদিও অঞ্চলটোৰ যাতায়াত ব্যৱস্থা সুচল নোহোৱাত বনকৰ্মীৰ দল উপস্থিত হ'ব নোৱাৰিলে। ৰাইজে উজাগৰে থাকি জুই জলাই, ভগা টিং কোবাই, চিএঞৰ-বাখৰ কৰি হাতীৰ জাকটোক ওৰে নিশা খেদিবলৈ চেষ্টা কৰে যদিও পুৱতি নিশাহে জনাঞ্চলৰ পৰা আঁতৰি যায় হাতীৰ জাকটো। জাকটোৱে আওঝাৰগুৰীৰ দনীৰাম মোছাহাৰী নামৰ লোকজনৰ লগতে এক নম্বৰ ডোঙাৰগাঁৱৰ পুষ্প সৰকাৰ, দিল বাহাদুৰ নায়াৰ, কুমাৰ প্ৰধান নামৰ লোক কেইজনৰ বাসগৃহৰ ক্ষতি সাধন কৰে।

## গোৱালপাৰা মহাবিদ্যালয়ত বিশ্ব নবী দিৱস পালন

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ জুন ঃ** গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ছাত্ৰ একতা সভাৰ উদ্যোগত কালি দিনজোৰা কাৰ্যসূচীৰে বিশ্ব নবী দিৱস উদ্‌যাপন কৰা হয়। কাৰ্যসূচীৰ লগত সংগতি ৰাখি গজল কেৰাত আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰে গজল প্ৰতিযোগিতাত মুস্তাক ৰহমান, কেৰাত প্ৰতিযোগিতাত মুস্তাফিজুৰ ৰহমান আৰু আকস্মিক বক্তৃতাত মিজানুৰ ৰহমানে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। প্ৰায় অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাসমূহৰ বিচাৰকৰ আসনত থাকে ক্ৰমে অধ্যাপক ড° আমজাদ হুছেইন বৰভূঞা, অধ্যাপিকা হাছেনা বেগম বৰভূঞা আৰু অধ্যাপক শেইখ লুইতফৰ ৰহমানে। ইপিনে, অসমীয়া বিভাগৰ অধ্যাপক ড° জহিৰুল হকৰ পৌৰোহিত্যত এখন বঁটা বিতৰণী সভা অনুষ্ঠিত হয়।

দৈনিক অগ্ৰদূত

ক্ৰীড়াভূমি/ক্ৰীড়াভূমি

গুৱাহাটী, ১৩ জুন, ২০২২
সোমবাৰ, পৃষ্ঠা ১৫



### দিল্লীক পাঁচটা পদক দিলে অসমৰ দুই সাঁতোৰ খেলুৱৈয়ে ঃ বিক্ৰমৰ সোণসহ তিনিটা, উত্তৰাৰ দুটা ব্ৰঞ্জ লাভ

# খেলো ইণ্ডিয়াত তৃতীয়টো পদকৰে অসমৰ আস্থাৰ হেট্ৰিক

**গুৱাহাটী, ১২ জুন ঃ** চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত নিজৰ তৃতীয়টো পদক জয় কৰি হেট্ৰিক অৰ্জন কৰিছে অসমৰ জলকন্যা আস্থা চৌধুৰীয়ে। উল্লেখ্য যে হাৰিয়ানাত চলি থকা চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ সাঁতোৰত আজি আস্থাই ছোৱালীৰ ২০০ মিটাৰ ৱাটাৰফ্লাই শাখাত ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। তেওঁ সময় লয় দুই মিনিট ২০.৯২ ছেকেণ্ড। আস্থাৰ এই সফলতাৰে অসমে সাঁতোৰত তৃতীয়টো পদক লাভ কৰিলে। উল্লেখ্য যে ইয়াৰপূৰ্বে অসম কন্যাই চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত দুটাকৈ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। দুদিন পূৰ্বে হোৱা ছোৱালীৰ ১০০ মিটাৰ ৱাটাৰফ্লাই শাখাতো আস্থাই ৰূপৰ পদক লাভ কৰিছিল। তেওঁ সময় লয় এক মিনিট ০৩.৮৯ ছেকেণ্ড। আনহাতে, ২০০ মিটাৰ ফ্ৰী-ষ্টাইল শাখাতো আস্থা চৌধুৰীয়ে ব্ৰঞ্জ পদক অৰ্জন কৰি ৰাজ্যক গৌৰৱ দিছিল। ইফালে, আস্থাৰ লগতে অসমৰ বিক্ৰম চাংমাই আৰু উত্তৰা গগৈয়েও চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত সাঁতোৰত মুঠ পাঁচটা পদক লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু উভয় খেলুৱৈৰ সফলতা অসমৰ পৰিবৰ্তে দিল্লীৰ হিচাপে পদক তালিকাত দেখুওৱা হৈছে। কাৰণ চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত যোগ্যতা অৰ্জনৰ সময়ত উত্তৰাই দিল্লীৰ হৈ খেলিছিল। একেই ঘটনা ঘটিছে অসমৰ বিক্ৰম চাংমাইৰ ক্ষেত্ৰতো। উল্লেখ্য যে বিক্ৰমে ল'ৰাৰ ২০০ মিটাৰ মিডলে শাখাত সোণ, ২০০ মিটাৰ ৱাটাৰফ্লাই শাখাত ৰূপ আৰু ৫০ মিটাৰ ৱাটাৰফ্লাই শাখাতো ৰূপ লাভ কৰিছে। আনহাতে, ছোৱালীৰ ১০০ মিটাৰ ৱাটাৰফ্লাই শাখাত ব্ৰঞ্জৰ পদক লাভ কৰা অসমৰ উত্তৰা গগৈয়ে ছোৱালীৰ ৫০ মিটাৰ ৱাটাৰফ্লাই শাখাতো ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু এই পাঁচটা পদক অসমৰ নামত নাই। বিপৰীতে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমৰ সাঁতোৰ খেলুৱৈৰ জড়িয়তে পাঁচটা পদক লাভ কৰিছে দিল্লীয়ে।



## বক্সিঙৰ ফাইনেলত অসমৰ ইমদাদ, ছেমিত পৰাস্ত হৈ ব্ৰঞ্জ পালে আইকনে

**গুৱাহাটী, ১২ জুন ঃ** অসমৰ ইমদাদ হুছেইনে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ বক্সিঙৰ ফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ খেলো ইণ্ডিয়াৰ অন্তিম দিনা সোণৰ পদকৰ বাবে খেলিব ইমদাদে। তেওঁৰ প্ৰতিদ্বন্দ্বী হাৰিয়ানাৰ। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমৰ দুগৰাকী বক্সাৰে ছেমিফাইনেলত প্ৰৱেশ কৰি কালিয়েই পদক জয় নিশ্চিত কৰিছিল। কিন্তু আজি হোৱা খেলত অসমৰ আইকন মিলিয়ে ছোৱালীৰ ৫৪ কেজি শাখাৰ ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জৰ পদক লাভ কৰে। কিন্তু আজি অনুষ্ঠিত ল'ৰাৰ খেলত অসমৰ ইমদাদ হুছেইনে ৬৩.৫ কেজি শাখাৰ ছেমিফাইনেলত ৰাজস্থানৰ খেলুৱৈৰ বিৰুদ্ধে জয়লাভ কৰি ফাইনেলত স্থান নিশ্চিত কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ২০১৮ৰ পৰা আৰম্ভ হোৱা খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ প্ৰথম সংস্কৰণত অসমে এটা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জ লাভ কৰি মুঠ চাৰিটা পদকৰে তালিকাৰ ২৩ নম্বৰ স্থানত আছিল। পৰৱৰ্তী ২০১৯ ৰ দ্বিতীয় খেলো ইণ্ডিয়া যুৱ গেমছত



অসমে তিনিটা সোণ, এটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জ লাভ কৰি মুঠ আঠটা পদকৰে তালিকাৰ ২০ নম্বৰ স্থানত থাকে। তৃতীয় খেলো ইণ্ডিয়া যুৱ গেমছ ২০২০ ত অনুষ্ঠিত হৈছিল গুৱাহাটীত। আয়োজক ৰাজ্য হিচাপে অসমে সকলো ইভেণ্টত খেলাৰ সুযোগ লাভ কৰি মুঠ ৭৬ টা পদক অৰ্জন কৰে আৰু তালিকাৰ সপ্তম স্থানত থাকিবলৈ সক্ষম হয়। উল্লেখ্য যে গৃহভূমিত হোৱা তৃতীয় খেলো ইণ্ডিয়া যুৱ গেমছ ২০২০ ত অসমে ২০ টা সোণ, ২২ টা ৰূপ আৰু ৩৪ টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। এইবাৰ কিন্তু অসমে ১৩ বিধ খেলত ৬২ জন খেলুৱৈহে প্ৰেৰণ কৰিবলৈ সক্ষম হৈছে। অৰ্থাৎ যোৱাবাৰৰ পদক জয়ৰ সংখ্যাতকৈয়ো অসমৰ কম খেলুৱৈয়ে অংশ লৈছে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত। ৬২ জন খেলুৱৈৰ ভিতৰত অসমে এতিয়ালৈকে ২১ টা পদক জয় কৰিবলৈ সক্ষম হৈছে।

### পৰম্পৰাগত খেলত অসমৰ চমক

## কালাৰীপায়ুত্তুত জাকাৰিয়াৰ ৰূপ, সমিক্ষাৰ ব্ৰঞ্জ লাভ

**গুৱাহাটী, ১২ জুন ঃ** পৰম্পৰাগত ক্ৰীড়া থাংটা আৰু যোগাসনত অসমৰ খেলুৱৈয়ে পদক লাভ কৰি চমক সৃষ্টি কৰাৰ পাছত চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অন্তৰ্ভুক্ত হোৱা আন এবিধ পৰম্পৰাগত ক্ৰীড়া কালাৰীপায়ুত্তুতো আজি দুটাকৈ পদক লাভ কৰিলে অসমৰ খেলুৱৈয়ে। উল্লেখ্য যে অসমৰ জাকাৰিয়া ইছলামে ল'ৰাৰ ৪.৫ ফুট শাখাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে ছোৱালীৰ ৪.৫ ফুট শাখাত অসমৰ সমীক্ষা বেগমে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে থাংটাত সৰ্বাধিক আঠটা পদক লাভ কৰাৰ বিপৰীতে চাৰিটা পদক লাভ কৰিছে ভাৰোত্তোলনত। আনহাতে, সাঁতোৰত তিনিটা, বক্সিং আৰু কালাৰীপায়ুত্তুত দুটাকৈ তথা যোগাসন আৰু জিমনাষ্টিকছত এটাকৈ পদক লাভ কৰিছে অসমে। কাইলৈ সামৰণি পৰিব চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া।





## দ্বিতীয় টি-২০ তো পৰাস্ত ভাৰত

**কটক, ১২ জুন ঃ** ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা চলিত পাঁচখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচতো পৰাস্ত হৈছে। আজি কটকত অনুষ্ঠিত হোৱা মেচত দক্ষিণ আফ্ৰিকাই চাৰি উইকেটত জয়লাভ কৰি পাঁচখনীয়া টি-২০ শৃংখলাত ২-০ ৰ অগ্ৰগতি লৈছে। পোনতে বেটিং কৰা ভাৰতে শ্ৰেয়াছৰ ৪০, ইযানৰ ৩৪ আৰু দিনেশৰ ৩০ ৰাণৰ সহায়ত ছয় উইকেটত ১৪৮ ৰাণ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ক্লাছেনৰ ৮১ আৰু বাভুমাৰ ৩৫ ৰাণৰ সহায়ত ১৮.২ অভাৰতে ছটা উইকেট হেৰুৱাই ১৪৯ ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে টীম ইণ্ডিয়া শৃংখলাৰ প্ৰথমখন মেচতো পৰাজয়ৰ সন্মুখীন হৈছিল। সেয়ে দ্বিতীয়খন মেচ ঘৰুৱা দলটোৰ বাবে গুৰুত্বপূৰ্ণ হৈ পৰিছিল। উল্লেখ্য যে নতুন দিল্লীত হোৱা শৃংখলাৰ প্ৰথমখন মেচত আলহী দলটোৱে সাত উইকেটত ভাৰতক পৰাস্ত কৰিছিল। ২১২ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি দক্ষিণ আফ্ৰিকাই ১৯.১ অভাৰত তিনিটা উইকেট হেৰুৱাই মেচখনত জয়লাভ কৰে। চলিত পাঁচখনীয়া টি-২০ শৃংখলাৰ তৃতীয়খন মেচ ১৪ জুনত বিশাখাপট্টনমত হ'ব



### আজি সামৰণি পৰিব চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ

# অসমৰ ২১ টা পদক লাভ

**গুৱাহাটী, ১২ জুন ঃ** চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ কাইলৈ সামৰণি পৰিব। উল্লেখ্য যে এইবাৰ অসমে ১৩ বিধ খেলত ৬২ জন খেলুৱৈ প্ৰেৰণ কৰিছিল আৰু এতিয়ালৈকে অসমে ২১ টা পদক জয় কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমক প্ৰথমটো সোণ দিয়াৰ গৌৰৱময় সফলতা লাভ কৰে থাংটা খেলুৱৈ ৰাজা সিনহাই। ইফালে, থাংটাত ৰূপৰ পদক লাভ কৰে উৰ্মিলা শৰ্মা, ম'নালী গগৈ, ৰাহুল চৌহান, য়াইখ'স্বা আৰু ইলিনাই। আনহাতে, থাংটাত অসমক ব্ৰঞ্জ পদক দিয়ে সুৰজ সিং আৰু এম সান্তামনিয়ে। ইফালে, ভাৰোত্তোলনত অসমৰ সুদিত্য বৰুৱাই ৮৯ কিলোগ্ৰাম শাখাত সোণ লাভ কৰিবলৈ সক্ষম হয়। তদুপৰি ভাৰোত্তোলনত অসমৰ ত্ৰিদীপ বৰুৱাই ৮১ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে প্ৰবাল প্ৰতিম গগৈয়ে ৭৩ কিলোগ্ৰাম শাখাত ব্ৰঞ্জ লাভৰ লগতে ছোৱালীৰ শাখাত ৰেখামণি গগৈয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হয়। সাঁতোৰত অসমৰ জলকন্যা আস্থা চৌধুৰীয়ে তিনিটা পদক লাভ কৰি হেট্ৰিক অৰ্জন কৰিছে। বক্সিঙত অসমৰ ইমদাদ হুছেইন আৰু আইকন মিলিয়ে পদক লাভ কৰাৰ বিপৰীতে পৰম্পৰাগত ক্ৰীড়া কালাৰীপায়ুত্তুতো দুটাকৈ পদক লাভ কৰিছে অসমৰ খেলুৱৈয়ে। অসমৰ জাকাৰিয়া ইছলামে ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে ছোৱালীৰ শাখাত অসমৰ সমীক্ষা বেগমে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ইফালে, অসমৰ হৈ এটা ৰূপৰ পদক লাভ কৰে যোগাসনত সুমিত দে। আনহাতে, ৰিডমিক জিমনাষ্টিকছত অসম কন্যা উপাশা তালুকদাৰে ব্ৰঞ্জৰ পদক লাভ কৰে।

## নগাঁও ক্ৰীড়া সংস্থাৰ খেলুৱৈৰ আন্তঃক্লাব সাল-সলনি সমাপ্ত

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ১২ জুন ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ দুদিনীয়াকৈ আয়োজিত খেলুৱৈৰ আন্তঃক্লাব সাল-সলনি পৰ্ব আজি সন্ধিয়া সফলতাৰে সামৰণি পৰিছে। ক্ৰিকেট শাখাৰ খেলুৱৈৰ বাহিৰে সংস্থাটোৰ অন্তৰ্ভুক্ত আন এঘাৰটা শাখাৰ মুঠ ১৩৫ গৰাকী খেলুৱৈয়ে এইবাৰ ক্লাব দল সাল-সলনি কৰিছে। ইয়াৰ ভিতৰত কালি ৬৮ গৰাকী আৰু আজি ৬৭ গৰাকী খেলুৱৈ আছিল। উল্লেখ্য যে, এই খেলুৱৈসকলৰ ভিতৰত আন্তঃৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ আজমল কবীৰ আৰু মেহদী আলমে নগাঁও ছুপাৰ ষ্ট্ৰাইকাৰৰ পৰা আজি ৰেডিয়েল ক্লাবলৈ দল সলনি কৰিছে।

## আন্তঃক্লাব ফুটবল লীগ আৰম্ভ

**অগ্ৰদূত ব্যুৰ**

**বঙাইগাঁও, ১২ জুন ঃ** চিৰাং জিলাৰ বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আজিৰে পৰা আৰম্ভ হৈছে এ ডিভিজন আৰু বি ডিভিজন আন্তঃক্লাব ফুটবল লীগ প্ৰতিযোগিতা । বিজনী জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আয়োজিত লীগখন উদ্বোধন কৰে বিজনী মহকুমা আৰক্ষী বিষয়া শেখৰজ্যোতি ৰয়ে। পতাকা উত্তোলন কৰে বিজনী জিলা ক্ৰীড়া সন্থাৰ সভাপতি ৰোমিও কুমাৰ ব্ৰহ্মই । ডাঃ বীৰেন্দ্ৰ বসুমতাৰী আৰু ৰঞ্জিত দাস সোঁৱৰণী এ ডিভিজনৰ আজিৰ উদ্বোধনী খেলত বিজনীৰ পাণবাৰীৰ সৌমখৌৰ মানাস ক্লাব বনাম মংগলিয়ান সন্নযাসীগুৰীৰ মাউৰিয়া ক্লাব অৱতীৰ্ণ হয় । সৌমখৌৰ মানাস ক্লাবে মাউৰিয়া ক্লাবক ৩-০ গলৰ ব্যৱধানত পৰাস্ত কৰি পৰৱৰ্তী খেলত প্ৰৱেশ কৰে। উল্লেখ্য এ ডিভিজনত মুঠ আঠটাকৈ ক্লাবে অংশগ্ৰহণ কৰিছে। একেদৰে ৰঞ্জন মুছাহাৰী আৰু বানাৰাম বসুমতাৰী সোঁৱৰণী বি ডিভিজন লীগত মুঠ ৪৯ টা ক্লাবে অংশগ্ৰহণ কৰিছে।

### ‘চি’ ডিভিজন কোৱালিফায়িং ৰাউণ্ড ফুটবল

## নিউ ষ্টাৰ, কেএমচি, শান্তিপুৰ, ৱাৰিয়ৰ্ছৰ জয়

**গুৱাহাটী, ১২ জুন ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত ‘চি’ ডিভিজন কোৱালিফায়িং ৰাউণ্ড ফুটবল প্ৰতিযোগিতাত আজি নিউ ষ্টাৰ ক্লাব, কে এম চি এফ চি, শান্তিপুৰ এ চি আৰু আছাম ৱাৰিয়ৰ্ছে পৰৱৰ্তী ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰিছে । আজি নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত খেলত নিউ ষ্টাৰ ক্লাবে আমবাৰী ইউনাইটেড এফ চিক ২-১ গ'লত, কে এম চি এফ চিয়ে হাৰ্ভেষ্ট এফ চিক ৪-১ গ'লত, শান্তিপুৰ এচিয়ে কাজিৰঙা এফ চিক ৪-১ গ'লত আৰু আছাম ৱাৰিয়ৰ্ছে স্প'ৰ্টছক্ৰাফ্ট এছচিক ৩-০ গ'লত পৰাস্ত কৰে । শান্তিপুৰৰ আব্দুল হান্নান আৰু আছাম ৱাৰিয়ৰ্ছৰ জন এক্কাই হেটট্ৰিক অৰ্জন কৰে । ১৪ জুনৰ পৰা পৰৱৰ্তী ৰাউণ্ডৰ খেলসমূহ আৰম্ভ হ'ব।

## যোৰহাটত হ'বলগা অসম ৰাজ্যিক ক্ৰীড়াৰ উদযাপন সমিতি গঠন



**ষ্টাফ ৰিপৰ্টাৰ**


**যোৰহাট, ১২ জুন ঃ** অসম ৰাজ্যিক ক্ৰীড়া সমাৰোহখন এইবাৰ অনুষ্ঠিত হ'ব যোৰহাটত। উল্লেখ্য যে অসম অলিম্পিক সন্থাই ইতিমধ্যে এই ক্ৰীড়া সমাৰোহ যোৰহাট জিলাত অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই সন্দৰ্ভত আজি যোৰহাট ক্ৰীড়া ভৱনত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি শান্তনু পূজাৰীৰ উপস্থিতিত হোৱা ৰাজহুৱা সভাত এখন উদযাপন সমিতি গঠন কৰা হয়। যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক জুল খাউণ্ডে উদ্দেশ্য ব্যাখ্যা কৰা উক্ত সভাত উপস্থিত থাকি অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ, কোষাধ্যক্ষ তপন দাস আৰু উপ সভাপতি অনুপ চৌধুৰীয়ে বক্তৃতা ৰাখি আগন্তুক ৰাজ্যিক ক্ৰীড়া সমাৰোহৰ বাবে যোৰহাট জিলা ক্ৰীড়া প্ৰেমীৰ সহায় সহযোগিতা কামনা কৰাৰ লগতে যোৰহাট জিলা ক্ৰীড়া সন্থাৰ অন্তৰ্গত ক্লাৱ, উপ ক্ৰীড়া সন্থা, শিক্ষা অনুষ্ঠান, বিভিন্ন ক্ৰীড়া অনুষ্ঠান প্ৰতিষ্ঠানৰ পূৰ্ণ সহযোগ কামনা কৰিছে। সভাত উপস্থিত থাকি অসম অলিম্পিক সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক ননী দত্ত আৰু অসমৰ ক্ৰীড়া সংগঠক তপন দত্তই যোৰহাটৰ ক্ৰীড়া ইতিহাসৰ ওপৰত বক্তৃতা আগবঢ়ায়। উক্ত সভাতে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈক সভাপতি, যোৰহাট জিলা উপায়ুক্ত আশোক কুমাৰ বৰ্মন, ড০ তপন দত্ত, ননী দত্ত কাৰ্যকৰী সভাপতি, শান্তনু পূজাৰী সাধাৰণ সম্পাদক, জুল খাউণ্ড আৰু দামোদৰ বৰ্মন মুখ্য কাৰ্যবাহী, বিমান বুঢ়াগোহাঁই, দেৱজ্যোতি শ্ৰুতিকৰ, পিকলু ৰয়, বিজয় বৰা, বিজয় শংকৰ বৰদলৈ, আলোক বৰুৱা, ৰঞ্জন শইকীয়াক যুটীয়া সম্পাদক আৰু নয়নজ্যোতি শৰ্মাক কোষাধ্যক্ষ হিচাপে লৈ এখন সাংগঠনিক সমিতি গঠন কৰা হয়। পৰৱৰ্তী সময়ত সাধাৰণ সম্পাদক, মূখ্য কাৰ্যবাহীকে আজি গঠন হোৱা সমিতিৰ বিষয়ববীয়া সকলৰ লগত আলোচনা কৰি সকলো ক্ৰীড়া সংগঠনৰ প্ৰতিনিধিকলৈ শীঘ্ৰে বিভিন্ন বিভাগৰ উপ সমিতিসমূহ গঠন কৰা হ'ব।

## আফগানিস্তানৰ বিৰুদ্ধে ভাৰতৰ জয়

**কলকাতা, ১২ জুন ঃ** এছিয়ান কাপৰ যোগ্যতা অৰ্জনৰ ফাইনেল ৰাউণ্ডৰ নিজৰ দ্বিতীয়খন মেচটো জয়লাভ কৰিছে ভাৰতে। উল্লেখ্য যে যোৱানিশা হোৱা মেচত ভাৰতীয় ফুটবল দলে আফগানিস্তানৰ বিৰুদ্ধে ২-১ গ'লত জয়লাভ কৰে। ভাৰতৰ হৈ ৮৬ মিনিটত সুনীল চেত্ৰীয়ে গ'ল দি দলক প্ৰথমে ১-০ গ'লৰ অগ্ৰগতি দিয়ে যদিও ৮৮ মিনিটত আমিনৰ গ'লে মেচত সমতা স্থাপন কৰে আফগানিস্তানে। কিন্তু ইঞ্জুৰী টাইমত ছামাদৰ বিজয়সুচক গ'লেৰে মেচত ২-১ গ'লত জয়লাভ কৰে ভাৰতে। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰতিযোগিতাৰ উদ্বোধনী মেচত কম্বোডিয়াৰ বিৰুদ্ধে ২-০ গ'লত জয়লাভ কৰিছিল ভাৰতে। কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত অনুষ্ঠিত মেচখনত ভাৰতৰ হৈ দিয়োটা গ'ল খেলৰ ১৩ আৰু ৫৯ মিনিটত দিছিল সুনীল চেত্ৰীয়ে। ক্ৰমাগত তিনিটা গ'লৰ পাছত বিশ্বৰ সক্ৰিয় ফুটবলাৰৰ ভিতৰত সৰ্বাধিক স্ক'ৰ কৰা তালিকাত তৃতীয় স্থানলৈ উত্তৰণ কৰাইছে সুনীলে। উল্লেখ্য যে সুনীলে ১২৮ খন মেচত ৮৩ টা গ'ল দি এতিয়া পৰ্তুগালৰ ছুপাৰষ্টাৰ ক্ৰিষ্টিয়ানো ৰোনাল্ডো ছল্ল১১৭ৰ আৰু আৰ্জেণ্টিনাৰ লিয়নেল মেছিৰ ছল্ল৮৬ৰগ্ন পিছতে আছে । ভাৰতে অহা ১৪ জুনত হংকঙৰ মুখামুখি হ'ব।

## গ্ৰেণ্ডমাষ্টাৰ খিতাপৰ দিশে অসমৰ চাহিল

**গুৱাহাটী, ১২ জুন ঃ** অসমৰ চাহিল দেই গ্ৰেণ্ডমাষ্টাৰ খিতাপ অৰ্জনৰ দিশে আগবাঢ়িবলৈ সক্ষম হৈছে। উল্লেখ্য যে চাৰি পৰা ১১ জুনলৈ ইটালীৰ কাটোলিকা চহৰত অনুষ্ঠিত হোৱা কাটোলিকা দবা প্ৰতিযোগিতাত অংশ লৈ অসমৰ চাহিলে ন ৰাউণ্ডৰ পৰা ৬.৫ পইণ্ট সংগ্ৰহ কৰি তৃতীয় স্থান লাভ কৰে। এই ফলাফলেৰে চাহিলে প্ৰথমটো গ্ৰেণ্ডমাষ্টাৰ নৰ্ম লাভ কৰে। এতিয়া আৰু দুটা নৰ্ম অৰ্জন কৰিলে আৰু ৰেটিং পইণ্ট ২৫০০ লৈ বৃদ্ধি কৰিব পাৰিলেই চাহিলে গ্ৰেণ্ডমাষ্টাৰৰ খিতাপ অৰ্জন কৰিব। স্মৰ্তব্য যে চাহিলৰ বৰ্ত্তমান ৰেটিং ২৩৬৬।



## প্ৰাক্তন কাবাডী খেলুৱৈৰ ৰাজ্যিক সমিতি গঠন

**অগ্ৰদূত বাৰ্তা , ৰঙিয়া, ১২ জুন ঃ** ৰাজ্যৰ প্ৰাক্তন কাবাডী খেলুৱৈ সকলৰ এদিনীয়া সন্মিলন আজি দিনজোৰা কাৰ্যসূচীৰে ৰঙিয়া ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। অসমৰ কেবাগৰাকী প্ৰাক্তন ৰাজ্যিক খেলুৱৈৰ উপস্থিতিত অনুষ্ঠিত সন্মিলনত অসমৰ বিভিন্ন জিলাৰ পৰা প্ৰায় ৭০ গৰাকী প্ৰাক্তন কাবাডী খেলুৱৈ অংশগ্ৰহণ কৰে। সন্মিলনৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা সভাত সভাপতিত্ব কৰে প্ৰবীণ খেলুৱৈ নাজিমুদ্দন আহমেদে । প্ৰাক্তন খেলুৱৈ হৰেশ্বৰ বড়োয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত এখন শক্তিশালী কমিটি গঠন কৰা হয়। সৰ্বসম্মতি ক্ৰমে গঠিত সমিতিত আতিকুল ইছলাম আনচাৰীক সভাপতি হৰেশ্বৰ বড়োক কাৰ্যকৰী সভাপতি, ছিদ্দিকুৰ ৰহমানক সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰা হয় । সভাত এখন সংবিধান প্ৰনয়ন সমিতিও গঠন কৰা হয়। সভাত বক্তা সকলে অসমত কাবাডী খেল আৰু খেলুৱৈৰ উন্নয়নৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। ৰাজ্যৰ কাবাডী খেলৰ উন্নতি ৰ বাবে সদস্যসকলোক নিজৰ নিজৰ জিলাত বিহীত ব্যৱস্থা ল'বলৈ আহ্বান জনায় । সন্মিলনত বিশিষ্ট ক্ৰীড়া সংগঠক বীৰেণ কলিতা, আলাউদ্দিন আহমেদ আৰু বিপুল মেধিও উপস্থিত থাকে।





## ৰাষ্ট্ৰীয় কাৰাটেৰ অসম দল ঘোষণা

**গুৱাহাটী, ১২ জুন ঃ** অহা সাত আগষ্টত হায়দৰাবাদত হ'বলগীয়া কিয়ো জাপান শ্বটোকান কাৰাটে নেচনেল চেম্পিয়নশ্বিপৰ বাবে অসম দলটো আজি বৰপেটা সাহিত্য সভা ভৱনত বাচনি কৰা হয়। মুঠ ১৭ জন প্ৰতিযোগী এই চেম্পিয়নশ্বিপৰ বাবে নিৰ্বাচিত হয়। উকাৰ যুটীয়া সাধাৰণ সম্পাদক হাসমত আলী আৰু কিয়ো জাপান শ্বটোকান কাৰাটে এচোছিয়েশ্যনৰ অসমৰ সভাপতি বিনয় অধিকাৰীৰ উপস্থিতিত খেলুৱৈ সকলৰ নাম ঘোষণা কৰা হয়। ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ বাবে খেলুৱৈ সকলে যথেষ্ট অনুশীলন কৰিছে। খেলুৱৈ সকলক হায়দৰাবাদত হ'বলগীয়া প্ৰতিযোগিতাত ভাল প্ৰদৰ্শন কৰি অসমলৈ পদক বুটলি আনি আন্তৰ্জাতিক পৰ্যায়ত যাতে অংশগ্ৰহণ কৰিব পাৰে সেই লক্ষ্যৰে খেলিবলৈ উকাৰ যুটীয়া সাধাৰণ সম্পাদক হাসমত আলীয়ে আহ্বান জনায়। নিৰ্বাচিত হোৱা খেলুৱৈ সকল হ'ল ঃ অৰ্ণৱজিৎ দাস, কৃষ্ণাংগন পাঠক, অনুৰাগ প্ৰীতম, জাকিৰ আলী, জৰ্জিনা বৰ্মন, চেলি তালুকদাৰ, নিশিতা বৰ্মন, ময়ুৰী তালুকদাৰ, দীপশিখা দাস, প্ৰাঞ্চু ভৰদ্বাজ, মাজিদুল ইছলাম, মণিৰুল ইছলাম, ময়নাল আলী, দীপক মাহাতো, ভূমিকা বৰ্মন, জ্ঞানদ্বীপ বৰ্মন আৰু অনন্যা দাস। দলটোৰ প্ৰশিক্ষক হিৰণ দাস আৰু টীম মেনেজাৰ প্ৰশান্ত তালুকদাৰ।

